DUDHNOI COLLEGE
ESTD 1972

# দুধনৈ মহাবিদ্যালয় আলোচনী




তত্বাৱধায়ক
ডঃ ৰজত চন্দ্ৰ ৰাভা

সম্পাদক
শ্ৰীনলিন দাস

# দুধনৈ মহাবিদ্যালয় আলোচনী

ত্ৰয়োবিংশ বছৰ ঃ ১১শ সংখ্যা

১৯৯৭-৯৮ চন

বছৰেকীয়া প্ৰকাশ

তত্ত্বাৱধায়ক ঃ

ডঃ ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ

শ্ৰীনলিন দাস

# দুধনৈ মহাবিদ্যালয় আলোচনী



## সম্পাদনা সমিতি

উপদেষ্টা ঃ অধ্যক্ষ শ্ৰীযুত কৰুণাকান্ত ৰাভা

তত্বাৱধায়ক ঃ অধ্যাপক ডঃ ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ শ্ৰীনলিন দাস

সদস্য / সদস্যা বৃন্দ ঃ অধ্যাপিকা মিনতি চৌধুৰী (ভূগোল)
অধ্যাপক ফণীভূষণ দাস

তত্বাৱধায়ক ঃ অধ্যাপক অশোক ৰঞ্জন ভট্টাচাৰ্য্য

সম্পাদক ঃ অধ্যাপক জীৱেশ্বৰ কোচ

বেটুপাতৰ শিল্পী ঃ মিছ্ সুমন দাস,
স্নাতক দ্বিতীয় বৰ্ষ, দুধনৈ মহাবিদ্যালয়।

ডি.টি.পি ঃ লেজাৰ ইম্প্ৰেচন
গুৱাহাটী - ৭৮১ ০০৭
ফোন : ৫১৩৬৯২

মুদ্ৰক ঃ ভৱানী অফচেট্
গুৱাহাটী - ৭৮১ ০০৩
ফোন : ৫২৪০৫৬ (অ,)
৫৬৬৪৯৯ (পি.পি.)

দুধনৈ মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ হৈ নলিন দাসৰ দ্বাৰা প্ৰকাশিত আৰু ভৱানী অফচেটত মুদ্ৰিত।

# শ্ৰদ্ধাঞ্জলী



ঁহাকিম চন্দ্ৰ ৰাভা
(১৯১৫ - ১৯৯৭)

দুধনৈৰ বিশিষ্ট নাগৰিক, প্ৰাক্তন বিধায়ক তথা দুধনৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা শ্ৰীহাকিম চন্দ্ৰ ৰাভাদেৱ যোৱা ১৮ ডিচেম্বৰ ১৯৯৭, তাৰিখে নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। ৰাভাদেৱ দুধনৈ মহাবিদ্যালয়খন গঢ় দিয়াত যি আকুণ্ঠ সহায়-সহযোগিতা আগ বঢ়াইছে, সেয়া সকলোৰে বাবে স্মৰণীয়। উল্লেখনীয় যে ৰাভাদেৱে মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ পদাৰ্থ বিজ্ঞান শাখাৰ নামত এটি ভৱন নিৰ্মাণ কৰি দিয়ে।

এই মহান ব্যক্তিগৰাকীক আমি মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সমূহে শ্ৰদ্ধাৰে সুঁৱৰিছো।

*Sri Karuna Kanta Rabha,* M.A.
PRINCIPAL
DUDHNOI COLLEGE
P.O. - Dudhnoi - 783 124
Goalpara, Assam

☎ : 81531 (O)
81560 (R)



# শুভেচ্ছা বাণী

মহাবিদ্যালয় এখনত নিয়মীতৰূপে এখন আলোচনী প্ৰকাশ কৰিব পৰাটো এটা গৌৰৱৰ বিষয়। কিন্তু এনে ধৰণৰ আলোচনী সমূহ গতানুগতিক পদ্ধতিটোত কিছু পৰিমাণে নতুনত্বলৈ আনিব পাৰিলে বেছি ভাল হোৱা যেন লাগিব। সদ্য প্ৰকাশিত এই দুধনৈ মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ শিক্ষা বছৰৰ আলোচনীখন এই ক্ষেত্ৰত ব্যতিক্ৰম নহব বুলিয়েই কামনা কৰোঁ।

এই দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক, তত্বাৱধায়ক অধ্যাপক তথা আলোচনী পৰিচালনা সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যাপক, অধ্যাপিকা সকলক মোৰ ফালৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিলো।

জয়তু দুধনৈ মহাবিদ্যালয় আলোচনী।

শ্ৰীকৰুণা কান্ত ৰাভা
অধ্যক্ষ
দুধনৈ মহাবিদ্যালয়, দুধনৈ

তাৰিখ ঃ ২৫ ফেব্ৰুৱাৰী, '৯৮

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন ☐ যোৰহাট - ৭৮৫ ০০১ ☐ ✆ ৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন ☐ গুৱাহাটী - ৭৮১ ০০১ ☐ ✆ ৫২১৮৩০
ডিফু কাৰ্যালয় ঃ বাংছিলা ভৱন ☐ ডিফু - ৭৮২ ৪৬০ ☐ ✆ ২৫৯০

ড° নগেন শইকীয়া
সভাপতি

# শুভেচ্ছা বাণী

শিক্ষানুষ্ঠানৰ প্ৰকাশিত মুখপত্ৰই এই অনুষ্ঠানৰ লগত জড়িত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চিন্তা, জ্ঞান, অভিজ্ঞতা, অধ্যয়ন-গৱেষণা আৰু অনুভূতিৰ আধাৰত লিখা বহু ৰচনাৰ উপৰিও স্থানীয় শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পৰিচয় থকা বহু ৰচনা প্ৰকাশ কৰিলে বহু উপকাৰ পায়। জ্ঞান আৰু ৰস ছাত্ৰীসকলৰ লিখনিৰ লগতে বহু ৰচনাৰে সমৃদ্ধ হৈ প্ৰকাশ পোৱা এনে এখন মুখপত্ৰ প্ৰকাশনৰ মূল্য অসীম হৈ পৰে। আশাকৰোঁ প্ৰস্তাৱিত মুখপত্ৰখনিয়ে এনে মান বজাই ৰাখিব সক্ষম হ'ব। মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইতি

নগেন শইকীয়া

OFFICE OF THE DEAN, FACULTY OF ARTS
GAUHATI UNIVERSITY
Guwahati - 781 014

# শুভেচ্ছা বাণী

দুধনৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ পথত বুলি জানি সুখী হ'লোঁ।

সম্প্ৰতি অসমৰ সমাজ-জীৱন নানা সমস্যা আৰু অশান্তিৰে আলোড়িত। তাৰ মাজেৰে এচাম লোকে সমাধানৰ পথো বিচাৰি আছে। যথাৰ্থ সমাধানৰ ওপৰত আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। হয়তো সাহিত্যিক সকলেই নিঃস্বাৰ্থ সাহিত্যসেৱাৰে কিছু পৰিমাণে আমাক বাট দেখুৱাব পাৰিব।

দুধনৈ এখন মিশ্ৰিত জনবসতিৰ অঞ্চল। সি যেন অসমৰ ক্ষুদ্ৰ সংস্কৰণ। বিভিন্ন জনগোষ্ঠীৰ মানুহে সহনশীলতা, শ্ৰদ্ধা আৰু সম্প্ৰীতিৰে ইয়াত বাস কৰি আছে, ভৱিষ্যতেও কৰিব লাগিব। মহাবিদ্যালয়ৰ উদীয়মান লেখক-লেখিকাই এই দিশ মনত ৰাখিলে ভাল হয়।

আলোচনীৰ জৰীয়তে তৰুণ-তৰুণী সকলৰ সাহিত্য প্ৰতিভাৰ বিকাশ হ'ব বুলি আশা কৰি তাৰ সাফল্যমণ্ডিত ভৱিষ্যতো কামনা কৰিলোঁ। ইতি

হীৰেন গোহাঁই
২০/২/৯৮

# সম্পাদকীয়





প্ৰথমেই নিজৰ প্ৰাণতকৈ মৰমৰ স্বদেশ-স্বজাতিৰ বাবে প্ৰাণ আহুতি দিয়া সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে যিসকলে ৰাষ্ট্ৰ সন্ত্ৰাসৰ দ্বাৰা নিৰ্য্যাতিত হ'ল, সেই সকলোলৈও মোৰ গভীৰ সমবেদনা জ্ঞাপন থাকিল।

দ্বিতীয়তে, স্বীকাৰ কৰিছোঁ আলোচনীখন পলমকৈ ওলোৱাৰ অভিযোগ। কাৰণ বছৰটোৰ বিভিন্ন পৰিস্থিতি আৰু আন-আন আনুসংগিক অসুবিধাৰ সন্মুখীন হব লগা হোৱা বাবে লিখনিসমূহ সংগ্ৰহ কৰিব পৰা নাছিলোঁ, তাৰ বাবে আলোচনীখন পলমকৈ প্ৰকাশ হোৱাত ক্ষমা মাগিছোঁ।

"Education is the vehicle of culture of the past, sustainer of the civilization of the present and the foundation of the progress of at the future." শিক্ষাৰ উদ্দেশ্য হ'ল ব্যক্তিগত বিকাশ আৰু গঠনৰ জৰিয়তে শিক্ষাৰ্থীক সমাজ জীৱনৰ বাবে সুদক্ষ কৰি গঢ়ি তোলা। শিক্ষাৰ উদ্দেশ্য সাধন হব পৰাকৈ শিক্ষা ব্যৱস্থাক গঢ় দিব পাৰিলেহে দেশ এখনে প্ৰগতি লাভ কৰিব পাৰে। শিক্ষা ব্যৱস্থা, শিক্ষক আৰু শিক্ষাৰ্থীৰ গঠিত Bipolar process এটা নহয়। শিক্ষা ব্যৱস্থা বুলিলে শিক্ষাৰ্থী, শিক্ষক, পাঠ্যক্ৰম আৰু পৰিবেশৰ উপাদানেৰে পুষ্ট এটা শৈক্ষিক প্ৰক্ৰিয়াক বুজায়। কিন্তু আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত শ্ৰেণী অধিপত্য আমাৰ ৰখা দেখা গৈছে। আমাৰ শিক্ষা ব্যৱস্থাই আমাৰ শিক্ষাৰ্থীসকলক দেশৰ মানৱ সম্পদৰূপে গঢ়ি তোলাৰ পৰিবৰ্তে একো কামতে নলগা একোটা অকৰ্মন্য যুৱসমাজ হিচাপে গঢ়িতোলা দেখা গৈছে। অৱশ্যে মহাবিদ্যালয় সমূহত নতুনকৈ আৰম্ভ কৰা Computer Scienceয়ে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীক গঢ় দিয়াত অলপ সহায় হব বুলি ভাবো।

নিজৰ এটা সুন্দৰ ভৱিষ্যত গঢ়াৰ সংকল্প লৈ অহা অজস্ৰ ছাত্ৰ-ছাত্ৰীৰে এই গোৱালপাৰা জিলাৰ মাজ-মজিয়াত থকা দুধনৈ মহাবিদ্যালয় এখন আগশাৰীৰ ঠাহখোৱা জাগত জিলিকা পুৰণি মহাবিদ্যালয়। গোৱালপাৰাৰ সৰ্ববৃহৎ দুধনৈ অঞ্চলটোৰ ৰাইজৰ ই আশা-আকাঙ্খাৰ উচ্চ কেন্দ্ৰস্থল। কিন্তু বিত্তসংকটে এই অনুস্থানটোক বাৰুকৈয়ে জুৰুলা কৰিছে। কাৰণ মহাবিদ্যালয়খনৰ চাহিদা পুৰণৰ জোখেৰে কিতাপ, অধ্যয়ন কোঠা, পৰ্য্যাপ্ত শ্ৰেণী কোঠা, ছাত্ৰাৱাসত আসনৰ লগতে সকলোবোৰ দৰকাৰী সুবিধা, ছাত্ৰ-ছাত্ৰী জিৰণী কোঠাত পৰ্য্যাপ্ত সুবিধা, ক্ৰীয়া সুকুমাৰ কলাচৰ্চাৰ কোনো দিহা নথকাটোৱে আমাৰ দৈনতা সুজায়।

সাহিত্য-সংস্কৃতিয়েই হ'ল এটা জাতি, ভাষা তথা দেশ এখনৰ মেৰুদণ্ড স্বৰূপ। সাহিত্য-সংস্কৃতিৰ আবিহনে এটা জাতিৰ অস্তিত্ব কল্পনাতীত। সেয়ে যুগে যুগে এচাম লেখক-লেখিকা সৃষ্টি কৰিব পাৰিলেহে এটা জাতৰ সাহিত্য জীয়াই ৰাখিব পাৰি। হাড্চনৰ মতে "এখন কিতাপৰ আঁৰত এজন মানুহ আৰু এজন মানুহৰ আঁৰত সমাজৰ এখন ছবি থাকে।" এখন দেশৰ সাহিত্য সেইখন দেশৰ সমাজৰ দাপোন স্বৰূপ। প্ৰকৃত সাহিত্য বাস্তৱৰ ভেঁটিত প্ৰতিস্থিত হ'লেহে স্থায়ী হব পাৰে। আমি নতুন লিখক-লেখিকাই পুৰণি তথা প্ৰতিষ্ঠিত সকলোৰে লগত তুলনা কৰি নেচাই পৰীক্ষামুলকভাৱে চৰ্চা কৰি থাকিলেহে সুফল লাভ কৰিব বুলি পাৰিম। আমাৰো প্ৰতিভা আছে, নাই মাথো নিজৰ আত্মবিশ্বাস আৰু প্ৰচাৰতা। অপ্ৰিয় হলেও সত্য্য যে বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল কলাৰ প্ৰতি বিশেষকৈ সাহিত্য চৰ্চাৰ প্ৰতি সম্পূৰ্ণ বিৰোধী। এই ক্ষেত্ৰত যিকোনো এখন আলোচনীয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰে।

**বিগত বছৰটোত মোৰ দু-আষাৰ ঃ** আমাৰ ছাত্র-একতা সভাৰ কাৰ্য্যকালত আমাৰ কৰ্ত্তব্যত আমি কিমান দূৰ সফল হৈছোঁ সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। কিন্তু এটা কথা ঠিক যে আমি আমাৰ কৰ্ত্তব্য কৰিবলৈ অপ্ৰাণ চেষ্টা কৰিছিলোঁ তথাপিও কেতিয়াবা বিচলিত হব লগাত পৰিছিলোঁ, ইয়াৰ বাবে আছিল আমাৰ অজানিতে হোৱা কিছুমান ভুল আৰু অজ্ঞতাৰ বাবে।

আমাৰ ছাত্র-একতা সভাৰ কাৰ্য্যকালতে শিক্ষা বিভাগ আৰু ভূগোল বিভাগৰ যুটীয়া উদ্যোগত এখন বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানত গুৱাহাটী মহাবিদ্যালয়ৰ কেইবাজনো প্ৰবক্তাকে আদি কৰি বিশিষ্ট বুদ্ধিজীৱিসকলৰ অমূল্য ভাষণে নিশ্চয় আমাৰ ছাত্র-ছাত্রী সকলক শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে বৰঙণি যোগাই বুলি মোৰ বিশ্বাস। উল্লেখযোগ্য যে উক্ত বছৰটোতেই আমাৰ মহাবিদ্যালয়ত নতুনকৈ কাৰিকৰী দিশলৈ লক্ষ্য ৰাখি Vocational Education হিচাপে ফিচাৰীৰ নতুন পাঠ্যক্ৰম আৰম্ভ কৰা হয়। মোৰ বিশ্বাস এই শিক্ষাই আমাৰ নতুন যুৱচামক এক বৃত্তিমূলক পথ দেখুৱাব। অতি দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰে পৰা সহায় কৰি অহা মহাবিদ্যালয় পৰিচালনা সমিতিৰ এজন উল্লেখনীয় সভ্য তথা ৰাভা সমাজৰ প্ৰথমজন বিধায়ক হাকিম ৰাভা দেৱৰ '৯৭ চনৰ ১৮ ডিচেম্বৰত মৃত্যু হয়। তেখেত আমাৰ মহাবিদ্যালয়খনলৈ যি সহায় আগবঢ়াইছে সেয়া কল্পনাতীত। সেয়েহে তেখেতলৈ সন্মান জনাই আৰু ক'লা-সংস্কৃতিৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি এই বছৰৰ পৰা আমাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা তথা অসমৰ এগৰাকী বিশিষ্টা গায়িকা শ্ৰীমতী মিনতি চৌধুৰী (ভূএগ্ৰা) মহাশয়াই 'হাকিমৰাভা সোৱৰণী' চলন্ত ট্ৰফী আগবঢ়াইছে। এই বছৰ এই সন্মান মিছ কৰবী কলিতাই (তৃতীয় বৰ্ষ, কলা) পাবলৈ সক্ষম হয়। এই ছেগতে শ্ৰীমতী বাইদেউ আৰু মিচ কলিতাক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

অতি দুখেৰে আপোনালোকক জনাওঁ যে মোৰ বিভাগৰ প্ৰতিযোগীতা সমূহ এইবাৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰিব নোৱাৰিলো। ইয়াৰ মূল কাৰণ হ'ল প্ৰতিযোগীৰ অভাৱ আৰু আৰ্থিক নাটনিৰ বাবে। গতিকে মোৰ অনুৰোধ সকলো ছাত্র-ছাত্রীয়ে যাতে সকলোবোৰ প্ৰতিযোগীতাতে সমানভাৱে অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে। কাৰণ প্ৰতিযোগী অবিহনে প্ৰতিযোগীত অৰ্থহীন।

ধন্যবাদ জনাইছোঁ এইসকল ছাত্র-ছাত্রীলৈ যি সকলে মোক মহাবিদ্যালয় আলোচনীখন সম্পাদনা কৰাৰ গধুৰ দায়িত্ব মোৰ হাতত অৰ্পণ কৰিলে। লগতে মোৰ 'সন্মানীয় আৰু মৰমৰ প্ৰতুলদা, ধনকা, পুলেনদা, গোবিন্দ, ভাস্কৰ, হিতেন্দ্ৰ, মহেশ্বৰ, মান্য, অম্বিকা, তাৰানাথ, কানুবা, মিনাক্ষী, কনিকা, দিপালী, কবিতা, কুসুমণি, ভাগী, ললিতা, শিল্পী, ৰীতা, জোনা, দীপা, সবিতা বাইদেউ, কাকলি, অৰ্পনা, সুমন আৰু ভানুয়ে আগবঢ়োৱা প্ৰতিটো সহায়ৰ বাবে। মোৰ অতিকৈ শ্ৰদ্ধাৰ যিয়ে মোক আলোচনীখন প্ৰকাশৰ বাবে বাৰুকৈয়ে দিহা পৰামৰ্শ আগবঢ়াইছিল, অধ্যক্ষ শ্ৰীকৰুণাকান্ত ৰাভা, তত্বাৱধায়ক ডঃ ৰজত চন্দ্ৰ ৰাভা অধ্যাপক শ্ৰীফণীভূষণ দাস, অধ্যাপক জীৱেশ্বৰ কোচ, অধ্যাপক অশোক ৰঞ্জন ভট্টাচাৰ্য্য, অধ্যাপিকা মিনতি ভূএগ্ৰা চৌধূৰী, তেখেত সকলোলৈ যাচিছো মোৰ সশ্ৰদ্ধ প্ৰণাম।

শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি এটি কবিতাৰ কলিৰে সামৰিছোঁ --

*সাহিত্য, সঁচাই তুমি সময়ৰ চানেকি*
*তুমি, অতীত, বৰ্তমান আৰু অনাগত ভৱিষ্যতৰ ৰূপ মাধুৰী*
*তুমি অবিহনে আজি তেনেই পঙ্গু মানৱ সমাজ*
*সেয়েহে কৰিছোঁ তোমাক সময়েৰে সশ্ৰদ্ধ প্ৰণাম।*

জয়তু দুধনৈ মহাবিদ্যালয়

ধন্যবাদ সহকাৰে,
শ্ৰীনলিন দাস
সম্পাদক, আলোচনী

# সূচীপত্ৰ


| অসমীয়া বিভাগ | | | | পৃষ্ঠা |
|---|---|---|---|---|
| কবিতা ঃ | ১. | পাগলী | হিতেন্দ্ৰ কুমাৰ নাথ | ১ |
| | ২. | সুৰুযমুখীৰ স্বপ্ন | মিচ্ মৱমী ৰয় | ১ |
| | ৩. | এপিটাফ্ | দীপক কলিতা | ২ |
| | ৪. | তোমাক ভাল পাওঁ | অনুপ কুমাৰ ৰাভা | ২ |
| | ৫. | পুষ্পাঞ্জলী | পদুম কলিতা | ৩ |
| | ৬. | অভিশপ্ত গোলাপ | মুকুল পাটোৱাৰী | ৩ |
| | ৭. | নিসংগতাৰ বেদনা | মিচ্ কাকলি বসুমতাৰী | ৪ |
| | ৮. | প্ৰেৰণা | মিচ্ বিচিত্ৰা খাখলাৰী | ৪ |
| প্ৰবন্ধ ঃ | ৯. | বনছাই বনছাই | মান্যবন্ত স্বৰ্গীয়াৰী | ৫ |
| | ১০. | মমতাময়ী মাদাৰ টেৰেছা | মিচ্ ছামিনা খাতুন | ৯ |
| | ১১. | ৰঞ্জন ৰশ্মি | গোবিন্দ ৰায় | ১২ |
| | ১২. | এইড্‌চ ৰোগ..... | জোতির্ময় চক্ৰৱৰ্তী | ১৪ |
| | ১৩. | সামাজিক দায়বদ্ধতা..... | প্ৰশান্ত শৰ্মা | ২০ |
| | ১৪. | কাঠফুলা | মিচ্ সম্মতি স্বৰ্গীয়াৰী | ২৩ |
| | ১৫. | নীৰদ চি চৌধুৰী | জীৱেশ্বৰ কোচ | ২৬ |
| গল্প ঃ | ১৬. | ইন্টাৰভিউ | মিচ্ মিনাক্ষী নাথ | ২৯ |
| | ১৭. | প্ৰিয়ঙ্কাৰ অপ্ৰিয় অংক | হিমাংশু সিংহ ৰয় | ৩০ |
| | ১৮. | বালিত সজা ঘৰ | হৃদয়ানন্দ দাস | ৩৩ |
| | ১৯. | জ্যোতিষী | ভানুপ্ৰিয়া ৰাভা | ৩৬ |
| | ২০. | প্ৰতিশ্ৰুতি | ব্ৰজেন ৰায় | ৩৮ |
| সংবাদ | ২০. | মহাবিদ্যালয় সংবাদ | ............ | ৪৩ |
| ৰাভা বিভাগ | | | | |
| | ২১. | ছিকা নালা | অঞ্জলী ৰাভা | ৪৪ |
| | ২২. | ৰাভা চায় | বিকিলোচন তাৰা | ৪৪ |
| | ২৩. | গ্ৰ্যমিনি পাৰ’ | মিচ্ ৰিতা ৰাভা | ৪৫ |
| | ২৪. | বিবিনি খুৰাং | ভাস্কৰ তাৰা | ৪৫ |

# পাগলী

শ্ৰীহিতেন্দ্ৰ কুমাৰ নাথ
স্নাতক ১ম বৰ্ষ (কলা)



চঞ্চল চুলিটাৰী
আৰু
এযুৰি উদাসী চকু!
যৰ পৰা অহৰহ নিগৰিত হয়,
দুধাৰী অশ্ৰুধাৰা
মুষ্টিবদ্ধ হাতখনিত
এখনি লিখনি।
যি তাইৰ জীৱন যৌৱনৰ
এটি উজ্জল চানেকি।
তাই ভাৱে
সি জানো পুনঃ আহিব উভতি?
কৱনে বাৰু?
এয়া তাৰ কেঁচা তেজেৰেই লিখা বুলি।
মুষ্টিবদ্ধ হাতখনি খুলিলেই
মাজে মাজে অজানিতে,
তাইৰ ওঁঠত বিৰিঙে হাঁহি।
আৰু কাহানিবা!
হঠাতে তাই উঠে উচুপি
তাই বাৰু?
সঁচাকৈয়ে পাগলী নেকি?

# সুৰুযমুখীৰ স্বপ্ন



মিচ্ মৰমী ৰয়
স্নাতক তৃতীয় বৰ্ষ (কলা)

সিহঁত আহিছিল ইয়ালৈ
শোষিতৰ মুক্তি বিচাৰি
বিপ্লৱৰ ধ্বজা উৰুৱাই
দেশৰ স্বাধীনতা আনিবলৈ।
বিপ্লবৰ নিচান উৰিছিল
বিবেকত, আত্মাত।

সিহঁতে বিচাৰিছিল
আইৰ চকুলো মচিবলৈ
আৰু সেয়ে হাতত বন্দুক তুলি লৈছিল
আৰু গাইছিল বিপ্লৱী শ্লোগান।
কিন্তু বিপ্লৱী শ্লোগানেই জানো বিপ্লৱ?

সিহঁতে ভাবিছিল আইক ৰক্ষা কৰিবলৈ
সিহঁতেতো জনা নাছিল
অৰ্জুনৰ ৰথত
শিমণ্ডীৰ আবিৰ্ভাৱৰ কথা।

সিহঁতে ভাবিছিল নে কি বাৰু
ছোমালিয়া কিম্বা আফগানিস্থানত
কাশ্মীৰ নাইবা পূৰ্বাঞ্চলত
ভাতৃৰ তেজেৰে ফাকুখেলাৰ কথা?

সিহঁতে বিচাৰিছিল
এটি নতুন সূৰ্য্য
শোষিতৰ মুক্তি আৰু বিপ্লৱ।
কিন্তু এতিয়া বিপ্লৱ মানেই যে
নিৰাপত্তাহীন প্ৰতিহিংসাৰ নৃশংসতা।
আন্ধাৰতেই নীৰৱে মৃত্যু হ'ব নেকি বাৰু
বিশ্বাস, আত্মবিশ্বাস আৰু অনুভুতিবোৰ
সিহঁতৰ ভাষাহীন কাৰুণ্যতাৰে ভৰা
হেজাৰটা সুৰুযমুখীৰ স্বপ্ন।

# এপিটাফ্

শ্ৰীদীপক কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সোণামুৰা জীৱনৰ সেন্দুৰীয়া
পুৱা এটাৰ পৰা
হৃদয়ত সঞ্চিত কৰিছোঁ
ছন্দময়ী গোপন কবিতাৰ স্কেচ।

কেতিয়াবা বুকু বিদাৰি
ওলাই আহে
নজহা নপমা তেজ ৰঙা গান
তৰাফুলৰ জকমক্।

নিস্তব্ধ ৰাতিৰ অন্ধকাৰতো শুনো
তোমাৰ খোজৰ শৱদ
কাৰণ তুমি সুৰদি সুৰৰ মিঠা গণনা এটি
এতিয়া ইয়াত কৃষ্ণচূড়া ফুলৰ আয়োজন
সেয়ে বিচাৰিছোঁ
তোমাৰ সু-শীতল ছাঁ
নদীৰ সোঁতত গুণ গুণ।

এপাহি গোলাপৰ দৰে
তোমাৰ ওঁঠৰ
মসৃণ হাঁহিৰ সুগন্ধ
অজানিতে সৰি পৰে
এইয়া মোৰ বুকুৰ পঁজাৰ এপিটাফ্
তাম বৰণীয়া সংলাপ।

# তোমাক ভাল পাওঁ

শ্ৰীঅনুপ কুমাৰ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

নাৱেঁ নাৱেঁ ভটিয়াই
কহুৱা শেৱালীৰ গীত গাই
হেমন্তৰ পথাৰ নীলিম পাহাৰ
নদী, বন, নক্ষত্ৰৰ মায়াত
যুগে যুগে
মৰমৰ শৰাই সজাওঁ
তোমাক ভাল পাওঁ।
শাওঁনৰ সেমেকা বতৰত
বোৱনীৰ সেমেকা আঙুলিৰ
মৃদু পৰশত
নাইবা
হেমন্তৰ বিলত
দল বান্ধি মাছ মাৰি থকা
গাভৰু জাকৰ অপৰূপ মায়া
চাই চাই
কহুৱা কোমল মন কঁপে
নৱ নৱ শিহৰণত
হব পাৰে এয়া প্ৰেম
অনন্ত কালৰ ।
লুইতৰ অশান্ত সোঁতৰ দৰে
মোৰ হৃদয়ৰ সাগৰত
যুগ যুগ ধৰি বৈ আছে
এই প্ৰেমৰে অনন্ত প্ৰবাহ।
অলেখ বছৰ ধৰি
মুঠি মুঠি মৰমৰ
জোনাকী ছটিয়াওঁ
তোমাক ভাল পাওঁ।



# পুষ্পাঞ্জলি

(মাদাৰ টেৰেজাৰ স্মৃতিত)

শ্ৰীপদুম কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

তৃষ্ণাৰ্ত ক্ষুধাৰ্ত মানুহৰ কাৰুণ্যতাৰে ভৰা
কাজল নয়নবোৰলৈ চাই
তুমিযে উচুপিছিলা আই।
লক্ষ লক্ষ অনাথক
প্ৰেমৰ সঞ্জীৱনী মন্ত্ৰৰে
জী তুলিছিলা আই।
সমগ্ৰ বিশ্বতেই ঘৃণনীয়
সিহঁতৰ বিজানুযুক্ত
শেঁতাপৰা মৃতপ্ৰায় দেহবোৰ
তোমাৰ দুহাতৰ অমৃত পাই
পুনঃ জীৱিত হৈ উঠিছিলা আই।
তোমাৰ হৃদয় সমুদ্ৰৰ
চিৰ আলোকময় জ্ঞান মুকুতাৰে
উদ্ভাসিত কৰিছিলা সিহঁতৰ
অজ্ঞতাৰে আৱৰা অবোধ হৃদয়বোৰ।
দাৰিদ্ৰতাৰ গৰলপিয়াসী তুমি
কলৈনো গুছি গ'লা আই
মৰমবোৰ স্মৃতিৰ সমুদ্ৰত ডুবাই।
চিৰশান্তিৰ অনন্ত শয্যাত
কিনো ধিয়াই ধ্যানস্থ হ'লা আই?
অপাৰ বিশ্বৰ কক্ষত বিলোৱা
প্ৰেম আৰু সহানুভুতিবোৰ
বাজি উঠিছে আজি
হৃদয়ৰ মৰ্মস্থল পুলকিত কৰা
অকৃত্ৰিম সুৰৰ মূৰ্চনা হৈ।
সিহঁতৰ নয়নৰ লোটকলৈ চাই
আকৌ আহিবা বুলি তুমি
শান্ত্বনা লভো আই
হৃদয় থাপনাত আশাৰ শলিতা জ্বলাই
সেমেকা চকুৰে নিগৰিত অশ্ৰু বোৱাই
যাচোঁ তোমালৈ অন্তিম শ্ৰদ্ধাৰ পুষ্পাঞ্জলি।



# অভিশপ্ত গোলাপ

শ্ৰীমুকুল পাটোৱাৰী
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

নুবুজা 'আজলী' তই
কাঁইটৰ মাজতে যে, গোলাপৰ প্ৰকাশ।
এৰা! অভিশাপ মাথো এই প্ৰকাশ,
জীৱনৰ সমগ্ৰ সত্তা যত, অপূৰ্ণতা।
ছিঙি-ভাঙি গছকিছে
যত সুঠাম গোলাপ কলিবোৰ
সিক্ত শোণিতৰ বোৱাইছে নই
ক্ষত বিক্ষত শৰীৰৰ
আশাৰ ফুলনিত জ্বলিছে জুই
চৌদিশ মাথো বৰ্বৰতাৰ আলিঙ্গন
ধূৰ্ত দগাবাজৰ আশ্ৰয়ৰ এই স্থল
তথাপি নীৰৱ, নিস্তব্ধ, নিমাত জননী
মুকুতা মণিৰে নিগৰিছে
তপত নয়নাশ্ৰুত দুগালে বাৰম্বাৰ।

নোৱাৰো সহিব 'আজলী' তোমাৰ বেদনা
থাকিব নোৱাৰো আৰু ৰই
আশীৰ্বাদ কৰা, ওলালোঁ বিচাৰি
পাবলৈ 'শান্তিৰ দেশ' মই।
জীয়াই থকাৰ হেঁপাহকণ
তোমাৰ বুলিয়েই নহয়
মোৰো আছিল,
আছিল আৰু বহুতৰে।
আহিব উভতি তোমাৰ কাষত
থাকিবানে ৰই লুইতৰ চিনাকি ঘাটত
আনিদিম হেঁপাহৰ 'শান্তিৰ দেশ'—
মৰমেৰে তোমাৰ হাতত।



# প্ৰেৰণা

মিচ্ বিচিত্ৰা খাখলাৰী
স্নাতক প্ৰথম বৰ্ষ (কলা)

সীমাহীন বেদনাত
পথহাৰা ক্লান্তিত
মই ভাগৰি পৰা নাই।
হতাশাই মোক পংগু কৰা নাই
দুগালত বিন্দু বিন্দু অশ্ৰুৰ কণা দেখি
তুমিতো ভাবিয়ে ল'লা
হৃদয় অৰণ্য জোৰা
নিৰাশাৰ মিশ্ৰিত বেদনাৰ
এয়াই বাহ্যিক প্ৰকাশ
মোৰ দুগালত এয়াতো নহয়
হতাশাৰ অশ্ৰুৰ টোপাল।

শ্মশানত হতাশাৰ ধোঁৱা-ছাই দেখি
বিচাৰি পাইছো
জীৱনৰ অন্বেষণত
জীৱন সংগ্ৰামত
নতুন আশ্বাস
জীয়াই থকাৰ অসীম প্ৰেৰণা
বিন্দু বিন্দু অশ্ৰু কণা।

# নিসংগতাৰ বেদনা

মিচ কাকলি বসুমতাৰী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(বিজ্ঞান)

নিজম ৰাতিবোৰ দেখিলে
মোৰ ভাৱ হয়
কিবা যেন দুখ আছে ৰাতিবোৰৰ
কিবা এটা হেৰুৱাৰ
কিবা এটা নোপোৱাৰ
কিন্তু
তৰাভৰা আকাশখন
জোনটিয়ে যেতিয়া ৰূপালী ৰহণেৰে
মোহনীয় কৰি তোলে
তেতিয়াই
মোৰ ভাৱ হয়
মোৰ দৰে অন্ততঃ
ৰাতিবোৰ নিসংগ নহয়।



ইমান পাতল ইমান স্বচ্ছ
তথাপিও নোৱাৰো ভেদিব
সেয়ে থমকি ৰয় মোৰ দুভৰি,
কেতিয়াবা জানো যাব আঁতৰি
মোৰ মনৰ পৰা
সেই ধূসৰ কুঁৱলী ।

# বনছাই বনছাই

শ্ৰীমান্যবন্ত স্বৰ্গীয়াৰী
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

বনছাইৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে প্ৰকৃততে বনছাইৰ অৰ্থনো কি সেই বিষয়ে আমাৰ কিছু সম্যক জ্ঞান থকাটো উচিত। যিহেতু ভাৰতবৰ্ষত বনছাইৰ আবিৰ্ভাৱ কিছুদিনৰ আগতেহে হোৱা, গতিকে দুই-চাৰিজন ব্যক্তিৰ বাহিৰে আমাৰ বেছি ভাগৰে এই বিষয়ে জ্ঞান নথকাটো স্বাভাৱিক।

বনছাই শব্দটো প্ৰকৃততে জাপানী শব্দ। মূলতঃ ই জাপানী শব্দ হলেও বনছাইৰ উৎপত্তি স্থল চীন দেশতহে কোৱা হয়। কিয়নো আজিৰ পৰা 15.00 বছৰৰ আগতে চীন দেশৰ বুৰঞ্জীত ইয়াৰ বৰ্ণনা স্পষ্টকৈ পোৱা গৈছে। মুঠতে ই দুটা শব্দৰ সংযোজন। বন (Bon) আৰু ছাই (Sai); বন শব্দৰ অৰ্থ হৈছে তৰাংপাত্ৰ (Shallow contains) আৰু ছাইৰ অৰ্থ হ'ল গছ (a plant)। গতিকে মূল অৰ্থত বনছাই হ'ল এনে এটা প্ৰণালী, যাৰ দ্বাৰা কৌশলগতভাৱে কোনো এজোপা গছক ইয়াৰ সমানুপাতিক তৰাংপাত্ৰত, ডাঙৰ গছৰ নিচিনা দেখাত বয়স হোৱাৰ্লৈ চাপৰ কৰি ৰখা। যিহেতু ইয়াৰ অৰ্থই হৈছে প্ৰকৃতিক অনুকৰণ কৰা, গতিকে এই ক্ষেত্ৰত গছজোপাক বিভিন্ন ঠাচত সঁজাবলৈ যথেষ্ট কলাসুলভ (artistic) গুণৰ প্ৰয়োজন।

সাধাৰণতে বনছাইক ইয়াৰ গঠন, আকাৰ, ডালৰ সংখ্যা, কোনো এক সমূহীয়া থোপত (Group) ইয়াৰ সংখ্যা, আদিৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেণী বিভক্ত কৰা হয়। উদাহৰণস্বৰূপে যেতিয়া দৈহিক আকাৰ অনুসৰি (according to its size) শ্ৰেণীভুক্ত কৰা হয় তেতিয়া কেৱল গছজোপাৰ উচ্চতাৰ ওপৰতহে প্ৰাধান্য দিয়া হয়। যেনে—

(ক) ক্ষুদ্ৰ বনছাই (৬ ইঞ্চিতকৈ চাপৰ)
(খ) সৰু বনছাই (৬ ইঞ্চিৰ পৰা ১২ ইঞ্চিৰ ভিতৰত)
(গ) মজলীয়া বনছাই (১৩ ইঞ্চিৰ পৰা ২৪ ইঞ্চিৰ ভিতৰত)
(ঘ) ডাঙৰ বনছাই (২৪ ইঞ্চিৰ পৰা ৪ ফুটৰ ভিতৰত)

ঠিক একেদৰে গছ জোপাক গঠন অনুসৰিও ইয়াক শ্ৰেণী বিভক্ত কৰা হৈছে। আৰু এই ক্ষেত্ৰত বেছিভাগ বনছাই সৰুৰ পৰা মজলীয়া শ্ৰেণীৰ মাজত অন্তৰ্ভুক্ত কৰা হয়। গছজোপা আৰু ডালৰ গঠন অনুসৰি ইয়াক ঘাইকৈ পাছটা ভাগত ভগোৱা হয়। যেনে --

(i) ফৰমেল আপৰাইট (Formal upright)
(ii) ইনফৰমেল আপৰাইট (Informal upright)
(iii) হেলনীয়া বা স্লেন্টিং (Slanting)
(iv) চেমি কেচ্‌কেড্ (Semi Cascade)
(v) কেচ্‌কেড (Cascade)

এতিয়া এজন নশিকাৰুৱে ইয়াক কেনেকৈ আৰম্ভ কৰিব তাৰ কিছু আভাষ দিয়া হ'ল। প্ৰথমে

গছৰ বাচনি কৰোঁতে আহত (Piple), বড়গছ (Boryon), জলফাই (Olive), ফিগ (Fig), ওক (Oak), পাইন (Pine), জুনিফাৰ্চ (Junifers), মেপল (Maple), দেৱদাৰু, এজেলিয়া, কৰদৈ (Kamrat), সুমথিৰা (Citrusmitis), ৰবাবটেঙা (Pomelos), নেমু (lemon), মধুৰি (Guava) আদি প্ৰকৃতিত সহজে পোৱা, নিৰোগী, ভাল দৈহিক গঠনৰ আৰু ইতিপূৰ্বে পুলিৰ পৰা কিছু বছৰ অতিক্ৰম কৰা চাপৰ গছকে বাছি লোৱা হয়। এনেকৈ বাছি লোৱাৰ মূল কাৰণটো হৈছে— যিহেতু এজোপা গছ, পুলিৰ পৰা ডাঙৰ হৈ ফুল বা ফল দিয়া অৱস্থালৈ উন্নিত হোৱালৈকে যথেষ্ট সময়ৰ প্ৰয়োজন, সেয়ে প্ৰকৃতিত সহজে পোৱা ৰোওটাৰ ৰুচিৰ লগত খাপখোৱা চাপৰ বয়সীয়াল গছকে প্ৰাধান্য দিয়া হয়। তাৰোপৰি যিহেতু গছজোপাক ডাঙৰ- দীঘল কৰোতে যথেষ্ট ধৈৰ্য্য (patience), নিপুনতা (skill)ৰ প্ৰযোজন সেয়েহে কেতিয়াবা ধৈৰ্য্যৰ বান্ধ হেৰাই যোৱাটোৱেই স্বাভাৱিক। এই সকলোবোৰ কথা বিবেচনা কৰিয়ে প্ৰকৃতিত সহজে পোৱা (easily available) গছকে বাছি লব লাগে। অৱশ্যে আজিকালি কাটিং (cutting), গ্ৰাফ্টিং (grafting) আৰু কলমধৰা (air layering)ৰ সহায়েৰে বা বিভিন্ন ধৰণৰ ৰাসায়নিক বৃদ্ধিৰোধক (Growth returdent) কৌশল প্ৰয়োগ কৰিও গছ এজোপা কম সময়ৰ ভিতৰতে ৰোওটাৰ ৰুচিবোৰৰ লগত খাপ-খোৱাকৈ সৃষ্টি কৰিব পাৰি।



ব..ছাইৰ পৰিপুষ্টিৰ ক্ষেত্ৰত আমাৰ মাজত বহুটো ভুল ধাৰণা আছে। হয়তো আমাৰ বহুতৰে ধাৰণা যে— গছজোপাক বাঢ়িব নোৱাৰাকৈ চাপৰ কৰি ৰাখিবলৈ ইয়াৰ দৈহিক গঠনত প্ৰয়োজনীয় সকলোবোৰ লাগতিয়াল বস্তুৰ পৰা বঞ্চিত কৰি ৰাখিলেহে যথেষ্ট। কিন্তু সেই ধাৰণাটো ভুল। কিয়নো এজোপা সাধাৰণ গছৰ শ্ৰীবৃদ্ধিৰ লগত গছজোপাৰ মূল (Root) আৰু গা-গছৰ (Shoot-growth) বৃদ্ধিৰ মাজত (balance) থাকিব লাগিব। নহ'লে মূলৰ বৃদ্ধিৰ অবিহনে গা-গছৰ, যিকোনো এক প্ৰকাৰৰ প্ৰয়োজনীয় পুষ্টি কাৰকৰ (nutrient) অভাৱ হ'লেই গছজোপাৰ দেহত্বত (Physiology) বিভিন্ন যে অস্বাভাৱিকতাই (abnormalities) দেখা দিয়ে। যাৰ ফলত গছজোপাৰ সাধাৰণ বৃদ্ধি অস্বাভাৱিক হৈ পৰে। কিন্তু, বনছাইৰ ক্ষেত্ৰত দেখা যায় যে ই আন-আন গছৰ দৰেই বাঢ়ি গৈ, ফল বা ফুল দিয়ে। কেৱল পাৰ্থক্য ইয়াতেই যে ই কেৱল চাপৰ কৈ ৰয়। যিটো একমাত্ৰমূলক এটা ঠেক পৰিৱেশত সাধাৰণভাৱে বৃদ্ধি হ'ব নিদিয়াকৈ ৰখাৰ বাবেই সম্ভৱ হৈছে। কিন্তু, তাৰ অৰ্থ এইটো নহয় যে ইয়াক প্ৰয়োজনীয় পানী বা আহাৰৰ পৰা বঞ্চিত কৰা হৈছে।

বনছাইৰ ৰোওঁতে মাটি (Pot-minture) বাছনিৰ ক্ষেত্ৰত ইয়াত উল্লেখ কৰা কাৰক কেইটাত (factor) বিশেষ গুৰুত্ব দিব লাগে। সদায় বালিচহীয়া মাটি (well drainedsandy loam) বাচি ল'ব লাগে। আলতীয়া মাটি (clay soil) সাধাৰণত ল'ব নালাগে। কাৰণ ই মূলৰ স্বাভাৱিক বৃদ্ধিত বাধা জন্মায়। সৰা লমিয়া (Decedious) গছৰ বাবে মাটিখিনি (Potminture) ২ ভাগ পচা গছৰ পাত বা পীত মাটি (oldrotted leaf mould or peat) আৰু এভাগ বালি (course sand)। ঠিক সেইদৰে কৰ্ণিফাৰ্চ (cernifers) জাতীয় গছৰ বাবে ছ ভাগ বালিচহীয়া Loam) এভাগ পচা

গছৰ পাত পাউমাটি আৰু তিনিভাগ বালি (Oarse sand) হব লাগে।

গছ এজোপা বোৱাৰ মাধ্যমটো ঠিক হোৱাৰ পাছত, এতিয়া ইয়াক কেনেকৈ ৰুব লাগিব বা পৰৱৰ্ত্তী বছৰ কেইটাত ইয়াক কেনেকৈ প্ৰতিপালন কৰিব লাগিব তাৰ বিষয়ে কিছু কোৱা যাওঁক। প্ৰথম বছৰৰ পোনতে যেতিয়া আমি এটা নতুন পুলি ৰুম, তেতিয়া প্ৰথমে ইয়াৰ বয়সীয়াল মূলবোৰ প্ৰয়োজন অনুসৰি কাটি মুঠ তিনি ভাগৰ দুভাগহে মূল ৰাখি গছজোপা পাত্ৰটোৰ (Container) একাষে, সযত্নে বহুৱাই দি মূলবোৰ পৰিপাটিকৈ মেলি দি বাছি লোৱা মাটিৰে (Potminture) প্ৰাত্ৰটো ওপৰৰ কিছু অংশ খালি ৰাখি আটিলকৈ পূৰাই দিব লাগে। গছজোপা মাজত নুৰুই একাষে ৰোৱাৰ অৰ্থ হৈছে মূলৰ বৃদ্ধিটো এটা দিশে নিৰ্দেশ কৰা আৰু গছজোপাক দেখাত অধিক মনোমোহা কৰি তোলা। আকৌ প্ৰাত্ৰটো পূৰ কৰোঁতে মাটিবোৰ প্ৰাত্ৰটোৰ ওপৰ অংশলৈকে তুলি নিদিয়াৰ কাৰণ হৈছে পানী যোগান ধৰাৰ সময়ত অতিৰিক্ত পানী প্ৰয়োগ যাতে ওপৰৰ মাটি উটুৱাই নিব নোৱাৰে।

প্ৰথম বছৰত এবাৰ মূলৰ কলম (Root pruning) অতি প্ৰয়োজন। কিন্তু গছৰ জাতি অনুসৰি কেতিয়াবা দুবাৰো কমল দিয়া হয়। এবছৰ অন্তৰে অন্তৰে মূলৰ কলম দিয়াতো প্ৰয়োজন। গছৰ বৃদ্ধিৰ যি কোনো এটা সময়ত (Stage) মূলৰ কলম দিয়াৰ উদ্দেশ্য গছজোপাক দুৰ্বল কৰাটো নহয় কেৱল কম ঠাইতে সৰহ সংখ্যক সক্ৰিয় মূলৰ সৃষ্টি কৰিবলৈহে এনে কৰা হয়। তাৰোপৰি যদি খুউব স্বাস্থ্যবান ডালৰ সংখ্যা বেছি থাকে তেনেহ'লে তাক আঁতৰাই পেলাব লাগে। অৱশ্যে বেছি সংখ্যক পাত আঁতৰাই দিয়াটো গছজোপাৰ বাবে ক্ষতিকাৰক। গছজোপাৰ পৰা ডালটো যি ঠাইৰ পৰা ওলাই আহে (Growing point) ঠিক সেই ঠাইতে মূল অংশৰ ভিতৰফালে মোৰ খোৱাকৈ (Concave) কাটিব লাগে। এনেকৈ কাটিলে সেইখিনি শুকোৱাৰ পাছত যোৰকৈ কটাঠাইখিনি পূৰ্ণ হৈ দেখাত সাৱধান হৈ পৰে। ঠিক সেইদৰে মূলৰ ক্ষেত্ৰটো, কলম দিয়াৰ সময়ত প্ৰধান মূল ভাগ সদায় মাটিৰ ওপৰৰ অংশলৈকে কাটিব লাগে (Upper Level of Soil)।

দ্বিতীয় বছৰত, পুলিটো লহপহকৈ বাঢ়িবলৈ ধৰে আৰু এই সময়তে মনোযোগৰ প্ৰয়োজন হয়। কাৰণ এই সময়খিনিকেই কলাসুলভ মনেৰে গছডালক বিভিন্ন আকাৰ দিব পাৰি। গছজোপাৰ আকাৰ (Shape) দিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰা হয়। তাৰ ভিতৰত কোমল তামৰ তাঁৰৰ ওপৰত আবৰণ (Coatedarres) দিয়া, পাৰি, তাঁৰ বা সুতাৰ সহায়েৰে গছডালে সহিব পৰাকৈ গধুৰ বস্তু ওলোমাই দি গছডালৰ আকাৰ দিবলৈ যাওঁতে থাকে গছডালত অত্যন্ত জোৰ প্ৰয়োগ বা গছৰ গাত-গা লাগি খোৱাকৈ তাঁৰেৰে বন্ধা নহয়। তাৰোপৰি তাঁৰৰ ব্যৱহাৰ কৰোতে ইয়াৰ ৰংটো গছডালৰ লগত মিলি পৰিব লাগে।

বাৰিষাৰ আগে-আগে বা বাৰিষাৰ মাজভাগত মূলক কলম দিব লাগে। এনে কৰোংতে পাত্ৰটোৰ ওপৰ ভাগৰ কিছু মাটি আঁতৰাই তাত নতুনকৈ ওপৰত কোৱাৰ দৰে, গছৰ প্ৰকাৰ ভেদে পট্ মিস্কাৰে (Pot-mixture) পূৰাই আটিলকৈ গছজোপা পুনৰ স্থাপন কৰিব লাগে। কিন্তু চিৰসেউজ গছৰ বাবে (Evergreen) প্ৰতি 3 ৰ পৰা 5 বছৰৰ ভিতৰত এবাৰ পাত্ৰত মাধ্যম সলনি কৰিলেই হয়। অৱশ্যে ফুল বা ফল দিয়া গছৰ বাবে প্ৰতি বছৰেই পাত্ৰৰ মাধ্যম (Repotting) সলনি কৰা আৱশ্যক। এইদৰে পাত্ৰ বা পাত্ৰৰ মাধ্যম সলনি কৰা সময়টো বাৰিষাৰ আগে আগেই উৎকৃষ্ট। এই প্ৰক্ৰিয়াটোৰ সময়ত কিছুমান কথাত চকু দিয়াটো প্ৰয়োজন। যেনে— পাত্ৰৰ মাধ্যম সলনি

শৰৎ কালত (Autumn) বা বাৰিষাৰ (Spring) আগে-আগে অৰ্থাৎ বসন্ত কালত কেতিয়াও কৰিব নালাগে, যিটো সময়ত গঠজোপাৰ কুঁহিপাতবোৰ মেল খায় বা পাতবোৰ তেতিয়াও চালুকীয়া হৈ থাকে। তাৰোপৰি এইদৰে নতুনকৈ স্থাপন কৰা পাত্ৰ কেতিয়াও পোনপটীয়া চোকা ৰ'দত ৰাখিব নালাগে।

তৃতীয় বছৰত, গছজোপা এটা স্থায়ী আবৰণ (Glazed) কৰা পাত্ৰত স্থাপন কৰিব লাগে। এই ক্ষেত্ৰত আবৰণ দিয়া পাত্ৰৰ ৰংটোৱে যাতে গঠজোপাৰ পাত, ফুল বা ফলৰ লগত বিসদৃশৰ (Clash) সৃষ্টি নকৰে তালৈ লক্ষ্য ৰাখিব লাগে। এনেকৈ গছজোপা স্থায়ীভাৱে ৰুৱাৰ পাছত প্ৰতি বসন্তত (Spring root pruning) পাতলীয়াকৈ মূলৰ কলম দিলেই যথেষ্ট হয়। কিন্তু, অলাগতীয়াল ঠাল, ঠেঙুলীবোৰ ধাৰাবাহিকভাৱে যেতিয়াই প্ৰয়োজন বুলি ভবা হয় কাটি থাকিব লাগে। তাৰোপৰি আঁহত বা বড় জাতীয় গছক দেখাত বেছি বয়সীয়াল কৰিবৰ বাবে গা-গছৰ মাজৰ পৰা বিশেষ প্ৰক্ৰিয়াৰ দ্বাৰাই (By pinching out the bank) স্তম্ভমূলৰ সৃষ্টি কৰিব পাৰি। মাজে মাজে মূলৰ পূৰঠ অংশ মাটিৰ পৰা উলিয়াই (Root emposing) আনিও গছজোপা দেখাত বেছি আদহীয়া কৰিব পাৰি। এই ক্ষেত্ৰত যদি মছ (Mass) জাতীয় উদ্ভিদ, পাত্ৰৰ উপৰিভাগত গজিবলৈ দিয়া হয়, তেতিয়া হ'লে পাত্ৰটো গছজোপাৰ সৈতে অতি মনোমোহা হৈ পৰে।

সাধাৰণ গছৰ দৰে বনছাইকো, বিপাক ক্ৰিয়া সম্পাদনৰ বাবে পানীৰ অতি প্ৰয়োজন। পানী দিওঁতে এটা কথাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে, পানীৰ পৰিমান কেতিয়ও অতি বেছি বা অতি কম হব নালাগে, অতি বেছি পানীয়ে গছজোপাক ডাল-পত্ৰক লহ-পহকৈ বাঢ়ি অহাত সহায় কৰে। কিন্তু আমাৰ উদ্দেশ্য গছজোপাক চনকা (Succulent growth) কৰি তোলা নহয় এট আটিল গঢ় (Compact growth) দিয়াটোহে। অৱশ্যে ইয়াৰ অৰ্থ এইটোও নহয় যে, গছজোপাক আমি প্ৰয়োজনীয় পানীৰ পৰা বঞ্চিত কৰিম, সেয়ে গছজোপাক পানী দিওঁতে সদায় সচেতন হব লাগে। পানী দিওঁতে পোনে পোনে পানী ঢালি দিয়াতকৈ কোনো বহল পাত্ৰ বা ট্ৰেত পানী ৰাখি মূল গছৰ সৈতে পাত্ৰটো আধামানলৈকে ডুব যোৱাকৈ সুমুৱাই দিব লাগে। যেতিয়াই পাত্ৰটো মাটিখিনিয়ে এক বুজন পৰিমাণৰ পানী শুহি লব তেতিয়াই ইয়াক আঁতৰাই আগৰ ঠাইত ৰাখিব লাগে। বাৰিষা দিনৰ বাহিৰে পানী সদায় পুৱাবেলা দিব লাগে। বাৰিষা দিনত যেতিয়াই পাত্ৰৰ মাটি শুকায় তেতিয়াই পানী দিব লাগে।

সামৰণিত কওঁ যে বনছাই এটা সুন্দৰ কলা যাৰ বাবে ধৈৰ্য্য, নিপুনতা আৰু আগ্ৰহৰ প্ৰয়োজন। ইয়াৰ চিত্তাকৰ্ষক অনুশীলনৰ দ্বাৰা, মানসিক প্ৰশান্তি লব পাৰি। বৰ্তমান যুগত জনসংখ্যা বৃদ্ধিৰ লগে লগে মাটিৰ ওপৰত মানুহৰ চাপ বৃদ্ধি পোৱাত আৰু ক্ষীপ্ৰ গতিত চহৰ আদি বাঢ়ি গছবোৰ ক্ৰমে নিঃশেষ হোৱাত প্ৰকৃতিৰ মনোৰম দৃশ্যৰাজি ঘৰতে বহি উপভোগ কৰা একমাত্ৰ উপায় হৈছে বনছাই আৰু অন্যান্য পট্প্লেন্ট (Pot-plant)। আমাৰ অসমত ইয়াৰ প্ৰসাৰ বা উন্নতিৰ যথেষ্ট থল আছে। এইক্ষেত্ৰত অসমৰ জলবায়ু আৰু প্ৰকৃতি অতি উৎকৃষ্ট। গতিকে সকলো দিশৰ গুৰুত্ব বুজি আমি প্ৰত্যেকেই বনছাইৰ নিয়মীয়া অনুশীলন কৰা বৰ্তমান যুগত অতি প্ৰয়োজনীয়।

□□□

# মমতাময়ী মাদাৰ টেৰেছা

মিছ ছামিনা খাতুন
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)



যুগ'শ্লেভিয়াৰ ৰাজধানী বেলগ্ৰেড। এই বেলগ্ৰেড চহৰতে অলপতে (চাৰি-পাঁচ বছৰমান আগতে) গোষ্ঠীনিৰপেক্ষ দেশসমূহৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছিল। বেলগ্ৰেডৰ ওচৰত "স্কপেজ" নামেৰে এখন নগৰ আছে। এই 'স্কপেজ' নগৰতে বাস কৰা মধ্যবিত্ত ব্যৱসায়ী পৰিয়ালত ইংৰাজী ১৯১০ চনৰ ২৭ আগষ্ট তাৰিখে এটি কণ্যা সন্তানৰ জন্ম হয়। তিনিটা সন্তানৰ ভিতৰত তাই কণিষ্ঠা আছিল। মাক-দেউতাকে ছোৱালীজনীৰ নাম ৰাখে এগনিছ গোনাক্সা বেজাক্সিউ। নিজৰ অতুলনীয় মানৱ সেৱাৰ জৰিয়তে এই ছোৱালীজনীয়েই পৰৱৰ্ত্তী কালত "মাদাৰ টেৰেছা" নামেৰে জগত বিখ্যাত হয়।

উপযুক্ত বয়সত অভিভাৱকে এগনিছক পঢ়াশালীত ভৰ্ত্তি কৰি দিয়ে। পঢ়াশুনা কৰাৰ লগতে 'চোডালিটি' নামৰ সমাজ আৰু মানৱ সেৱা সংগঠন এটিৰো তেওঁ সদস্যা হয়। সেই সময়তে যুগোশ্লোভিয়াৰ খৃষ্টীয়ান ধৰ্মপ্ৰচাৰক সকলৰ এটা গোষ্ঠীয়ে ভাৰতৰ কলিকতাত ধৰ্মপ্ৰচাৰ কৰিবলৈ ইচ্ছা কৰে। ইং ১৯২৫ চনৰ ৩০ ডিচেম্বৰৰ দিনা এই ধৰ্মপ্ৰচাৰক সকলৰ প্ৰথম দলটোৱে কলিকতাত উপস্থিত হয়। এই দলটোৰ এগৰাকী সদস্যই কলিকতাৰ পৰা দাৰ্জিলিঙৰ কাৰ্চিয়াঙলৈ যায়। কাৰ্চিয়াঙত তেওঁ চলোৱা প্ৰচাৰ কাৰ্য আৰু তাৰ পৰিবেশ সম্পৰ্কে চিঠিৰে যুগশ্লেভিয়াৰ অধিবাসীসকলক অৱগত কৰায়। কাৰ্চিয়াঙৰ পৰা চিঠিসমূহ এগনিছে পঢ়া স্কুলৰ চোডালিডিৰ সদস্য-সদস্যাসকলক নিয়মিতভাৱে পঢ়ি শুনোৱা হৈছিল। এই চিঠিসমূহে এগনিছৰ মনত বিশেষভাৱে ৰেখাপাত কৰে। ঘৰত কোনো ধৰণৰ অভাৱ-অনাটন নথকা স্বত্তেও সন্যাসিনী হৈ মানৱ সেৱা কৰিবলৈ তেওঁ সিদ্ধান্ত কৰে। পৰিয়ালৰ কোনো মানুহৰে বাধা নামানি ভাৰতলৈ অহাৰ উদ্দেশ্যে আয়াৰলেণ্ডৰ খৃষ্টীয়ান সন্যাসিনীসকলৰ সৈতে যোগাযোগ কৰে। পিতৃ-মাতৃয়ে দিয়া নাম পৰিত্যাগ কৰি 'টেৰেছা' নাম গ্ৰহণ কৰে। যুগশ্লেভিয়াৰ ভাষাত 'টেৰেছা'ৰ অৰ্থ হ'ল মমতা আৰু স্নেহৰ প্ৰতিমূৰ্তি। পিছলৈ এই নামেৰেই তেওঁ জগত বিখ্যাত হৈ পৰে।

আয়াৰলেণ্ডৰ খৃষ্টীয়ান সন্যাসীনি কেইগৰাকীমানৰ সৈতে কুমাৰী টেৰেছাই জাহাজেৰে আহি কলিকতা নগৰত পদাৰ্পন কৰে। ভাৰতৰ মাটিত পদাৰ্পন কৰাৰ পাছত প্ৰথমে তেওঁ দাৰ্জিলিঙলৈ যায়। কিন্তু দাৰ্জিলিঙত তেওঁৰ মন নবহা হেতুকে পুনৰ কলিকতালৈ উভতি আহে। কলিকতাত তেওঁ 'চেণ্টমেৰীজ' হাইস্কুলত ভূগোল বিষয়ৰ অধ্যাপিকা হিচাপে অধ্যাপনা আৰম্ভ কৰে। স্কুলখনৰ কাষতেই মতিঝিল মানৰ এটা জনপূৰ্ণ বস্তি আছিল। গোটেই অঞ্চলটো নিম্নবৰ্গীয় দৰিদ্ৰ জনসাধাৰণৰ বাসস্থান। টেৰেছাই এই অঞ্চলতে জীৱনত প্ৰথম বিপন্নতাৰ সাক্ষাৎ লাভ কৰে। কুমাৰী টেৰেছাই স্কুলত অধ্যাপনা কৰাৰ মাজত আজৰি সময় পালে নিয়মিত ভাৱে মতিঝিল বস্তিলৈ গৈ তাৰ মানুহৰ সতে কথা পাতে। দুখীয়া-নিচলা মানুহৰ অসহায়, কৰুণ তথা বিপন্ন অৱস্থা দেখি তেওঁৰ মনত বৰ দুখ লাগে। নিঃস্ব-দৰিদ্ৰ মানুহক আন্তৰিকতাৰে সেৱা কৰাৰ উদ্দেশ্যে

ইং ১৯৪৮ চনৰ টেৰেছাই কৰ্তৃপক্ষৰ অনুমতি লৈ অধ্যাপিকাৰ চাকৰি ইস্তফা দিয়ে। সেই বছৰৰে ১৮ আগষ্টত তেওঁ খৃষ্টিয়ান চিন্তাৰ সকলে পৰিধান কৰা পোচাক ত্যাগ কৰি নীলা পাৰিৰ বগা কপাহী (ভাৰতীয়) শাৰী আৰু দীঘল হাতৰ বগা কামিজ পিন্ধিবলৈ লয়। অকল সেয়াই নহয়, সেই বছৰতে তেওঁ বিদেশী নাগৰিকত্ব ত্যাগ কৰি ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰে আৰু মনে-প্ৰাণে ভাৰতীয় হৈ পৰে। চাকৰি ইস্তফা দিয়াৰ পিছত ৰোগাক্ৰান্ত দুখীয়া-নিচলা মানুহক সেৱা কৰাৰ সংকল্প গ্ৰহণ কৰে আৰু সংকল্পক সফল কৰি তুলিবলৈ নাৰ্চিঙৰ প্ৰশিক্ষণ লবলৈ পাটনালৈ যায়। প্ৰশিক্ষণ লাভ কৰাৰ পিছত টেৰেছাই পুনৰ কলিকতালৈ ঘূৰি আহে।

'নিৰ্মলা শিশুভৱন' টেৰেছাই মানৱ সমাজলৈ আগবঢ়োৱা এটি অনন্য অৱদান। এই শিশুভৱন স্থাপনৰ যোগেদি তেওঁ টেৰেছাৰ পৰা মাদাৰ টেৰেছা বা মা টেৰেছা হয়। মাদাৰ টেৰেছাই নিষ্পাপ শিশুহঁতক নিৰ্মলা শিশুভৱনলৈ আনি প্ৰতিপালন কৰে। মাদাৰ টেৰেছাই এনে অনাথ শিশুসকলৰ মাজত প্ৰভু যীচুৰ দৰ্শন লাভ কৰে। মুমূৰ্ষূ বা বিপদাপন্ন লোকক সেৱা কৰাটো মাদাৰ টেৰেছাই প্ৰভু যীচুক সেৱা কৰাৰ দৰে জ্ঞান কৰে।

এবাৰ মাদাৰ টেৰেছাই কলিকতা মহানগৰীৰ ফুটপাথেৰে গৈ থাকোতে এগৰাকী মৰনাসন্ন মহিলাক মূমূৰ্ষ অৱস্থাত পৰি থকা দেখিবলৈ পায়। মানুহকৰাকীৰ গোটেই গাটো পৰুৱা আৰু নিগনীয়ে কুটি কুটি খাই পেলাইছিল। মহিলাগৰাকীৰ এনে করুণ অৱস্থা দেখি মা' টেৰেছাৰ মমতাৰে ভৰা হৃদয় দ্ৰবীভূত হৈ পৰে। তেওঁ এখন ঠেলাত তুলি মহিলাগৰকীক শুশ্ৰুষা কৰিবলৈ চিকিৎসালয়লৈ লৈ যায়। কিন্তু কোনো হস্পিতালৰ ডাক্তৰেই সেই ৰোগীনীক হস্পিতালত ভৰ্তি কৰিবলৈ মান্তি নহ'ল। ডাক্তৰ নাৰ্চসকলৰ এনে নিষ্ঠুৰ ব্যৱহাৰ দেখি মাদাৰ টেৰেছাই সত্যাগ্ৰহ কৰে। নিৰুপায় হৈ হস্পিতালৰ ডাক্তৰে মহিলা গৰাকীক ভৰ্তি কৰি লয় আৰু চিকিৎসাৰ ব্যৱস্থা কৰি দিয়ে।

মাদাৰ টেৰেছাৰ অদম্য উৎসাহ, অসীম মনোবল আৰু হৃদয়ৰ অপত্য চেনেহত গঢ়লৈ উঠা কুষ্ঠৰোগ আশ্ৰম, শান্তিনগৰ দুৰ্ভগীয়া মানুহৰ বাবে স্বৰ্গস্বৰূপ হৈ পৰে। মাদাৰৰ এই মহান কামৰ প্ৰতি সঁহাৰি জনাই আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন আদি ধনী দেশবোৰে দৰৱ আৰু টকা পইচাৰ সাহায্য পঠিয়াই সহায়ৰ হাত আগবঢ়াইছে। মানৱ দৰদী টেৰেছাই কুষ্ঠৰোগী সকলক সেৱা শুশ্ৰুযা কৰাৰ ব্যৱস্থাবোৰ দেখি ষষ্ঠ পোপ পল মুগ্ধ হৈ পৰিছিল। ১৯৬৪ চনত পোপ প'লে ভাৰতলৈ ভ্ৰমণ কৰিবলৈ আহে আৰু স্বদেশলৈ ঘূৰি যোৱাৰ সময়ত গাড়ীখন মাদাৰ টেৰেছাক উপহাৰ দি যায়। মমতাময়ী মাদাৰ টেৰেছাই সেই গাড়ীখনেৰে লটাৰী খেলাই লাভ কৰা কেইবালাখ টকা তেওঁ কুষ্ঠৰোগীসকলৰ আশ্ৰমত খৰচ কৰিছিল। অতুলনীয় ধৈৰ্য্য আৰু মমতাৰ প্ৰতিমূৰ্ত্তি মাদাৰ টেৰেছাই নিজ হাতেৰে কুষ্ঠৰোগীসকলৰ ঘাঁ ধোৱাই দি দৰৱ লগাই দিছিল।

মাদা টেৰেছাৰ নিৰন্তৰ প্ৰয়াসৰ বাবেই আজি কালিঘাট, দমদম, তিলজলা, শান্তিনগৰ দিল্লী, মুম্বাই আদি বহুতো ঠাইত মানৱ সেৱাৰ অনুষ্ঠান "মিচনেৰীজ অফ চেৰিটিজ" প্ৰায় ৭০/৮০ টা মান সেৱা কেন্দ্ৰত মানৱ সেৱাৰ কাম চলি আছে। সেয়েহে মমতাময়ী মাদাৰ টেৰেছা এতিয়া আৰু মাথো এগৰকী নাৰী নহয় এটি অমৰ সংগঠন। ১৯৭৯ চনত মাদাৰে তেওঁৰ সমাজ সেৱামূলক কামৰ স্বীকৃতিস্বৰূপে "শান্তিৰ নবেল বঁটা" লাভ কৰে। উল্লেখযোগ্য যে এই বঁটা হিচাপে লাভ কৰা আৰ্থিক পুৰস্কাৰো তেওঁ দুৰ্গতজনৰ সাহায্যাৰ্থে ব্যয় কৰে। ১৯৮০ চনত ভাৰত চৰকাৰে দেশৰ শ্ৰেষ্ঠতম সন্মান "ভাৰত ৰত্ন" প্ৰদান কৰি মাদাৰক সন্মান জনোৱাৰ লগতে নিজেও ধন্য হৈছিল। ১৯৮২ চনত ইজৰাইল আৰু পেলেষ্টাইনৰ যুদ্ধত যুদ্ধ বিধ্বস্ত বেইৰুটৰ এক চিকিৎসালয়ত আবদ্ধ ৩৬ টা প্ৰতিবন্ধী শিশুক উদ্ধাৰৰ বাবে ইজৰাইল আৰু পেলেষ্টাইনক গুলিয়াগুলি বন্ধ কৰিবলৈ মাদাৰ টেৰেছাই সন্মত কৰায়।

১৯৯৬ চনত মাদাৰে দুবাৰকৈ হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হবলগীয়া হৈছিল। তেওঁৰ শৰীৰত বাইপাছ ছাজৰী কৰা হৈছিল। ইতিমধ্যে তেওঁৰ দেহত এটা কৃত্ৰিম হৃদযন্ত্ৰ স্থাপন কৰা হৈছিল। ১৯৯০ চনত চিকিৎসাধীন হওঁতে বিশ্ববাসীয়ে তেওঁৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিছিল।

১৯৯৭ চনৰ ৫ চেপ্তেম্বৰ, এটি নিষ্ঠুৰ নিশা যিয়ে সমগ্ৰ বিশ্ববাসীক মাতৃহাৰা কৰিলে। সিদিনা আছিল শুক্ৰবাৰ। কলিকতাৰ "মিচনেৰীজ অফ চেৰিটিজ"ৰ মুখ্য কাৰ্য্যালয়ৰ বাসভৱনত নিশাৰ আহাৰ গ্ৰহণ কৰাৰ সময়তো মাদাৰ আছিল সম্পূৰ্ণ স্বাভাৱিক। আনদিনাৰ দৰেই আহাৰ গ্ৰহণ কৰি তেওঁ দহ মিনিট সময় প্ৰাৰ্থনা কৰিছিল। তাৰ পিছত "নান" সকলক কেতবোৰ দিহা পৰামৰ্শ দি ৰাতিটোৰ বাবে মাদাৰে তেওঁলোকক বিদায় জনালে। ঠিক সেই সময়তে মাদাৰে অসুস্থতা অনুভৱ কৰে। চিকিৎসক আৰু "নান" সকলৰ আপ্ৰাণ প্ৰচেষ্টায়ো মাদাৰৰ সম্বিত ঘূৰাই আনিবলৈ সক্ষম নহ'ল। জীৱনত বহু লাঞ্চনা গঞ্জনা মূৰ পাতি লৈও নিঃশব্দে নীৰৱ অভিমানেৰে মাদাৰে মেলানি মাগিলে। সমগ্ৰ বিশ্বকে শোকাভূত কৰি নিৰ্বাপিত হ'ল ভাৰতৰ গৌৰৱ জ্যোতি। জীৱনৰ অন্তিম মুহূৰ্ত্তৰ সম্বাদ কাকো নজনোৱাকৈ সম্পূৰ্ণ মাতৃত্বৰ প্ৰতীকি ৰূপত এই অতলান্ত সমুদ্ৰও নিঠৰ হ'ল— আমি অনাথ হলো জীৱনৰ বাবে।

ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি শ্ৰী কে. আৰ. নাৰায়ণে মাদাৰ টেৰেছাক "কৰুণাৰ দূত" বুলি অভিহিত কৰিছে। মাদাৰ টেৰেছা, সঁচাকৈয়েই তুমি ধন্যা! তুমি অনন্যা! তোমাৰ গুণৰাজিয়ে বিশ্বৰ বুকুত সদায় মানৱতাৰ বিমল জ্যোতি বিলাব আৰু সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি সকলো মানুহেই যে এক ঈশ্বৰৰ সৃষ্টি তাক বাৰে বাৰে আমাক সোঁৰৰাই দিব। হে' নৰকৰ স্বৰ্গদূত মা' তোমাৰ আত্মাৰ সদ্‌গতিৰ বাবে আমি বিশ্ববাসীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।



(প্ৰবন্ধ)

# ৰঞ্জন ৰশ্মি (X-Rays)

শ্ৰীগোবিন্দ ৰায়
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

1895 চনত জাৰ্মান বিজ্ঞানী ৰণ্টজেনে ঘটনাক্ৰমে লক্ষ্য কৰে যে কেথড ৰশ্মিৰ প্লেটিন চাইনাইড যুক্ত পাত এখন প্ৰতিভাত হৈ পৰে। কেথড ৰশ্মিৰ নলীটো নিষ্ক্ৰীয় হ'লে পাতখনৰ প্ৰভাৱ লুপ্ত হয়। তেওঁ সিদ্ধান্ত কৰে যে কেথড ৰশ্মিৰ নলীটোৰ পৰা অতি শক্তিশালী ৰশ্মি নিৰ্গত হোৱা বাবে এইটো সম্ভৱপৰ হৈছে। এই ৰশ্মিৰ প্ৰকৃতি সেই সময়ত অজ্ঞাত থকা বাবে ইয়াক "এক্স-ৰে" বোলা হৈছিল।

উৎপত্তি (origin) ঃ অতি বেগী ইলেকট্ৰন এটাই টান ধাতুৰ লক্ষ্যত খুন্দা মাৰিলে তাৰপৰা ৰঞ্জন ৰশ্মি পোৱা যায়। চিত্ৰত দেখুওৱাৰ দৰে তীব্ৰবেগী ইলেকট্ৰনটো লক্ষ্যৰ পৰমাণুৰ ভিতৰত সোমাই পৰিলে নিউক্লিয়াছৰ প্ৰবল আকৰ্ষণৰ বাবে তাৰ গতি মন্থৰ হয়। হ্ৰাস পোৱা শক্তি ৰঞ্জন ৰশ্মিলৈ ৰূপান্তৰিত হয়। ভৰবেগৰ সংৰক্ষণৰ বাবে ইলেকট্ৰনটো এফালে আৰু ফটনটো আনফালে গতি কৰে। V-বেগেৰে অহা ইলেকট্ৰনটোৰ বেগ যদি $v^1$ হয়, ফটনৰ শক্তিৰ পৰিমাণ




$$h\nu = \tfrac{1}{2}mv^2 - \tfrac{1}{2}mv'^2$$

শক্তিৰ হ্ৰাস যিমানে হ'ব, ফটনৰ শক্তি বা কম্পনাংক ν (নিউ)ও সিমানে বাঢ়িব। ইলেকট্ৰনটো ৰৈ গ'লে এই কম্পনাংকৰ মান সৰ্বোচ্চ হয়।

এই পৰিঘটনাক মন্দন বিকিৰণ বোলে। এই ক্ষেত্ৰত এটা পৰিসৰৰ ভিতৰত বিভিন্ন কম্পনাংকৰ ফটন নিৰ্গত হয়। মন কৰিবলগীয়া যে এই ধৰণে পোৱা ৰঞ্জন ৰশ্মি লক্ষ্যবস্তুটোৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ নকৰে। নলীৰ কেথড আৰু এনডৰ মাজৰ বিভৱ ভেদৰ ওপৰতহে ই নিৰ্ভৰ কৰে।

**ধৰ্ম (Properties) ঃ**

(1) দৃশ্যমান পোহৰৰ দৰে ই বিদ্যুৎ চুম্বকীয় তৰংগ। কিন্তু ইয়াৰ তৰংগদৈৰ্ঘ্য $10^{-8}$ cm পৰিসৰৰ ভিতৰত।

(ii) ইয়াৰ বেগ পোহৰৰ বেগৰ সমান অৰ্থাৎ $3\times10^8$ m/sec.।

(iii) ই ফ'টগ্ৰাফিক প্লেটত পোহৰৰ দৰে ক্ৰিয়া কৰে।

(iv) চৌম্বক বা বিদ্যুত ক্ষেত্ৰৰ দ্বাৰা ইয়াৰ বিচ্যুতি ঘটাব নোৱাৰি। গতিকে ইয়াৰ কোনো আধান নাথাকে।

(v) কিছুমান ধাতুত ই আলোক বিদ্যুত ক্রিয়া প্রদর্শন কৰে।

(vi) গেছৰ মাজেৰে গ'লে গেছ আয়নীত হয়।

(vii) কেৰিয়াম, কেডমিয়াম, জিংক ছালফাইড আদিৰ প্রলেপৰ ওপৰত ই প্রতিপ্রভাৰ সৃষ্টি কৰে।

(viii) অনুকূল পৰিবেশত ই প্রতিফলন, প্রতিসৰণ, সমাৰোপন, অপৱৰ্তন প্রভৃতি প্রদর্শন কৰে।

(ix) ইয়াৰ ভেদী ক্ষমতা অতি বেছি। দৃশ্যমান পোহৰৰ বাবে অদৃশ্য বহুত বস্তুৰ মাজেৰে ই পাৰ হ'ব পাৰে। কিন্তু ডাঠ ধাতুৰ পাত বা হাড়ৰ মাজেৰে ই পাৰ হ'ব নোৱাৰে।

(x) ই জীৱিত কোষ ধ্বংস কৰে। বেছি সময় ৰঞ্জন ৰশ্মি আপতিত হ'লে তেজৰ শ্বেত ৰক্তকণিকা ধ্বংস হয় আৰু ছাল ৰঙা পৰে।

## ব্যৱহাৰ (Uses) ঃ

(I) চিকিৎসা বিজ্ঞান ঃ ৰঞ্জন ৰশ্মিৰ আটাইতকৈ বহুল প্রয়োগ হয় চিকিৎসা বিজ্ঞানত। ইয়াক দুই ধৰণে ব্যৱহাৰ কৰা হয়।

ৰঞ্জন ৰশ্মিয়ে জীৱিত কোষ ধ্বংস কৰে। গতিকে কেন্সাৰ টিউমাৰ আদিত বহুত সময় ৰঞ্জন ৰশ্মি পেলালে আক্রান্ত অঞ্চলৰ অবাঞ্চিত কোষবোৰ ধ্বংস হয় আৰু বেমা নিৰাময় হয়। কিছুমান চৰ্মৰোগতো এই ব্যৱস্থা লোৱা হয়।

শল্য চিকিৎসাত এই ৰশ্মিৰ ব্যৱহাৰ অতি বেছি। ই ফট'গ্ৰাফিক ফলিত ক্রিয়া কৰে। আনহাতে ছাল আৰু মাংস ইয়াৰ বাবে স্বচ্ছ। কিন্তু হাড় আস্বচ্ছ। গতিকে ৰঞ্জন ৰশ্মিৰ সহায়ত ফট' ল'লে স্থানচ্যুত বা ভগা হাড়ৰ অৱস্থান, পেটত হোৱা পাথৰ, ফুচফুচ বা কিডনীত হোৱা ক্ষয়ক্ষতিৰ বিষয়ে সবিশেষ জনা যায়। ফট'ৰ ফলক ডেভেলপ কৰিলে তাত হাড় আদি স্পষ্টকৈ দেখা যায়। অৱশ্যে পাকস্থলী আদিত এই ব্যৱস্থা কাৰ্য্যকৰী নহয়।

(II) তদন্ত কাৰ্য্য ঃ বিস্ফোৰক দ্রব্য, মূল্যবান মণি মুকুতা আদি বা চোৰাং বেপাৰীৰ পণ্য সামগ্রী ধৰা পেলাবলৈ ৰঞ্জন ৰশ্মি ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত বাকচ বা পাৰ্চেলত থকা বস্তুৰ ফৰ্ট লোৱা হয়। তাৰোপৰি মুদ্রা তৈয়াৰ কৰা কাৰখানাত কৰ্মীসকলৰ তালাচীৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়।

(IV) উদ্যোগ ঃ টেনিচ বল, ৰেডিওভালভ, টায়াৰ আদিৰ কাৰখানাত উৎপাদিত সামগ্রীৰ খুঁত ধৰা পেলাবলৈ ৰঞ্জন ৰশ্মি ব্যৱহাৰ কৰা হয়।

(V) ইঞ্জিনিয়াৰিং ঃ বিভিন্ন নিৰ্মানকাৰ্য্য; যন্ত্ৰপাতিৰ ভিতৰৰ অংশ বা ধালাই কাৰ্য্যত হ'ব পৰা সম্ভাব্য খুঁত আদি উলিয়াবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

(VI) গৱেষণা ঃ স্ফটিকৰ গঠন, জটিল অনুৰ বিশ্লেষণ আৰু মণি মুকুতা আদিৰ বিশুদ্ধতা নিৰ্ণয় কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

## একক (unit) ঃ

ৰঞ্জন ৰশ্মি বিকিৰণৰ একক হ'ল ৰণ্ট্জেন। স্বাভাৱিক চাপ আৰু তাপ (N.T.P.) ত এক স্তি.বৈ. আধান সম্পন্ন আয়ন সৃষ্টিৰ বাবে প্রয়োজনীয় ৰঞ্জন ৰশ্মিক এক ৰণ্টজেন বোলে।

(সহায় লৈ)

# AIDS ৰোগ আৰু মানৱ সভ্যতাৰ প্ৰতি ইয়াৰ প্ৰত্যাহ্বান

শ্ৰীজ্যোতিৰ্ময় চক্ৰৱৰ্তী
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

একৈশ শতিকাৰ দুৱাৰডলিত উপনীত হোৱা মানৱ সভ্যতা বিভিন্ন ৰাজনৈতিক চক্ৰান্তত জুৰুলা হৈ পৰিছে। পৃথিৱীৰ প্ৰায়বোৰ দেশতেই নানা ধৰণৰ ৰাজনৈতিক অস্থিৰতাই মূৰ দাঙি থিয় দিছে। তথাপিও পৃথিৱীৰ কিছুমান অংশ এই প্ৰভাৱৰ পৰা বৰ্তমানেও মুক্ত আছে। কিন্তু এনে এক অস্থিৰ অৱস্থাৰ মাজতে পৃথিৱীৰ প্ৰতিখন দেশতেই এক আচহুৱা মাৰাত্মক ব্যাধিয়ে হঠাৎ এনে বিস্তৃতভাৱে পৰিবৰ্ধিত হৈছে যে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানীবোৰেও ইয়াৰ প্ৰতিৰোধৰ উপায় উদ্ভাৱন কৰিব পৰা নাই। আনহাতে এই ব্যাধিৰ কবলত পৰা ৰোগীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰিছে আৰু নিশ্চিত মৃত্যুৰ ফালে আগবাঢ়িছে। এই ভয়াবহতাৰ বিষয়ে ইমান দূৰ জনাৰ পিছত আমাৰ সকলোৰে মাজত নিশ্চয় এটা প্ৰশ্নৰ জাগৰণ হৈছে। এই ব্যাধিটোনো কি? বিশ্ব মহামাৰীৰ ৰূপ ধাৰণ কৰা এই ভয়ঙ্কৰ ৰোগটোৰ নামাকৰণ AIDS বুলি অভিহিত কৰা হৈছে। চাৰিটা মাত্ৰ ইংৰাজী আখৰেৰে গঠিত এই সৰু শব্দটোৱে এতিয়া মানুহৰ গাৰ নোম সিয়ৰাই দিয়ে।

AIDS হৈছে এক ভাইৰাছৰ পৰা হোৱা ৰোগ। ভাইৰাছ হৈছে এবিধ অতিক্ষুদ্ৰ আনুবীক্ষনিক অনুজীৱ। ই ইমানেই ক্ষুদ্ৰ যে কেৱল ইলেকট্ৰন মাইক্ৰ'স্কোপেৰেহে ইয়াক চিনাক্ত কৰিব পাৰি। এই AIDS ৰোগ সৃষ্টি কৰা ভাইৰাছ বিধৰ নাম হৈছে " Human Immune Deficiency Virces"। সংক্ষেপে ইয়াক HIV বুলি কোৱা হয়। এই ৰোগৰ আন এটা নাম হৈছে। Silent Epidemic বা নীৰৱ মহামাৰী। এই AIDS ৰোগ কেতিয়াৰ পৰা আৰম্ভ হ'ল তাক সঠিকভাৱে নাজানিলেও 1959 চনত মধ্য আফ্ৰিকাৰ জাইৰিৰ কিনছাহছা নামৰ চহৰত এই ৰোগ দেখা যায় বুলি বিভিন্ন লেখনিত প্ৰকাশ। তেতিয়া কিন্তু ইয়াৰ চিনাক্তকৰণ হোৱা নাছিল।

1980 চনত আমেৰিকাৰ বিজ্ঞানী ৰবাৰ্ট গেলোৱে AIDS ৰোগ সৃষ্টিকাৰী ভাইৰাছ বিধ চিনাক্ত কৰে। তেওঁ ইয়াৰ নাম দিয়ে HTLV-III (Human T-Lymyrhotrophic Virus-III) 1982 চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এটলান্টাত থকা 'Centre for Disease Control Research Institute' নামৰ অনুষ্ঠানটোৱেও এই ভাইৰাছ বিধক চিনাক্ত কৰে। 1983 চনত পেৰিছৰ (ফ্ৰান্স) পেষ্টিউৰ ইনষ্টিটিউতৰ গৱেষক লা মন্টগিয়াৰে (মন্টোনিয়াত?) এই ভাইৰাছ এজন সমকামী ব্যক্তিৰ দেহত ধৰা পেলায়। তেওঁ ইয়াৰ নাম LAV (Lymphedew pathy Associated Virus) দিয়ে। 1983 চনতেই চানফ্ৰান্সিচকোৰ লেভি নামৰ বৈজ্ঞানিকজনেও এই ভাইৰাছ ধৰা পেলায়। তেওঁ ইয়াৰ নাম ARV ৰাখে। পিছত 1986 চনতহে International Committee of Taxonomy য়ে এই ভাইৰাছ বিধক HIV (Human Immuno Deficiency Virus) নামাকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ইলেকট্ৰন অনুবীক্ষণ যন্ত্ৰেৰে চালে এই ভাইৰাছক প্ৰায় গোলাকৃতিৰ দৰে দেখা যায়। ইয়াৰ আকাৰ প্ৰায় 100 মিলিমাইক্ৰন (1 মিলিমাক্ৰন = 1/1000 মাইক্ৰন 1/100000 মিলিমিটাৰ।

HIV ভাইৰাছটো এটা প্ৰটিন কেপচুল আৰু তাৰ ভিতৰত এডাল RNA সূত্ৰ থাকে। এই ভাইৰাছবোৰক ৰেষ্ট্ৰোভাইৰাছ বুলি কোৱা হয়। জন্তুৰ দেহত এই ভাইৰাছ 1910 চনতেই আবিস্কৃত হৈছিল। আন জীৱকোষৰ মাজতহে এই ভাইৰাছে বংশ বৃদ্ধি কৰিব পাৰে। HIV ভাইৰাছ দেহত প্ৰবেশ কৰাৰ পিছত মানুহৰ দেহত থকা লসীকা কোষ বিশেষকৈ T-lymphocyte cell G থকা $CD_4$ নামৰ এবিধ গ্ৰাহকত লাগি ধৰে। গ্ৰাহককোষ (Holl cell) ৰ সংস্পৰ্শলৈ অহাৰ পিছত এই ভাইৰাছৰ RNA ৰিৰ্ভচি ট্ৰেন্সক্ৰিপটেছ বোলা এনজাইমৰ সহায়ত DNA লৈ পৰিৱৰ্তিত হয়। এই ভাইৰেল DNA, আশ্ৰয়দাতা কোষৰ কোষকেন্দ্ৰত থকা DNA ৰ লগত লগ লাগে। কিছুদিন এনেকৈয়ে সংহতি পূৰ্ণভাৱে থকাৰ পিছত ভাইৰাছৰ DNA অংশটোৱে নিজৰ বংশ চৰিত্ৰৰ বাহক RNA প্ৰস্তুত কৰে। নতুনকৈ নিৰ্মান হোৱা RNA বোৰৰ চাৰিওফালে পূৰণ কেপচুল তৈয়াৰ হয় আৰু তেতিয়াই এটা নতুন ভাইৰাচৰ গঠন সম্পূৰ্ণ হয়। এই নতুন ভাইৰাছটোৱে আশ্ৰয়দাতা কোষটো ভাঙি ওলাই আহে আৰু পুনঃ আন কোষৰ লগত সংযুক্ত হৈ পৰে। তীব্ৰ গতিত সংঘটিত হোৱা এই প্ৰক্ৰিয়াৰ ফলত প্ৰতিৰোধী কোষ সমূহ এটাৰ পিছত এটাকৈ ধ্বংস হব ধৰে। এনেকৈয়ে ভাইৰাছে আক্ৰমণ কৰাত ৰোগীজনৰ দেহৰ প্ৰতিৰোধ ব্যৱস্থাটো বিকল হৈ পৰে। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে এই ভাইৰাছবোৰে প্ৰথমতে ৰোগীৰ প্ৰতিৰোধী ব্যৱস্থাত নিয়োজিত কোষবোৰৰ লগতহে সংযুক্ত হয় আৰু সেইবোৰ এটা সময়ত এটা এটাকৈ ধ্বংস কৰে।

বৰ্ত্তমানলৈকে বিজ্ঞানীসকলে দুই প্ৰকাৰৰ AIDS ৰোগ সৃষ্টিকাৰী ভাইৰাছ আবিস্কাৰ কৰিছে।

(I) HIV আৰু (II) $HIV_2$ $HIV_1$ ভাইৰাছবিধ পোন প্ৰথমে 1983 চনত আৱিস্কাৰ কৰা হয়। এই HIV ভাইৰাছ সঠিককৈ ক'ৰ পৰা আহিল কব নোৱাৰিলেও চিম্পাঞ্জীৰ দেহত পোৱা ইমিউন ডেফিচিয়েঞ্চি ভাইৰাছ এবিধৰ পৰাই এই ভাইৰাছ বিধ অহা বুলি সন্দেহ কৰা হৈছে।

আকৌ $HIV_2$ ভাইৰাছবিধ পোন প্ৰথমে 1986 চনত পশ্চিম আফ্ৰিকাত আৱিস্কাৰ কৰা হৈছিল। এই ভাইৰাছবিধৰ আনবিধ গঠন আফ্ৰিকাৰ বান্দৰত থকা ছিমিয়ান ইমিউন ডেফিছিয়েঞ্চি ভাইৰাছৰ পৰাই অহা বুলি অনুমান কৰা হৈছে।

যদিওবা AIDS ৰোগ সংক্ৰামক তথাপিও কিন্তু এই ৰোগ কেইটামান বিশেষ প্ৰক্ৰিয়াৰ মাজেৰেহে সংক্ৰমন হব পাৰে। সেইকেইটা হৈছে—

1. অবৈধ যৌন ক্ৰিয়াৰ ফলত।
2. HIV ভাইৰাছৰ দ্বাৰা দূষিত বেজী কেইজনেও ব্যৱহাৰ কৰিলে।
3. সংদূষিত তেজ আৰু তেজজাত দ্ৰব্যত সংচৰণ (Transfusion) কৰিলে।
4. HIV ত আক্ৰান্ত কোনো ব্যক্তিৰ অংগ অন্য সুস্থ লোকৰ দেহত প্ৰতিস্থাপন কৰিলে।
5. গৰ্ভৱতী মাতৃৰ পৰা গৰ্ভজাত সন্তানলৈ যোৱা।

এইবোৰৰ ভিতৰত বৰ্তমান যৌন ক্ৰিয়াৰ ফলতেই শতকৰা 60 ৰ পৰা 70 ভাগ লোক HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয়। AIDS ত আক্ৰান্ত ব্যক্তিৰ দেহৰ জলীয় ভাগতহে (Body Fluids) এই ভাইৰাছ থাকে। সাধাৰণতে তেজ যৌনৰসত (পুৰুষৰ শুক্ৰৰস আৰু মহিলাৰ যৌনাঙ্গ ৰ ৰসত (Veginal Fluid) এই ভাইৰাছ বহু বেছি ঘনত্বত থাকে। সেইবাবে যৌন প্ৰক্ৰিয়াৰে এই ভাইৰাছ এজনৰ পৰা আন এজনলৈ সহজে সংক্ৰামিত হব পাৰে।

AIDS ৰোগত আক্ৰান্ত ব্যক্তিৰ লালটিতো সামান্য পৰিমাণে এই HIV ভাইৰাছ থাকিব পাৰে।

কিন্তু বৰ্তমানলৈ পোৱাতথ্য অনুযায়ী লালটিৰ দ্বাৰা আক্ৰান্ত হবলৈ কমেও 4.5 লিটাৰ লালটি লাগিব।

আকৌ HIV ভাইৰাছৰ দ্বাৰা দূষিত বেজী ভালকৈ ষ্টেৰিলাইজ নকৰিলে এই ভাইৰাছ বিধ ধ্বংস নহয় আৰু ফলস্বৰূপে সেই বেজী আন এজনৰ শৰীৰত ব্যৱহাৰ কৰিলে সেই ব্যক্তিজনো HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয়। ইয়াত এটা কথা কোৱা ভাল হব যে HIV ভাইৰাছে তাপ সহ্য কৰিব নোৱাৰে। $100^0$ ছেলছিয়াছ উষ্ণতাত 1 ছেকেণ্ডত আৰু $56^0$ ছেলছিয়াছ উষ্ণতাত 30 মিনিটত এইবিধ ভাইৰাছ ধ্বংস হয়।

আনহাতে গৰ্ভত থাকোতে বা ভূমিস্থ হোৱাৰ সময়ত মাকৰ তেজ নৱজাত বা গৰ্ভজাত শিশুটোৰ তেজৰ লগত বিনিময় হ'লে HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হব পাৰে। AIDS ৰোগত আক্ৰান্ত মাতৃৰ গাখীৰ খোৱা শিশুৰ 40% ৰে এই ৰোগে দেখা দিয়ে।

AIDS ৰোগীৰ সৈতে কৰমৰ্দন কৰিলে, তেওঁৰ গা-স্পৰ্শ কৰিলে, চুমা খালে, তেওঁৰ কাপোৰ ব্যৱহাৰ কৰিলে, একেখন বিচনাতে শুলেও আনকি তেওঁ খোৱা পাত্ৰৰ পৰা খালেও AIDS হব নোৱাৰে।

HIV ভাইৰাছ দেহত প্ৰবেশ কৰাৰ লগে লগে AIDS নহয়। এই ভাইৰাছ দেহত প্ৰবেশ কৰা প্ৰক্ৰিয়া সমূহৰ ওপৰত নিৰ্ভৰ কৰি AIDS ৰোগ হোৱা সময়ৰো তাৰতম্য হয়। যেনে- যৌন ক্ৰিয়াৰ ফলত ভাইৰাছ দেহত প্ৰবেশ কৰাৰ 3 বছৰমান পিছত, তেজ সংচৰণৰ দ্বাৰা প্ৰবেশ কৰিলে 4 বছৰমান পিছত আৰু অংগ প্ৰতিস্থাপন কৰাৰ ফলত ভাইৰাছ দেহত প্ৰবেশ কৰাৰ কেইমাহমানৰ পিছতে AIDS ৰোগ আৰম্ভ হয়। HIV ভাইৰাছ দেহত প্ৰবেশ কৰৰ 14 বছৰ পিছতো AIDS ৰ লক্ষণ দেখা দিব পাৰে।

AIDS ৰোগৰ প্ৰকৃততে নিজা কোনো লক্ষণ নাই। শৰীৰৰ ওজন দ্ৰুতগতিত হ্ৰাস পোৱা (প্ৰতিমাহত প্ৰায় 10%) নিউমনিয়া, মুখ, গুহ্যদ্বাৰ আদিত বিশেষ ধৰণৰ ঘাঁ, লসীকা-গ্ৰন্থিৰ প্ৰদাহ আদি লক্ষণবোৰ এজন পূৰ্ণ পৰ্য্যায়ৰ AIDS ৰোগীৰ শৰীৰত দেখা দিয়ে। AIDS ৰোগ চিনাক্ৰকৰণৰ বাবে বৰ্ত্তমানলৈ দুটা পদ্ধতি উদ্ভাৱন কৰা হৈছে। যেনে—

(i) এলিছা টেই (Enzyme Linked Immuno Sorbant Assay) আৰু

(ii) ওৱেষ্টাৰ্ন ব্লট টেষ্ট।

কোনো ব্যক্তিৰ দেহত যদি AIDS ৰ লক্ষণে দেখা দিয়ে তেতিয়া প্ৰথম অৱস্থাত 'এলিছা টেষ্ট' কৰা হয়। এই পৰীক্ষাত ধৰা পৰিলে 'ওৱেষ্টনি ব্লট টেষ্ট' সঠিকভাৱে নিৰ্ণয় কৰা হয়।

আমেৰিকাৰ টেক্সাছ বিশ্ববিদ্যালয়ৰ অনুজীৱ বিজ্ঞান বিভাগে AIDS ৰোগ নিৰ্ণয় কৰিবলৈ 'মাইক্ৰস্লাইড এলিছা' নামৰ নতুন পদ্ধতি এটা আবিস্কাৰ কৰিছে। মাত্ৰ 1 1/2 ঘন্টাৰ ভিতৰতে আৰু কম খৰছতে এই পদ্ধতিৰ সহায়ত সহজে HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা ব্যক্তি চিনাক্ত কৰিব পাৰি। AIDS ৰোগৰ পৰা নিশ্চিতভাৱে আৰোগ্য হব পৰাকৈ বৰ্তমানলৈকে কোনো ঔষধ আবিস্কাৰ হোৱা নাই। তথাপিও এই দিশত গবেষনা চলি আছে আৰু কিছু পৰিমাণে সাফল্যও হৈছে। AIDS ৰোগৰ বিৰুদ্ধে ব্যৱহাৰ কৰা এবিধ ঔষধ হৈছে ZIDOVUDINE বা সংক্ষেপে AZI। ইয়াৰ সম্পূৰ্ণ বৈজ্ঞানিক নাম হৈছে 3-Azido3-deozythymidine। পৃথিৱীৰ বহুটো দেশতে 1947 চনৰ পৰাই এই বহুমূল্য ঔষধবিধ প্ৰচলন হৈ আহিছে। এই AZI য়ে ভাইৰেল RNA ক DNA লৈ ৰূপান্তৰ হোৱাত বাধা দিব পাৰে। Interferon (ইন্টাৰফেৰণ) এ নতুনকৈ গঠন হোৱা ভাইৰাছক

গ্ৰাহক কোষটোৰ (Holl Cell) পৰা ওলাই যোৱাত বাধা দিব পাৰে। এই ঔষধবোৰৰ মূল্য অতি বেছি বাবে আমাৰ ভাৰতবৰ্ষৰ নিচিনা উন্নয়শীল দেশত ইয়াৰ প্ৰচলন বহুলভাৱে হোৱা নাই।

যিহেতু বৰ্তমানেও AIDS ৰোগ নিৰাময়ৰ কোনো নিশ্চিত ঔষধ আবিস্কাৰ হোৱা নাই সেই গতিকে আমি নিজেই আগৰে পৰা ইয়াৰ আক্ৰমণৰ পৰা সাবধান হোৱা উচিত। এই ক্ষেত্ৰত সতকৰ্তা অবলম্বন কৰিবলগীয়া বিষয় কেইটা হৈছে—

(১) যৌন সম্পৰ্কৰ ক্ষেত্ৰত অইন কাকো বিশ্বাস কৰিব নালাগে। কেৱল পতি-পত্নীৰ মাজতহে যৌন সম্পৰ্ক থাকিব লাগে।

(২) পতিতা গমন কৰা সকলে 'Condom' ব্যৱহাৰ কৰা উচিত। পৰাপক্ষত পতিতালয় গমন নকৰাই শ্ৰেয়।

(৩) ভালকৈ ষ্টেৰিলাইজ কৰা বেজীৰেহে ইনজেকশ্বন লব লাগে।

বিশ্বস্বাস্থ্য সংস্থাই দিয়া তথ্যমতে ইউনিচেফৰ ৰিপৰ্টত কোৱা হৈছে যে আফ্ৰিকাৰ 6 নিযুত লোক HIV ত আক্ৰান্ত হৈছে আৰু তাৰ শতকৰা 50 ভাগ মহিলা। বিশ্বত 2000 চনত AIDS হৈ মৰা পিতৃ-মাতৃৰ পৰা 10 নিযুত ল'ৰা-ছোৱালী মাউৰা হ'ব আৰু তাৰে 90% ই আফ্ৰিকাত। মধ্য আফ্ৰিকাৰ নগৰীয়া হাস্পাতালবোৰত, 2000 চনত AIDS ৰোগীয়ে 20 ৰ পৰা 40 শতাংশ স্থান দখল কৰিব। মালাৱিত (MALWAI) AIDS হোৱা লোকৰ 75% ই 20 ৰ পৰা 49 বছৰৰ লোক। আফ্ৰিকাৰ ইউগেন্দাৰ ৰাকি জিলাত (RAKAI DIST. UGANDA) আটাইতকৈ প্ৰথমতে AIDS হৈ মানুহ মৰিছিল। 1989 চনত সেই জিলাৰ মুঠ জনসংখ্যা 4000,000 ৰ ভিতৰত 25000 মাউৰা হৈছে। এক তথ্য অনুসৰি আফ্ৰিকাত বৰ্ত্তমানলৈকে AIDS ত ভুগি প্ৰায় 4000,00 মানুহৰ মৃত্যু হৈছে। এতিয়া ইয়াৰ মুঠ জনসংখ্যাৰ 10% অৰ্থাৎ প্ৰায় 1.5 নিযুত লোক AIDS ত আক্ৰান্ত হৈছে।

বিশ্বস্বাস্থ্য সংস্থাৰ এক সমীক্ষা অনুসৰি কেৱল 1991 চনৰ ভিতৰতেই আমেৰিকা যুক্তৰাষ্ট্ৰত 70-80 হেজাৰ নতুন পুৰুষ-মহিলা HIV ৰ দ্বাৰা আক্ৰান্ত হৈছে। 1990 চনৰ হিচাপ অনুসৰি উত্তৰ আৰু দক্ষিণ আমেৰিকা প্ৰত্যেকতে প্ৰায় 1 নিযুতকৈ AIDS ৰোগী আছে। এই সংস্থাটোৰে দিয়া আন এটা সমীক্ষা মতে থাইলেণ্ডৰ দৰে সৰু দেশখনতে 4000,00 AIDS ভাইৰাছত আক্ৰান্ত ব্যক্তি আছে। কিন্তু 1991 চনৰ জুলাই মাহলৈ সেই দেশত মাত্ৰ 106 জন AIDS ৰোগীহে ধৰা পৰিছিল।

ভাৰতত AIDS ৰোগীৰ সংখ্যা যি হাৰত বৃদ্ধি পাই আহিছে সেই হাৰতে বাঢ়ি থাকিলে অহা কেইবছৰৰ ভিতৰতে বাৰত পৃথিৱীৰ AIDS ৰ ৰাজধানী হব। 1995 চনৰ UNDP ৰ ৰিপোৰ্টৰ মতে 2000 চনত ভাৰতৰ প্ৰতি 1000,00 জন লোকৰ মাজত 3900 জনে HIV ত আক্ৰান্ত হব আৰু প্ৰতি 1000,00 জনৰ ভিতৰত 820 জন AIDS ত ঢুকাব। অৰ্থাৎ মুঠ 5 নিযুত মানুহ AIDS ত মৃত্যু মুখত পৰিব।

ভাৰতৰ AIDS ৰ ৰাজধানী বোম্বাইত থকা Indian Health Organisation ৰ মুৰব্বী Iswar Gilada ই কয় যে 2000 চনৰ পিছত ভাৰতত দিনে 6000 ৰ পৰা 10000 লোক AIDS ত ঢুকাব। 1996 চনত বহা একাদশ আন্তৰ্জাতিক এইড্ছ সন্মিলনত (Vancover, Canada) জনোৱা হ'ল যে ভাৰতত 3 নিযুত লোক ইতিমধ্যে HIV আক্ৰান্ত হৈছে। ইয়াৰ মূল কাৰণ হ'ল,

ভাৰতত মাত্ৰ কিছু লোকেহে HIV-AIDS নাম শুনিছে। তাতকৈ কম মানুহে এই সম্পৰ্কে জ্ঞান পাইছে আৰু তাতকৈ নগন্য সংখ্যক লোকেহে তেওঁলোকৰ অভ্যাস সলনি কৰিছে। ফলত AIDS আক্ৰান্ত ৰোগীৰ সংখ্যা দ্ৰুত গতিত বাঢ়ি গৈছে।

ভাৰতৰ লগতে এছিয়াৰ দেশ সমূহত HIV-AIDS ৰ চলিত অৱস্থা (চেপ্তেম্বৰ, 1995)

| দেশ | সংক্ৰমণৰ পথ | AIDS ৰোগীৰ সংখ্যা |
|---|---|---|
| দক্ষিণ কোৰিয়া | ভি | 19 |
| ছিঙ্গাপুৰ | স, ভি | 75 |
| শ্ৰীলংকা | স, ভি | 37 |
| টাইৱান | ভি, দ্ৰা | 48 |
| থাইলেণ্ড | ভি, দ্ৰা | 5654* |
| ভিয়েটনাম | ভি, দ্ৰা | 107 |
| লাওচ | ভি | 14 |
| মালয়েছিয়া | ভি, দ্ৰা | 107 |
| মিয়েনমাৰ | ভি, দ্ৰা | 261 |
| নেপাল | ভি, দ্ৰা | 24 |
| উত্তৰ কোৰিয়া | জনা নেযায় | 0 |
| পাকিস্থান | ভি | 24 |
| ফিলিপাইন | স, ভি | 136 |
| বাংলাদেশ | ভি | 1 |
| কম্বোদিয়া | ভি | 10* |
| চীন | ভি, দ্ৰা | 36 |
| হংকং | স, ভি | 99 |
| ভাৰত | ভি, দ্ৰা | 713* |
| ইন্দোনেছিয়া | স, ভি | 49 |
| জাপান | স, ভি | 713 |

N.B : ভি - ভিন্ন লিঙ্গকামী (Hetero Sexual)

স - সমকামী (Homo Sexual)

দ্ৰা - ড্ৰাগ সেৱন বেজী (IVDU)

* - দ্ৰুততৰে বাঢ়িছে।

ভাৰতত প্ৰথমতে AIDS ৰোগী তামিলনাডুৰ মাদ্ৰাজত পোৱা হৈছে (1986 চনত)। গতিকে তামিলনাডুত AIDS ৰোগীৰ সংখ্যাও যথেষ্ট বেছি হব। নাকোৰ (Naco) মতে আৰম্ভণিৰ পৰা 1996 চনৰ April লৈকে দেশৰ প্ৰায় 2400000 জনৰ তেজ পৰীক্ষা কৰি তাৰে প্ৰায় 23000 জনৰে HIV পজেটিভ পোৱা গৈছে।

মণিপুৰত যোৱা 8-10 বছৰত বিভিন্ন সংঘৰ্ষত যিমান মানুহৰ মৃত্যু হৈছে, তাতকৈ বহু বেছি মানুহ AIDS ৰোগত মৃত্যি মুখত পৰিব বুলি 1996 চনৰ May মাহত তাৰে AIDS বিষয়া Dr. Khomdon Singh Lisam য়ে কৈছে। 1800000 জনসংখ্যাৰ এই ৰাজ্যখনত এতিয়ালৈ কৰা 40,840 টা তেজ পৰীক্ষাৰ পৰা 4276 জন লোক HIV ত আক্ৰান্ত বুলি জনা গৈছে। ইয়াৰে 179 জনীয়ে হ'ল মহিলা। সৰ্বভাৰতীয় ভিত্তিত, প্ৰতি হেজাৰ তেজ পৰীক্ষাৰ ফলাফলত 4 জন HIV আক্ৰান্ত ৰোগী পোৱা গৈছে। আনহাতে চৰকাৰী হিচাপ মতে মণিপুৰত প্ৰতি হেজাৰ পৰীক্ষাত 104.7 জন HIV আক্ৰান্ত ব্যক্তি পোৱা গৈছে।

AIDS ৰোগৰ ভয়াবহতাৰ পৰা আমাৰ অসমো বাদ পৰা নাই। Naco ৰ ৰিপোৰ্ট মতে 1996 চনৰ 31 মাৰ্চত অসমত চিনাক্ত হোৱা HIV আক্ৰান্ত লোক 150 জন আৰু AIDS ৰোগীৰ সংখ্যা 10 জন। 1993 চনৰ 31 May তাৰিখে এই সংখ্যা আছিল ক্ৰমে 4 জন আৰু 1 জন। আনহাতে 1997 চনৰ 30 August তাৰিখে ৰেডিঅ' ত প্ৰকাশিত এক তথ্য মতে অসমত HIV আক্ৰান্ত ব্যক্তি আৰু 14 জন AIDS ৰোগী আছে। তাৰে 12 জনৰ ইতিমধ্যে মৃত্যু হৈছে। অসমৰ প্ৰথমজন AIDS ৰোগী 1990 চনৰ ছেপ্তেম্বৰ মাহৰ শেষৰ ফালে গুৱাহাটী মেডিকেল কলেজত চিনাক্ত কৰা হয়। কিন্তু অক্টোবৰ মাহৰ প্ৰথম সপ্তাহতে তেওঁৰ মৃত্যু হয়। আজি প্ৰায় আঢ়ৈ বছৰ আগতে নগাঁৱৰ জাহ্নৱী গোস্বামীৰ, গুৱাহাটী ৰাজগড়ৰ পংকজ শৰ্মাৰ লগত বিবাহ হয়। কিন্তু পংকজ এজন পূৰ্ণ পৰ্য্যায়ৰ AIDS ৰোগী আছিল। ফলত বিয়াৰ কিছুদিন পিছতে তেওঁৰ মৃত্যু হয়। তেওঁলোকৰ 2 বছৰীয়া সন্তান কৰিশ্মা শৰ্মাৰো 1997 চনৰ 7 অক্টোবৰ তাৰিখে মৃত্যু হয়। বৰ্তমান জাহ্নবীও দেহত AIDS ৰ বীজানু লৈ নিশ্চিত মৃত্যুৰ পিনে আগবাঢ়ি গৈ আছে।

ভাৰতত AIDSৰ পৰিণতি হিচাপে অৰ্থনৈতিক আৰু মানৱ সম্পদৰ 2000 চনত কিমান ক্ষতি হব সেই বিষয়ে নতুন দিল্লীৰ পৰা এক প্ৰতিদিনে প্ৰকাশ পাইছিল। এই প্ৰতিবেদন অনুসৰি 2000 চনত ভাৰতৰ অৰ্থনীতিত কমেও 11 বিলিয়ন ডলাৰ (38896 কোটি টকা) ক্ষতি হব আৰু বছৰি এক বুজন সংখ্যক লোকৰ মৃত্যু হ'লে জনসংখ্যাৰ ভাৰসম্য নাথাকিব।

AIDS হৈছে সামাজিক আৰু অৰ্থনৈতিক বাধাৰ সৃষ্টি কৰিব পৰা এবিধ ভয়ঙ্কৰ ব্যাধি। সেয়েহে AIDS সম্পৰ্কে সজাগ বৃদ্ধি কৰিবলৈ সমগ্ৰ বিশ্বই 1 December ৰ দিনটো 'Red Ribbon Day' হিচাপে পালন কৰে। সেই একেই দিনটো মহিলা আৰু AIDS ৰোগৰ সতৰ্কতা দিবস হিচাপেও পালন কৰা হয়।



# সামাজিক দায়বদ্ধতা আৰু সাম্প্ৰতিক ভাৰতীয় চলচিত্ৰ

শ্ৰীপ্ৰশান্ত শৰ্মা
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

'সেই শিল্পই সঁচা শিল্প— য'ত জীৱন প্ৰতিফলিত। ইয়াত পোৱা যাব মানৱ জীৱনৰ দ্বন্দ্ব সংঘাত, সংগ্ৰাম প্ৰেৰণা, জয় পৰাজয়, মৰম ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প, যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।"— এয়া আছিল তুৰ্কী কবি ১৯৫০ চনৰ বিশ্বশান্তি পুৰস্কাৰ বিজেতা নাজিম হিকমতৰ শিল্প সম্পৰ্কত মন্তব্য। চলচিত্ৰও শিল্পকলাৰ এবিধ মাধ্যম। গতিকে চলচিত্ৰ শিল্পক সমাজৰ পৰা পৃথক কৰি ৰখাটো সমাজৰ প্ৰতি কৰা প্ৰতাৰণাৰ বাহিৰে আন একো নহয়। ই সমাজৰ প্ৰতি দায়িত্বশীল হ'ব লাগিব। একোখন কথাছবি একোখন দেশৰ দাপোন, একোখন সমাজৰ দাপোন স্বৰূপ। সমসাময়িক সমাজখনৰ সমস্যা বিশ্বাস আদিৰ পূৰ্ণ প্ৰতিকলন  হ'ব লাগিব এই চলচিত্ৰৰ মাধ্যমত। আধুনিক চলচিত্ৰৰ জন্মদাতা আইজেন ষ্টাইনে তেওঁৰ অমৰ কথাছবি "বেটেল্‌শ্বিপ, পটেম্‌কিম"'ত ৰুছ বিপ্লৱৰ জীৱন্ত চিত্ৰ ৰূপায়িত কৰিছে। ঠিক একেদৰেই চাৰ্লি চেপলিনৰ হাস্যৰসেৰে পৰিপূৰ্ণ নিৰ্বাক ছবি সমূহত কিন্তু হাস্যৰসৰ আনুসংগিক ভাৱে সমসাময়িক সমাজৰ প্ৰতি কৰা বিৰাট 'ব্যংগ' নিহিত হৈ আছে। উদাহৰণ স্বৰূপে, চেপলিনৰ 'দি মডাৰ্ণ টাইম্‌চ'ত পেটৰ নাড়ী চিঙা হাস্য ৰসৰ সমান্তৰাল ভাবে এটি কৰুণ আৰহ সংগীত যেন অনৱছিন্ন গতিত মূৰ্ত্ত হৈ আছে। সেই সংগীত সমসাময়িক সমাজখনৰ অন্ন, বস্ত্ৰ তথা বাসস্থানৰ অনিৰাপত্তাৰ স্বাক্ষৰ বহনকাৰী। পৃথিৱীৰ মুক্তি প্ৰয়াসী মানুহৰ বাবে এই ছবি সমূহ অফুৰন্ত প্ৰেৰণাৰ উৎস।

সম্প্ৰতি ভাৰতৰ কেবাগৰাকী চিত্ৰ নিৰ্মাতাই কথাসন্মত ছবি নিৰ্মাণত মনোনিবেশ কৰাটো পৰিলক্ষিত হৈছে। এই কলা কিন্তু কলা বাবে নহয়। এই কলা মানুহৰ বাবেহে। এই চিত্ৰ নিৰ্মাতাসকলৰ ভিতৰত স্বৰ্গীয় সত্যজিৎ ৰায়, মৃণাল সেন, শ্যাম বেনেগাল, বুদ্ধদেৱ দাসগুপ্ত, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, জাহ্নু বৰুৱা আদিৰ নাম প্ৰনিধানযোগ্য। এই চিত্ৰ নিৰ্মাতা সকলে মানুহৰ বাস্তৱ আবেগ অনুভূতিক লৈ কথাছবি তৈয়াৰ কৰিছে, সমাজ-প্ৰগতিৰ পথ ৰুদ্ধ কৰা বিভিন্ন সমস্যাৰাজি যেনে, অন্ন, বস্ত্ৰ সমস্যা, জাতিভেদৰ সমস্যা, নিৰক্ষৰতা ইত্যাদিৰ। বাস্তৱ চিত্ৰ দাঙি ধৰিছে আৰু কোনো কোনো ক্ষেত্ৰত শোষিত নিপীড়িত জনতাক মুক্তিৰ পথ দেখুৱাইছে। আনন্দৰ বিষয় এনে বাস্তৱধৰ্মী কথাছবি সমূহৰ দৰ্শকৰ সংখ্যাও ক্ৰমাৎ বৃদ্ধি পাই আহিছে।

সম্প্ৰতি ভাৰতবৰ্ষৰ আৰ্থ সামাজিক অৱস্থান অতি শোচনীয় বিধৰ। দেশৰ অৰ্থ সম্পদ বিতৰণৰ বিৰাট বৈষম্যৰ বাবে সমগ্ৰ দেশৰ প্ৰায় আশী শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিব লগা হৈছে। বাস্তৱ বাদী চিত্ৰ নিৰ্মাতা সকলে সমাজৰ এই দিশবোৰৰ প্ৰতি আওকণীয়া মনোভাৱ পোষণ কৰিব নোৱাৰে। শ্যাম বেনেগালৰ 'মন্থন', মৃণাল সেনৰ 'মৃগয়া', 'আকালেৰ সন্ধানে', গোবিন্দ নিহালিনীৰ 'আক্ৰোস' আদি ছবি সমূহত ভাৰতৰ বিভিন্ন অঞ্চলৰ লোকৰ আৰ্থিক দৈন্যৰ জীৱন্ত

চিত্র পোৱা যায়। প্ৰতিখন কথাছবিতে গাঁও অঞ্চলৰ সহজ সৰল লোকৰ ওপৰত চলি অহা জমিদাৰী শোষণ ব্যৱস্থাৰ স্পষ্ট আভাষ পোৱা যায়। কোনো কোনো চলচিত্ৰত অৱশ্যে এই অৱস্থাৰ সমাধানৰো ইঙ্গিত দিয়া দেখা যায়। অসমীয়া চলচিত্ৰ "আলোকৰ আহ্বান" তো সূতা বেপাৰী সকলক সমবায় গঠনৰ পৰামৰ্শ দিয়া দেখা যায়। কেতন মেহতাৰ "ভৱানী ভাবাই" নাম গুজৰাটী ছবি বনত হৰিজন সকলৰ ওপৰত অত্যাচাৰ কৰা ৰজা মহাৰজা সকল বানপানীত বুৰ যোৱা দৃশ্য দেখুৱা হৈছে। এই সময়ছোৱাতে অৱশ্যে এলানি ব্যৱসায়িক অথচ ৰাজনৈতিক তথা আৰ্থ সামাজিক ভাবে কোনো কোনো ক্ষেত্ৰত সচেতন চলচিত্ৰৰ দৃষ্টি গোচৰ হয়। এই সমূহৰ ভিতৰত 'অন্ধা কানুন', 'মেৰী আৱাজ শুনো', 'আজ কি আৱাজ', 'ইয়ে দেশ' আদি কেইখনমানৰ নাম বিশেষকৈ উল্লেখযোগ্য। এই সমূহ কথাছবিৰ ঘাই উপজীব্য হ'ল চৰকাৰৰ থকা নেতা, পালিনেতা সকলৰ নৈতিক ভণ্ডতা আৰু আমাৰ প্ৰচলিত আইন ব্যৱস্থাটোৰ অন্তঃ সাৰশূণ্যতা।

সাম্প্ৰতিক কথাছবি সমূহত পৰিচালক সকলক নাৰী সমস্যাৰ প্ৰতিও সচেতন দেখা যায়। শ্যাম বেনেগালৰ 'ভূমিকা' নামৰ ছবি খনত সীমাবদ্ধ নাৰী স্বাধীনতাক স্মিতা পাতিলে সুন্দৰ ভাৱে ফুটাই তুলিছে। ভাৰতীয় সমাজখনৰ সামাজিক চেতনাক পংগু কৰি তোলা বিভিন্ন সামাজিক ব্যাধিৰ প্ৰতিও চিত্ৰ নিৰ্মাতা সকলক সচেতন দেখা যায়। বিহাৰৰ কুৰ্মি সম্প্ৰদায়ৰ মাজত জাতিয়ে জাতিয়ে চলি থকা সংঘাতৰ ওপৰত ভিত্তি কৰি গৌতম ঘোষে "পাৰ" নামৰ কথাছবি খন তৈয়াৰ কৰিছে। ভাৰতবৰ্ষৰ প্ৰগতিৰ পথৰুদ্ধ কৰা অন্যতম প্ৰধান অনুঘটক অন্ধবিশ্বাস আৰু কুসংস্কাৰক লৈ আমোল পালেকৰে "অনকহী" নামৰ ছবি এখন নিৰ্মাণ কৰিছে।

মানৱ মনৰ সুখ-দুখ আৱেগ-অনুভূতিক সমল হিচাপে লৈ কৰা মৃণাল সেনৰ "খণ্ডহাৰ" এখন উল্লেখযোগ্য ছবি। ক্ষয়িষ্ণু বিৰাট ৰাজহাউলীটোত মাত্ৰ ৰুগীয়া মাকৰ সৈতে অকলশৰীয়াকৈ বাসকৰা যামিনী (শ্বাবানা আজমী) ৰ হৃদয়ত ফটোগ্ৰাফাৰ জনৰ (নাছিৰুদ্দিন শ্বাহ) আগমনত কিছু প্ৰাণৰ সঞ্চাৰ হৈছিল যদিও অৱশেষত ফটোগ্ৰাফাৰ জন গাঁৱৰ পৰা আঁতৰি যায়গৈ। মাথো পৰি ৰ'ল শতাবদীৰ আঁচোৰ পৰা বিৰাট হাউলী, হাউলীৰ এখন দুৱাৰত নিৰলস ভংগীমাত ভেজা দি থাকিল এগৰাকী গাভৰু।

১৯৩৫ চনত 'জয়মতী' ছবিৰ যোগেদি আত্মপ্ৰকাশ কৰা অসমীয়া চলচিত্ৰই হীৰক জয়ন্তী বৰ্ষৰ পিনে অগ্ৰসৰ হৈছে। এই সময়ছোৱাত আব্দুল মজিদৰ 'চামেলি মেমচাহাব', ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ', 'অগ্নিস্নান', 'অনিৰ্বান', অতুল বৰদলৈৰ 'কল্লোল', জাহ্নু বৰুৱাৰ 'অপৰূপা', 'সাগৰলৈ বহু দূৰ' আদি কথাছবি কেইখন উল্লেখযোগ্য। ইয়াৰ উপৰি শেহতীয়াকৈ 'ফিৰিঙতি', 'হালধীয়া চৰায়ে বাওঁ ধান খায়' আৰু 'অদাহ্য' আদি ছবিয়েও বাস্তৱ জীৱনৰ বিভিন্ন সমস্যা, বিভিন্ন দিশ সমূহ প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে।

এখনি সুস্থ ৰুচিৰ উচ্চ মানদণ্ডৰ কথাছবিয়ে সমাজৰ সমস্যাৰাজি ফ'কাচ কৰাৰ উপৰিও দৰ্শকৰ সুস্থ ৰুচিবোধ গঢ়ি তোলাত অফুৰন্ত সমল যোগায় আৰু দৰ্শকে নিজৰ লক্ষ্য স্থিৰ কৰিবলৈ সুযোগ পায়। সস্তীয়া ছবি সমূহে কেৱল মাত্ৰ নায়কৰ দুৰ্দশাৰ অন্ত পেলায়েই ঘটনাৰ সামৰণি মাৰে। সমাজখনৰ সামাজিক উন্নতি, অৱনতি, সুখ-দুখ ইত্যাদিৰ প্ৰতি উদাসীন হৈ থাকে। ফলত

# সামাজিক দায়বদ্ধতা আৰু সাম্প্ৰতিক ভাৰতীয় চলচিত্ৰ

শ্ৰীপ্ৰশান্ত শৰ্মা
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

'সেই শিল্পই সঁচা শিল্প— য'ত জীৱন প্ৰতিফলিত। ইয়াত পোৱা যাব মানৱ জীৱনৰ দ্বন্দ্ব সংঘাত, সংগ্ৰাম প্ৰেৰণা, জয় পৰাজয়, মৰম ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প, যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।"— এয়া আছিল তুৰ্কী কবি ১৯৫০ চনৰ বিশ্বশান্তি পুৰস্কাৰ বিজেতা নাজিম হিকমতৰ শিল্প সম্পৰ্কত মন্তব্য। চলচিত্ৰও শিল্পকলাৰ এবিধ মাধ্যম। গতিকে চলচিত্ৰ শিল্পক সমাজৰ পৰা পৃথক কৰি ৰখাটো সমাজৰ প্ৰতি কৰা প্ৰতাৰণাৰ বাহিৰে আন একো নহয়। ই সমাজৰ প্ৰতি দায়িত্বশীল হ'ব লাগিব। একোখন কথাছবি একোখন দেশৰ দাপোন, একোখন সমাজৰ দাপোন স্বৰূপ। সমসাময়িক সমাজখনৰ সমস্যা বিশ্বাস আদিৰ পূৰ্ণ প্ৰতিকলন হ'ব লাগিব এই চলচিত্ৰৰ মাধ্যমত। আধুনিক চলচিত্ৰৰ জন্মদাতা আইজেন ষ্টাইনে তেওঁৰ অমৰ কথাছবি "বেটেল্‌শ্বিপ, পটেম্‌কিম"ত ৰুছ বিপ্লৱৰ জীৱন্ত চিত্ৰ ৰূপায়িত কৰিছে। ঠিক একেদৰেই চাৰ্লি চেপলিনৰ হাস্যৰসেৰে পৰিপূৰ্ণ নিৰ্বাক ছবি সমূহত কিন্তু হাস্যৰসৰ আনুসংগিক ভাৱে সমসাময়িক সমাজৰ প্ৰতি কৰা বিৰাট 'ব্যংগ' নিহিত হৈ আছে। উদাহৰণ স্বৰূপে, চেপলিনৰ 'দি মডাৰ্ণ টাইম্‌চ'ত পেটৰ নাড়ী চিঙা হাস্য ৰসৰ সমান্তৰাল ভাবে এটি কৰুণ আৰহ সংগীত যেন অনৱছিন্ন গতিত মূৰ্ত্ত হৈ আছে। সেই সংগীত সমসাময়িক সমাজখনৰ অন্ন, বস্ত্ৰ তথা বাসস্থানৰ অনিৰাপত্তাৰ স্বাক্ষৰ বহনকাৰী। পৃথিৱীৰ মুক্তি প্ৰয়াসী মানুহৰ বাবে এই ছবি সমূহ অফুৰন্ত প্ৰেৰণাৰ উৎস।

সম্প্ৰতি ভাৰতৰ কেবাগৰাকী চিত্ৰ নিৰ্মাতাই কথাসন্মত ছবি নিৰ্মাণত মনোনিবেশ কৰাটো পৰিলক্ষিত হৈছে। এই কলা কিন্তু কলা বাবে নহয়। এই কলা মানুহৰ বাবেহে। এই চিত্ৰ নিৰ্মাতাসকলৰ ভিতৰত স্বৰ্গীয় সত্যজিৎ ৰায়, মৃণাল সেন, শ্যাম বেনেগাল, বুদ্ধদেৱ দাসগুপ্ত, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, জাহ্নু বৰুৱা আদিৰ নাম প্ৰনিধানযোগ্য। এই চিত্ৰ নিৰ্মাতা সকলে মানুহৰ বাস্তৱ আবেগ অনুভূতিক লৈ কথাছবি তৈয়াৰ কৰিছে, সমাজ-প্ৰগতিৰ পথ ৰুদ্ধ কৰা বিভিন্ন সমস্যাৰাজি যেনে, অন্ন, বস্ত্ৰ সমস্যা, জাতিভেদৰ সমস্যা, নিৰক্ষৰতা ইত্যাদিৰ। বাস্তৱ চিত্ৰ দাঙি ধৰিছে আৰু কোনো কোনো ক্ষেত্ৰত শোষিত নিপীড়িত জনতাক মুক্তিৰ পথ দেখুৱাইছে। আনন্দৰ বিষয় এনে বাস্তৱধৰ্মী কথাছবি সমূহৰ দৰ্শকৰ সংখ্যাও ক্ৰমাৎ বৃদ্ধি পাই আহিছে।

সম্প্ৰতি ভাৰতবৰ্ষৰ আৰ্থ সামাজিক অৱস্থান অতি শোচনীয় বিধৰ। দেশৰ অৰ্থ সম্পদ বিতৰণৰ বিৰাট বৈষম্যৰ বাবে সমগ্ৰ দেশৰ প্ৰায় আশী শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিব লগা হৈছে। বাস্তৱ বাদী চিত্ৰ নিৰ্মাতা সকলে সমাজৰ এই দিশবোৰৰ প্ৰতি আওকণীয়া মনোভাব পোষণ কৰিব নোৱাৰে। শ্যাম বেনেগালৰ 'মন্থন', মৃণাল সেনৰ 'মৃগয়া', 'আকালেৰ সন্ধানে', গোবিন্দ নিহালিনীৰ 'আক্ৰোস' আদি ছবি সমূহত ভাৰতৰ বিভিন্ন অঞ্চলৰ লোকৰ আৰ্থিক দৈন্যৰ জীৱন্ত

চিত্ৰ পোৱা যায়। প্ৰতিখন কথাছবিতে গাঁও অঞ্চলৰ সহজ সৰল লোকৰ ওপৰত চলি অহা জমিদাৰী শোষণ ব্যৱস্থাৰ স্পষ্ট আভাষ পোৱা যায়। কোনো কোনো চলচিত্ৰত অৱশ্যে এই অৱস্থাৰ সমাধানৰো ইঙ্গিত দিয়া দেখা যায়। অসমীয়া চলচিত্ৰ "আলোকৰ আহ্বান" তো সূতা বেপাৰী সকলক সমবায় গঠনৰ পৰামৰ্শ দিয়া দেখা যায়। কেতন মেহতাৰ "ভৱানী ভাবাই" নাম গুজৰাটী ছবি বনত হৰিজন সকলৰ ওপৰত অত্যাচাৰ কৰা ৰজা মহাৰজা সকল বানপানীত বুৰ যোৱা দৃশ্য দেখুৱা হৈছে। এই সময়ছোৱাতে অৱশ্যে এলানি ব্যৱসায়িক অথচ ৰাজনৈতিক তথা আৰ্থ সামাজিক ভাবে কোনো কোনো ক্ষেত্ৰত সচেতন চলচিত্ৰৰ দৃষ্টি গোচৰ হয়। এই সমূহৰ ভিতৰত 'অন্ধা কানুন', 'মেৰী আৱাজ শুনো', 'আজ কি আৱাজ', 'ইয়ে দেশ' আদি কেইখনমানৰ নাম বিশেষকৈ উল্লেখযোগ্য। এই সমূহ কথাছবিৰ ঘাই উপজীব্য হ'ল চৰকাৰৰ থকা নেতা, পালিনেতা সকলৰ নৈতিক ভণ্ডতা আৰু আমাৰ প্ৰচলিত আইন ব্যৱস্থাটোৰ অন্তঃ সাৰশূণ্যতা।

সাম্প্ৰতিক কথাছবি সমূহত পৰিচালক সকলক নাৰী সমস্যাৰ প্ৰতিও সচেতন দেখা যায়। শ্যাম বেনেগালৰ 'ভূমিকা' নামৰ ছবি খনত সীমাবদ্ধ নাৰী স্বাধীনতাক স্মিতা পাতিলে সুন্দৰ ভাৱে ফুটাই তুলিছে। ভাৰতীয় সমাজখনৰ সামাজিক চেতনাক পংগু কৰি তোলা বিভিন্ন সামাজিক ব্যাধিৰ প্ৰতিও চিত্ৰ নিৰ্মাতা সকলক সচেতন দেখা যায়। বিহাৰৰ কুৰ্মি সম্প্ৰদায়ৰ মাজত জাতিয়ে জাতিয়ে চলি থকা সংঘাতৰ ওপৰত ভিত্তি কৰি গৌতম ঘোষে "পাৰ" নামৰ কথাছবি খন তৈয়াৰ কৰিছে। ভাৰতবৰ্ষৰ প্ৰগতিৰ পথৰুদ্ধ কৰা অন্যতম প্ৰধান অনুঘটক অন্ধবিশ্বাস আৰু কুসংস্কাৰক লৈ আমোল পালেকৰে "অনকহী" নামৰ ছবি এখন নিৰ্মাণ কৰিছে।

মানৱ মনৰ সুখ-দুখ আৱেগ-অনুভূতিক সমল হিচাপে লৈ কৰা মৃণাল সেনৰ "খণ্ডহাৰ" এখন উল্লেখযোগ্য ছবি। ক্ষয়িষ্ণু বিৰাট ৰাজহাউলীটোত মাত্ৰ ৰুগীয়া মাকৰ সৈতে অকলশৰীয়াকৈ বাসকৰা যামিনী (শ্বাবানা আজমী) ৰ হৃদয়ত ফটোগ্ৰাফাৰ জনৰ (নাছিৰুদ্দিন শ্বাহ) আগমনত কিছু প্ৰাণৰ সঞ্চাৰ হৈছিল যদিও অৱশেষত ফটোগ্ৰাফাৰ জন গাঁৱৰ পৰা আঁতৰি যায়গৈ। মাথো পৰি ৰ'ল শতাবদীৰ আঁচোৰ পৰা বিৰাট হাউলী, হাউলীৰ এখন দুৱাৰত নিৰলস ভংগীমাত ভেজা দি থাকিল এগৰাকী গাভৰু।

১৯৩৫ চনত 'জয়মতী' ছবিৰ যোগেদি আত্মপ্ৰকাশ কৰা অসমীয়া চলচিত্ৰই হীৰক জয়ন্তী বৰ্ষৰ পিনে অগ্ৰসৰ হৈছে। এই সময়ছোৱাত আব্দুল মজিদৰ 'চামেলি মেমচাহাব', ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ', 'অগ্নিস্নান', 'অনিৰ্বান', অতুল বৰদলৈৰ 'কল্লোল', জাহ্নু বৰুৱাৰ 'অপৰূপা', 'সাগৰলৈ বহু দূৰ' আদি কথাছবি কেইখন উল্লেখযোগ্য। ইয়াৰ উপৰি শেহতীয়াকৈ 'ফিৰিঙতি', 'হালধীয়া চৰায়ে বাওঁ ধান খায়' আৰু 'অদাহ্য' আদি ছবিয়েও বাস্তৱ জীৱনৰ বিভিন্ন সমস্যা, বিভিন্ন দিশ সমূহ প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে।

এখনি সুস্থ ৰুচিৰ উচ্চ মানদণ্ডৰ কথাছবিয়ে সমাজৰ সমস্যাৰাজি ফ'কাচ কৰাৰ উপৰিও দৰ্শকৰ সুস্থ ৰুচিবোধ গঢ়ি তোলাত অফুৰন্ত সমল যোগায় আৰু দৰ্শকে নিজৰ লক্ষ্য স্থিৰ কৰিবলৈ সুযোগ পায়। সস্তীয়া ছবি সমূহে কেৱল মাত্ৰ নায়কৰ দুৰ্দশাৰ অন্ত পেলায়েই ঘটনাৰ সামৰণি মাৰে। সমাজখনৰ সামাজিক উন্নতি, অৱনতি, সুখ-দুখ ইত্যাদিৰ প্ৰতি উদাসীন হৈ থাকে। ফলত

মাত্ৰ তিনিঘন্টাৰ উপভোগৰ পিচতেই সেই ছবিসমূহৰ সু-প্ৰভাৱ দৰ্শক কিম্বা সমাজৰ ওপৰত পৰিলক্ষিত নহয়। অৱশ্যে কলাসন্মত বা সামাজিক সচেতন ছবি কৰাৰ নায়ক প্ৰযোজকে যদি যি কোনো ক্ষেত্ৰতেই বাহুল্যৰ আশ্ৰয় লয় তেন্তে দৰ্শকে সেই বাহুল্যখিনি মনৰ পৰা বিসৰ্জন দিয়াই সমাজৰ বাবে মংগল।

অনেক ক্ষেত্ৰত কথাছবিত বাস্তৱতাক স্বীকাৰ কৰাৰ ক্ষেত্ৰতো দ্বিমত দেখা যায়। উদাহৰণ স্বৰূপে একালৰ সংসদী সদস্যা অভিনেত্ৰী নাৰ্গিছ দত্তই ভাৰতীয় ছবিত দৈন্যক প্ৰদৰ্শন কৰাৰ কঠোৰ সমালোচনা কৰে। তেওঁৰ মতে এনে ছবিয়ে ভাৰতবৰ্ষক পৃথিৱীৰ সন্মুখত অৱনমিত কৰিব পাৰে। এনে উক্তি সমূহ অৱশ্যে পলায়ন বাদী তথা আত্ম প্ৰৱঞ্চনাৰ বাহিৰে আন একো নহয়। কাৰণ সত্যজিত ৰায়ৰ ভাষাত কবলৈ হ'লে—"A film is picture, a film is words, a film is drama, a film is thousand expressive aural and visual details Even a Segnent of film that lasts barely a minute can display all the aspects simultaneously". ডঃ ভূপেন হাজৰিকাৰ ভাষাত ইয়াৰ প্ৰত্যুত্তৰ দিব পাৰি এনেধৰণে—

"প্ৰভাতক জানো ঢাকিব পাৰি?"

"প্ৰকাশ জানো বন্ধ থাকে?"

■■■



# কাঠফুলা

মিছ সন্মতি স্বৰ্গীয়াৰী
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

মানুহ আৰু প্ৰকৃতিৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। প্ৰকৃতিৰ পাৰিপাশ্বিকতাৰ মাজত মানুহৰ জীৱন নিৰ্ব্বাহৰ প্ৰণালী নিহিত হৈ আছে। প্ৰকৃতিয়ে মানুহক জীয়াই ৰখাৰ আৱশ্যকীয় দ্ৰব্য-গুণ আদিৰ সহজলভ্য যোগান ধৰিছে। কিন্তু বৰ্তমান শতিকাত যিটো হাৰত বিশ্বত জনসংখ্যা বৃদ্ধি হ'ব ধৰিছে তাৰ তুলনাত প্ৰকৃতিপ্ৰদত্ত দ্ৰব্যবোৰ নিচেই তাকৰ। সেই কাৰণে মানুহে নিজে নিজে কৃত্ৰিম ভাবে (বৈজ্ঞানিক পদ্ধতিৰে) খাদ্য উৎপাদন কৰি লব লগা হৈছে।

অন্যান্য দ্ৰব্যাদিৰ দৰে কাঠফুলাও প্ৰকৃতিপ্ৰদত্ত। এই কাঠফুলাৰ লগত আমি সকলোৱে কম বেছি পৰিমাণে পৰিচিত। কিয়নো কাঠফুলা হাবি-জংঘল, পুৰণি মৰা গছ, চেচুক ঠাই, খেৰৰ পুজি আদিত প্ৰাকৃতিকভাৱে জন্মে আৰু এইবোৰক অতীতৰ পৰাই মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰি আহিছে। মানুহে ইয়াক তৰকাৰী, ভাজী, চাট্‌নী, আচাৰ আদি বিভিন্ন উপায়ে খাদ্য হিচাপে ব্যৱহাৰ কৰে। ই এবিধ মৃতজীৱি ভেকুৰ। আমাৰ ভাৰতত কাঠফুলা ব্যৱহাৰ সীমিত যদিও জাপান, চীন, আমেৰিকা আদিত ইয়াৰ ব্যৱহাৰ বহুলভাবে হয়। অন্যান্য খেতিৰ দৰে কাঠফুলাকো কৃত্ৰিমভাৱে বৈজ্ঞানিকভাবে খেতি কৰি আমাৰ খাদ্যভাৰ দুৰ কৰিব পাৰি।



বৰ্ত্তমানে কাঠফুলাক খাদ্যভ্যাসৰ উপৰিও ব্যৱসায় বাণিজ্যৰ অন্তৰ্গত কৰিছে। কিয়নো বিজ্ঞানীসকলে কাঠফুলাৰ গণাগুণৰ ওপৰত চলোৱা এলানি গবেষণাৰ অন্তত এইটো প্ৰতিপন্ন কৰিছে যে কাঠফুলাত আন শাক-পাছলিতকৈ বেছি প্ৰটিন আছে। আমাৰ শৰীৰৰ কাৰণে আৱশ্যকীয় ১৬ বিধ এমিন' এছিড কাঠফুলাত পোৱা যায়। কাঠফুলাত বেছি শক্তি (33.9 k.cal) মাছতকৈ (11.1), ছাগলীমাংস (11.3) আৰু কণী (17.3) থাকে। কম শৰ্কৰা থকা বাবেবহুমূত্ৰ ৰোগীৰ উত্তম খাদ্য; ওজন নবঢ়ায় বাবে শকত লোকৰ খাদ্য; মাছ-মাংসতকৈ বেছি খনিজ পদাৰ্থ থাকে আনকি পাচলিৰ দুগুণৰো বেছি থাকে। সহজে হজম হয় বাবে দুৰ্বল আৰু বেমাৰী মানুহৰ খাদ্য আৰু শাকাহাৰী লোকৰ বাবে মাংসৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিব পাৰি। সেয়েহে এই কথা জনাৰ পিছত বৈজ্ঞানিকসকলে ইয়াৰ উৎপাদন বৃদ্ধি কৰিববৈলে চেষ্টা কৰিছে। ইয়াৰ উপৰিও কাঠফুলাৰ অৰ্থনৈতিক মূল্য অধিক। মুকলি বজাৰত প্ৰতি কিলোগ্ৰাম সতেজ কাঠফুলাৰ মূল্য 40 টকা আৰু শুকান কাঠফুলাৰ মূল্য 400 টকা হোৱা বাবে চৰকাৰে জনসাধাৰণৰ মাজত ইয়াৰ উৎপাদন বৃদ্ধি কৰিববৈলে বিভিন্ন আঁচনি হাতত লৈছে। উদাহৰণ স্বৰূপে খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ দ্বাৰা আমাৰ খাদ্যভাৰৰ

দূৰীকৰণৰ উপৰিও নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘব হব। গতিকে আজিৰ শিক্ষিত নিবনুৱা সকলে চৰকাৰী চাকৰিৰ কাৰণে বৈ নাথাকি কাঠফুলাৰ বাণিজ্যিক ভিত্তিত খেতি কৰিলে নিজৰ নিযুক্তি বা কৰ্মসংস্থানৰ লগতে দহজনৰো উপকাৰ হ'ব। আমাৰ ভাৰতত কৰ্ণাটকৰ বাঙ্গালোৰত হিমাচল প্ৰদেশৰ চলানত কাঠফুলাৰ গবেষণাৰ কেন্দ্ৰ আছে। ইয়াৰ উপৰিও গুৱাহাটীৰ খানাপাৰাত কাঠফুলাৰ উৎপাদনৰ প্ৰশিক্ষণ দিয়া কেন্দ্ৰ আছে।

কাঠফুলাৰ অৰ্থনৈতিক গুৰুত্ব অধিক, কিয়নো ই বৈদেশিক মুদ্ৰা অৰ্জনৰ সহজ উৎস। কাঠফুলাৰ পালেং পশুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিলে গৰুৱে উচ্চমানৰ গাখীৰ দিয়ে। ইয়াৰ পৰা ভাল উচ্চমানৰ পচন সাৰ পাব পাৰি। তাৰোপৰি পুনৰাবৰ্তন (recycling) পৰ্য্যায় বৃদ্ধি কৰে, যেনে —

বৰ্তমান - ধানখেৰ - পশুৰ খাদ্য - গোবৰ

কাঠফুলাত ব্যৱহাৰ কৰি - ধানখেৰ - কাঠফুলাৰ খেতি - কাঠফুলাৰ পালেং - পশুৰ খাদ্য - গোবৰ।

আহকচোন, আমি কাঠফুলাৰ বিভিন্ন প্ৰজাতিৰ লগত থুলমূলকৈ এটি চিনাকি হৈ লওঁ। হাজাৰবিধ কাঠফুলাৰ মাত্ৰ কেইবিধমানহে ভক্ষণীয়। সাধাৰণতে কাঠফুলাৰ সংজ্ঞা —

(ক) কাঠফুলা (Mushroom) - ভক্ষ প্ৰজাতি,

(খ) বেংছটা (Toods tool) - বিষাক্ত প্ৰজাতি।

কৃষি প্ৰণালী অনুসৰি কাঠফুলাক তিনিটা গ্ৰুপত ভাগ কৰিব পাৰি।

(ক) বাটন কাঠফুলা (Button Mushroom) - ইয়াক অকল পচন সাৰত খেতি কৰিব পাৰি। ইয়াৰ বিভিন্ন জাতবোৰ হ'ল - Agaricus bisporus, A. bitorouis, A. campestris - আদি।

(খ) ধানখেৰত হোৱা কাঠফুলা - (Paddy straw Mushroom) - ইয়াক অকল খেৰত খেতি কৰিব পাৰি। ইয়াৰ বিভিন্ন জাতবোৰ হ'ল — Volvariella volvacia, V. diplasia - আদি।

(গ) অয়েষ্টাৰ কাঠফুলা (Oyster Mushroom) - ইয়াক কাঠ, কপাহ, কাপোৰ, কলৰ ঠাৰি, পাত, মাকৈৰ বাকলি আৰু সৰিয়হৰ কাণ্ডত কৰিব পাৰি। অয়েষ্টাৰ কাঠফুলাৰ বিভিন্ন প্ৰজাতি হ'ল - Pleurotius sapor caju (মুগা), P. florida (বগা), ইয়াৰ বাহিৰে Frafu, Sheitake আদিৰ খেতি কৰা হয়। উপৰোক্ত বিভিন্ন প্ৰজাতিৰ ভিতৰত আয়েষ্টাৰ কাঠফুলাকহে খেতিৰ বাবে নিৰ্বাচন কৰা হয়। কিয়নো সমখাদ্যগুণ, উত্তম দ্বৈত ৰূপান্তকৰণ ক্ষমতা (60%), বিস্তৃত অনুকলনশীলতা ($20^0$ - $30^0$C) কিন্তু বাটন কাঠফুলাৰ অনুকলনশীলতা মাত্ৰ ($14^0$ - $20^0$C) ইয়াৰ উপৰিও অয়েষ্টাৰ কাঠফুলাৰ বাবে প্ৰয়োজনীয় কেঁচামাল সহজতে স্থানীয়ভাৱে পোৱা যায়। সকলোতকৈ গুৰুত্বপূৰ্ণ কাৰণটো হ'ল অসমৰ জলবায়ু আয়েষ্টাৰ কাঠফুলাৰ বাবে অনুকুল। কাঠফুলাৰ বিভিন্ন গুণাগুণ, বিভিন্ন প্ৰজাতি আদিৰ বিষয়ে আমি থুলমুলকৈ জানিলো। এতিয়া কথা হ'ল কাঠফুলাৰ খেতিনো কেনেকৈ কৰা হয়?

ইয়াৰ বাবে বিভিন্ন সামগ্ৰীৰ প্ৰয়োজন। প্ৰথমতে খেৰবোৰ টুকুৰা টুকুৰাকৈ কাটি লোৱা হয় আৰু ইয়াক এৰাতিৰ বাবে পানীত তিয়াই ৰখা হয়। তাৰপিছত ভাপত সিজোৱা হয়। খেৰখিনি সিজোৱা হোৱাৰ পিছত এখন টেবুলৰ ওপৰত ৰাখি ঠাণ্ডা হবলৈ দিয়া হয়। বীজখিনি এটা বাটিত উলিয়াই লোৱা হয়। তাৰপিছত এটা 40 x 60 cm পলিথিন মোনাৰ তলিত তিনিমুঠি খেৰ ভৰাই তাত 20-30 gm বীজ চটিওৱা হয়। ঠিক তেনেদৰে এটা পালেঙত ৫টা খেৰৰ তৰপ আৰু এটা বীজৰ তৰপ কৰা হয়। এনেকুৱা এটা পালেঙত শুকান খেৰ এক কিলোগ্ৰাম আৰু বীজ ৮০-১০০ গ্ৰাম ব্যৱহাৰ কৰা হয়। ইয়াৰ পিছত পালেঙৰ মুখখন

বন্ধ কৰি অন্ধকাৰ কোঠাত ৰখা হয়। অৱশ্যে ইয়াত এটা কথা মনত ৰখা উচিত যে বীজবোৰ সদায় নতুন হব লাগে। সাধাৰণতে পালেং পুৰঠ হবলৈ ৮-১৪ দিন লাগে। পালেঙবোৰ নভঙাকৈ খুলিব লাগে। পালেংবোৰ খোলাৰ পিছত ইয়াক ফলনৰ বাবে অন্ধকাৰ কোঠাত ৰাখিব লাগে আৰু প্ৰয়োজন অনুসৰি পানী চটিয়াব লাগে আৰু উষ্ণতা $20^0 \pm 5^0c$ নিয়ন্ত্ৰণ কৰিব লাগে। সাধাৰণতে পালেং খোলাৰ তিনি দিন মানৰ পিছত মুকুলবোৰ দেখা দিয়ে আৰু তাৰ দুদিন পিছতে চপাব লাগে। বেছি দিনলৈ ফুলবোৰ পালেঙত থাকিলে নানা ধৰণৰ পোক-পৰুৱা হয়, যেনে -- Brown plaster mould, white plaster mould, green mould peziza ইত্যাদি। কাঠফুলাৰ ফুলবোৰ চিঙাৰ পদ্ধতি আছে, অৰ্থাৎ ঠাৰিডালৰ গুৰিতহে চিঙিব লাগে। ফুলবোৰ চিঙাৰ পিছত পালেংবোৰ চাফা কৰিব লাগে। ফুলবোৰৰ লগত অস্বাভাৱিক বা আন প্ৰজাতিৰ ফুল দেখিলে পেলাই দিব লাগে। কেতিয়াবা কিবা কাৰণত বিষাক্ত প্ৰজাতি গজিব পাৰে, গতিকে তেনে ধৰণৰ কাঠফুলা ওলালে পালেংখনকে পেলাই দিব লাগে। কাঠফুলা চিঙাৰ লগে লগে ব্যৱহাৰ কৰিব লাগে। অৱশ্যে বহু দিনলৈ সংৰক্ষণ কৰিবও পাৰি। সংৰক্ষণ দুই ধৰণে কৰিব পাৰি - কম সময়ৰ বাবে আৰু দীৰ্ঘকালীন সময়ৰ বাবে। কম সময়ৰ বাবে সংৰক্ষণ -- ফ্ৰিজত $10^0$-$15^0C$ থলে 2-3 দিনলৈ ভালে থাকে। ব্ৰাইন বা নিমখ পানীত ধুই অথবা গৰম পানীত দি সংৰক্ষণ কৰিব পাৰি। আকৌ দীৰ্ঘকালীন সংৰক্ষণ এনেধৰণে কৰিব পাৰি $25^0C$ ত ৰ'দাই, আচাৰ বনাই, ড্ৰায়াৰ ব্যৱহাৰ কৰি, টেমাত ৰাখি অথবা $-205^0C$ ত ৰাখি কৰিব পাৰি।

বাণিজ্যিক বা ব্যৱসায়িক ভিত্তিত কাঠফুলা উৎপাদন ব্যৱহাৰ কৰিবলৈ হ'লে বা উন্নত মানৰ কৃতকাৰ্য্যতাৰ বাবে বীজ উৎপাদনত গুৰুত্ব দিব লাগে। ইয়াৰ বাবে প্ৰয়োজন ভাল পোষক, বিশুদ্ধ পানী, পাতল মোনাত সিজাই, অধিক ৰাসায়নিক দ্ৰব্য নিবীজিকৰণ ব্যৱহাৰ কৰি, ভাল আদি বীজ, উমনিৰ উষ্ণতা নিয়ন্ত্ৰণ আৰু অন্ধকাৰ কোঠালিৰ প্ৰয়োজন।

ইয়াৰ উপৰিও কাঠফুলাৰ খেতি কৰোতে লক্ষ্য কৰিবলগীয়া দিশ কেইটা হ'ল— কাঠফুলাৰ গ্ৰহণযোগ্য উষ্ণতাত ($25^0$+50) ৰাখিব লাগে আপেক্ষিক আদ্ৰতা 80% ৰাখিব লাগে, পানী চটিয়াই দিব লাগে। $CO_2$ ৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিব লাগে। কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব নালাগে, নতুন বীজ ব্যৱহাৰ কৰিব লাগে। ইয়াৰোপৰি হৰ্মন ব্যৱহাৰ কৰি কাঠফুলাৰ উৎপাদন বৃদ্ধি কৰিব পাৰি।

(1) Oyster mushroom ৰ বীজৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় যাৱতীয় সামগ্ৰীবোৰ হ'ল— (I) Seed (Jitelrice) (II) Raket, (III) Cooker, (IV) Log, (V) Cloth bags (VI) Polypropiline bag /G.D. bottle (VII) (7"x9"), (VIII) Cotton, (IX) Brown Paper, (X) Rubber bends, (XI) Tray/Broul, (XII) Balance, (XIII) $CaCo_3$, (XIV) Zypsum, (XV) Electric light, (XVI) Laminer blaw, (XVII) Uv light, (XVIII) Spirit (XIX) Methilated sprict, (XX) Spirit lamp, (XXI)Matches (XXII) Pure calture, (XXIII) Needle, (XXIV) Spron, (XXV) Tables (XXVI) Test tube, (XXVII)Auto clave, (XXVIII) Agar, (XXIX) Dentrose, (XXX) Oats, (XXXI) Makar per, (XXXII) Patato, (XXXIII) Screw pends.

সকলো বস্তুৰে ভাল বেয়া দুটা দিশ থাকে। অন্যান্যৰ দৰে কাঠফুলাৰো আছে। কেতিয়াবা কাঠফুলা খাই বিষক্ৰিয়া হৈ মৃত্যুমুখত পৰাৰ কথাও শুনা যায়। কিন্তু নিজে যদি অলপ সাৱধান হোৱা যায় তেতিয়া হ'লে ইয়াৰ বিপদৰ পৰা ৰক্ষা কৰিব পাৰি।

ooo

পʼলেমিক্যাল দ্য গ্রেট্

# নীৰদ চি চৌধুৰী

## এটি শ্ৰদ্ধাঞ্জলি

জীৱেশ্বৰ কোচ
*মূৰব্বী, বড়ো বিভাগ*

অলপতে অগ্ৰজ ব্যক্তি এগৰাকীয়ে নীৰদ চি চৌধুৰীৰ (ইয়াত, পিচলৈ নীৰদ চৌধুৰী) প্ৰতি থকা দুৰ্বলতাখিনি ত্যাগ কৰিবলৈ আমাক নিৰ্দেশ দিছে। সেইজন ব্যক্তি আমাৰ শুভানুধ্যায়ী, ভাষা-বিজ্ঞানৰ যশস্বী পণ্ডিত। কিন্তু ঊনবিংশ শতিকাৰ ইউৰোপৰ এজন জ্ঞান তপস্বী, তুলনাত্মক ভাষাতত্বৰ অগ্ৰণী পণ্ডিত ম্যাক্স্ মূলাৰৰ জীৱন সম্পৰ্কে লেখা নীৰদ চৌধুৰীৰ কিতাপখন পঢ়িলে সেই 'কঢ়া নিৰ্দেশ' কʼৰবাত বৈ যায়, আৰু তেওঁৰ অন্যান্য লেখা পঢ়িলে? মন্তব্য নিশ্চয় নিষ্প্ৰয়োজন।

এইবেলি, নীৰদ চৌধুৰীৰ এশ বছৰ পূৰ্ণ হʼল, ১৯৯৭ চনৰ ২৪ নৱেম্বৰত। ইতিমধ্যে তেওঁৰ শতবৰ্ষৰ উপলক্ষে তেওঁলৈ সম্বৰ্ধনা জ্ঞাপন কৰিছে, দেশ-বিদেশৰ অনেক জ্ঞানী-গুণী লোকে। আমাৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি কে. আৰ. নাৰায়নে চৌধুৰীলৈ শুভেচ্ছাবাণী পঠিয়াইছে এইদৰে.........."On the happy occasion of your 100th birthday, I have great pleasure in sending you my warmth felicitations. May your sharp intellect and scintillating pen continue to entral and instruct the world." (The Statesman : 24 November, 1997)। প্ৰধানমন্ত্ৰী ইন্দৰ কুমাৰ গুজৰালেও পূৰ্বৰ দৰে চৌধুৰীৰ কলম 'সৃষ্টিশীল' হোৱাৰ কামনা কৰিছে। সুখৰ বিষয়, কলিকতাতেই যাৰ তুমুল বিতৰ্ক, এইবেলি তাতেই, গ্ৰন্থমেলাত চৌধুৰীৰ জীৱন-ভিত্তিক এখনি ভিডিঅ' কেছেট উপহাৰ হিচাবে প্ৰদান কৰা হয়, তেওঁৰ পুত্ৰ ধ্ৰুৱনাৰায়ণ চৌধুৰীৰ দ্বাৰা। তদুপৰি, অসমৰ কাকত-আলোচনী বিলাকতো চৌধুৰীক সশ্ৰদ্ধ সোঁৱৰণ কৰা হৈছে।

যিয়েই নহওক, ইমান বয়সলৈকে উদ্দীপ্ত চিন্তাৰে লেখি থকা সাহিত্যিক বিশ্বত বিৰল। ইতিমধ্যে জাপানৰ লেখিকা Chiyo Uno ই ৯৮ বছৰ বয়সত আৰু যশস্বী ঔপন্যাসিক James Michenerএ ৯০ বছৰত ইহলীলা সম্বৰণ কৰিছে।

বৰ্তমান, নীৰদ চৌধুৰী ইংলেণ্ডৰ অক্সফৰ্ডত জীৱন কটাইছে, এক gypsy scholar ৰ দৰে, যিটো তেওঁ Methew Arnold ৰ কৰিতা পঢ়ি উদ্বুদ্ধ হৈ, চৰকাৰী চাকৰি ইস্তফা দি, স্বেচ্ছাই গ্ৰহণ কৰিছে। প্ৰতীকি অৰ্থত, তেওঁ জীয়াই আছে ম্যাক্স্ মূলাৰৰ দৰে, studious recluse হিচাবে। বৰ্তমানে, বৃটেইন চৰকাৰে তেওঁক চিকিৎসা আৰু পেন্সন দিছে।

দেখা গʼল, চৌধুৰীৰ লেখক-জীৱন বহু বিতৰ্কৰ মাজেদি অতিবাহিত হৈছে। তাৰ মূলতে হʼল, তেওঁৰ আপোচবিহীন স্বভাৱ আৰু প্ৰবল আত্মপ্ৰত্যয়। জীৱনত সঁচা বুলি ভাবিলেই তেওঁ তাকে লেখি আঁতায়, এক মনোজ্ঞ ৰূপত। লেখা-মেলাকে 'স্বধৰ্ম' বুলি গ্ৰহণ কৰি, তাকে আমৃত্যু

পালন কৰিছে তেওঁ, ঠিক যেন গীতাৰ শ্লোকৰ দৰে, 'স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ, পৰধৰ্ম্মে ভয়াবহঃ।' লেখক হিচাবে যিখিনি কষ্টকৰ ত্যাগ আৰু সাধনাৰ প্ৰয়োজন, তেওঁ সেইখিনি আহৰণ কৰিছে। ব্যক্তিগতভাৱে, সেইবাবেই, তেওঁৰ আস্থা perfectibility of man ৰ ওপৰত, অৰ্থাৎ ব্যক্তিস্বাতন্ত্ৰত........ "ব্যক্তিৰ প্ৰাতিস্বিক প্ৰয়াসৰ দ্বাৰা শ্ৰেণী বা সমাজৰ তুচ্ছতা, পাৰিপাৰ্শ্বিক প্ৰতিকূলতা, নিজৰ চৰিত্ৰগত আৰু শাৰীৰিক অক্ষমতাক অতিক্ৰম কৰিব পাৰি।" (মন্‌সিজ মজুমদাৰ ঃ নীৰদ চন্দ্ৰ থেকে নীৰদ সিঃদেশ, ১৮ নবেম্বৰ ১৯৯৫)।

আজি সুদীৰ্ঘ বছৰত তেওঁ যিখিনি লেখিছে, সেইবোৰে দেশে-বিদেশে চিন্তাৰ খলক লগাইছে। দুই এটি দৃষ্টান্ত চাওক– 'প্ৰকৃতাৰ্থত, ভাৰতৰ হিন্দু-মুছলমানৰ যি বিভেদ, সেয়া বৃটিছৰ সৃষ্টি নহয়, ই আগৰ পৰাই আছে।' এই যুক্তিত বহুতে নিশ্চয় আশ্বস্ত নহয়। সৌসিদিনা, নীৰদ চৌধুৰীয়ে গান্ধীজীক 'সীমাবদ্ধ প্ৰতিভা' ('the man was a bounder') '....পৰিশীলিত সভ্যতাৰ সম্পৰ্কে অজ্ঞ' বুলি মন্তব্য কৰাটো সৰ্বজনবিদিত। এইটো অনস্বীকাৰ্য যে ইংৰাজসকল ভাৰতবৰ্ষ এৰি গ'লেও তেওঁলোকৰ শাসন প্ৰণালীৰ বিকল্প সৃষ্টি কৰাটো ভাৰতীয়সকলৰ পক্ষে সম্ভৱ নহ'ল। এনে নিদাৰুণ বাস্তৱ সম্পৰ্কে চৌধুৰীয়ে লেখিছে......."The British Rule is Dead, Long Live British Rule." (The Statesman : Festival Number, 1994)। কিন্তু ভাৰতবৰ্ষ এৰি যোৱাৰ পিছত, ভাৰতৰ প্ৰতি অনুৰাগী (Indophile) হোৱা ইংৰাজসকলৰ প্ৰতি চৌধুৰী সমানে বীতৰাগ! কাৰণ, তাত তেওঁলোকৰ শ্ৰদ্ধা নাছিল, আছিল স্বাৰ্থ। এনেবোৰ যুক্তিত তেওঁৰ 'balanced interpretation of events' প্ৰকাশ পাইছে (দ্ৰষ্টব্য Thy Hand, Great Anarch!)

আনহাতে, চৌধুৰীয়ে ভাৰতীয় সভ্যতা, হিন্দু ধৰ্মৰ খুটি-নাটি সম্পৰ্কে ক্ষুৰধাৰ সমালোচনা কৰিলে স্বদেশী বুদ্ধিজীৱীসকলে তেওঁক অকথ্য গালি-গালাজ কৰে। কিন্তু তেওঁ পাশ্চাত্য সভ্যতাৰ অৱনতিৰ সম্পৰ্কে সমানে যেতিয়া সমালোচনা কৰে, সেই বুদ্ধিজীৱীসকল নিশ্চুপ থাকে।

এই প্ৰসঙ্গত, এটা কথা ক'ব পাৰি যে নীৰদ চৌধুৰীয়ে খোলোচাভাৱে স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। যেনে– চাৰি বছৰ অক্লান্ত পৰিশ্ৰম কৰি, অক্সফৰ্ডত থাকি ম্যাক্সমূলাৰৰ জীৱনী লেখি অঁতাই তেওঁ উপলব্ধি কৰিলে যে Lady Blennerhasset নামৰ ওঠৰ শতিকাৰ শেষাৰ্দ্ধৰ খ্যাতনামা লেখিকা তথা সমাজকৰ্মীয়ে মূলাৰৰ মৃত্যুৰ পিছথ তেওঁৰ পত্নীলৈ লেখা এই তাৎপৰ্যপূৰ্ণ কথাষাৰ......"My admiration for your husband makes me envy the task of him or her, who will be his biopgrapher......" (Acknowledgement দ্ৰষ্টব্য)। চৌধুৰীৰ এনে প্ৰাণখোলা স্বীকাৰোক্তি বহুতে সহ্য কৰিব নোৱাৰে।

বহুতে চৌধুৰীৰ লেখাক 'ডিছিপ্লিন'ৰ অভাৱ বুলি কয়। কিন্তু বিতৰ্ক (polemic), স্ববিৰোধ (paradox) আৰু প্ৰকল্পৰ (hypothesis) খেও ধৰি বিদ্যা-চৰ্চা কৰিবলৈ বহুতো কুণ্ঠাবোধ কৰে, বিশেষকৈ পাঠ্য-পুথিৰ ক্ষেত্ৰত। একমাত্ৰ সংবাদধৰ্মী লেখা-মেলা কৰা (N.E.W.S., চতুৰ্দিক; কেৱল সাধাৰণ news ৰ ক্ষেত্ৰত নহয়) ব্যক্তিয়েহে ডিছিপ্লিনৰ মৰ্ম আৰু ইয়াৰ বাহ্যিক দিশ বা দ্বান্দ্বিক দিশ পোহৰলৈ আনিবলৈ সাহস গোটায়। নীৰদ চৌধুৰী এইক্ষেত্ৰত উজ্বল দৃষ্টান্ত।

সুখৰ কথা, সকলো বিতৰ্ক, অকথ্য সমালোচনা নিষেধাজ্ঞা........ আৰু স্বদেশত নিগৃহীত

হৈয়ো চৌধুৰী আজি সম্বৰ্ধিত হ'ল, স্বদেশৰেই ৰাষ্ট্ৰপতিৰ দ্বাৰা। তেওঁৰ কঠোৰ সমালোচক, বুদ্ধিজীৱীসকলে, তেওঁৰ এনে বিৰল স্বীকৃতিত কি মন্তব্য দিয়ে, ইতিহাস কিন্তু নীৰৱ, নিমাত। এইজন জ্ঞানতপস্বীৰ জীৱন....... লেখা-মেলাৰ সম্পৰ্কে সম্প্ৰতি চৰ্চা হৈছে, সৰ্বত্ৰ। 'The Times কাকতে তেওঁক a born writer ........... he makes delightful reading, always thought provoking বুলি মন্তব্য কৰিছে। খ্যাতনামা লেখক Ian Jack এ লেখিছে.....'He is one of the world's finest writers in English....... and his two volumes of autobiography....... has given the twentith century a brave, unconditional and necessary witness." অলপতে, স্বপন দাসগুপ্তৰ সম্পাদনাত প্ৰকাশ পাইছে 'Nirad C Chaudhuri : The First Hundred years : A Celebration নামৰ এক মনোজ্ঞ কিতাপ, য'ত Ian Jack, Amita Malik, Khushwant Singh, William Radice ৰ দৰে নামী-দামী লেখকে চৌধুৰীৰ জীৱন.....লেখা-মেলা সম্পৰ্কে আলোকপাত কৰিছে। অসমীয়াতো বেছ কিছু লেখা-মেলা প্ৰকাশ পাইছে, চৌধুৰীক কেন্দ্ৰ কৰি।

এতিয়ালৈ প্ৰকাশিত নীৰদ চৌধুৰীৰ কিতাপ মূলতে ইংৰাজী আৰু বাংলা ভাষাৰ ঃ সেইবোৰ হৈছে— The Autobiography of an Unknown Indian (1951), A Passage to England (1951), The Continent of Circe (1965), The Intellectual of India (1967), To Live or not Live (1970), Scholar Extraordinary : The Life of Friedrick Max Muller (1974), Clive of India (1975), Culture in the Vanity Bag (1976), Hinduism : A Religion to Live by (1979), They Hand, Great Anarch! (1987), The East is East and The West is West, ed. Dhruba N. Chaudhuri (1996), Why I mourn for England (1997), From the Archieves of a Centinarian (1997), Three Horsemen of the New Apocalypse (1997), আৰু বাংলাৰ হৈছে— বাঙালী জীৱনে ৰমণী (১৯৬৮), আত্মঘাতী বাঙালী (১৯৮৮), আত্মঘাতী ৰবীন্দ্ৰনাথ, ২-খণ্ড (১৯৯২), আমাৰ দেবোত্তৰ সম্পত্তি (১৯৯৪) আৰু আমাৰ দেশ, আমাৰ শতক (১৯৯৭)।

এনে এজন মহান লেখকৰ শতবৰ্ষ পূৰ্তিত আমিও নীৰদ চৌধুৰীলৈ শ্ৰদ্ধাঞ্জলী এটি জনাই ৰবাৰ্ট্ লিণ্ডৰ সুৰতে কওঁ...... 'মহৎ লেখক মাত্ৰেই কি এক বিস্ময়কৰ সৃষ্টি!' আৰু সৰ্বশেষ মন্তব্য, last word দি থওঁ,........ "সকলোৰে উৰ্দ্ধত তেওঁ আজিও হওক unputdownable!"

❑❑❑

*মানুহ এটা অতি জটিল প্ৰাণী। মানুহে নিজকে আন মানুহৰ পৰা বিচ্ছিন্ন কৰি নিজৰ অদ্বিতীয়ত্ব প্ৰমাণ কৰিব লগা হয়, আনহাতে, মানুহে আন মানুহৰ লগত মিলি-জুলি একেলগে বাস কৰিব লগা হয়। ইয়াৰ ফলস্বৰূপে ব্যক্তিয়ে একেলগে গোটখাই গোষ্ঠী বা সমষ্টি সৃষ্টি কৰে, ইয়াৰ পিছত সেই সমষ্টিৰ মাজত প্ৰতিযোগিতা আৰম্ভ হয়। অৰ্থাৎ বিভিন্ন গোষ্ঠীৰ মাজৰ সম্পৰ্কটো হ'ল প্ৰতিযোগিতামূলক সম্পৰ্ক। এইটোৱেই হ'ল জীৱনৰ বাস্তৱ সত্য, আৰু ইতিহাসত যুগ যুগ ধৰি এই ঘটনা চলি আছে। মানুহৰ মাজত সম্পূৰ্ণ মিল বা ঐকতান স্থাপন হোৱা সম্ভৱ।*

— ছেমুৱেল হাণ্টিংটন।



# ইন্টাৰভিউ

মিচ মীনাক্ষী নাথ
স্নাতক ২য় বৰ্ষ (কলা)

ৰবীনে হাতত ফাইলটো তুলি ল'লে। মাকক সেৱা জনাই ক'লে, 'মা, কি লাভ হ'ব, একো নাই। আমাৰ দৰে দুখীয়া মানুহ খিনিৰ বাবে চাকৰি নাই। "ইন্টাৰভিউ' কেৱল দেখুৱাবৰ বাবেহে।" থাকে, "বোপা, ভগৱানৰ ওপৰত বিশ্বাস ৰাখ, নিশ্চয় এইবাৰ চকুমেলি চাব"। যা, এতিয়া এইবোৰ বাদদে। ইন্টাৰভিউটো ভালকৈ দিবি। ৰবীনে অৰ্থনীতিত মেজৰ লৈ বি, এ পাছ কৰিছে। বহুদিন ধৰি চাকৰি বিচাৰি ঘূৰি ফুৰিছে, বহু 'ইন্টাৰভিউ' দিছে। ইন্টাৰভিউ দি দি সি একেবাৰে আমনি পাইছে। সি এটা বেংকৰ নিম্ন বৰ্গৰ কামৰ বাবে আবেদন পত্ৰ দিছিল, সেয়েহে আজি তাৰ ইন্টাৰভিউ।

মাকক সেৱাৰ সময়ত সি মাথোন ক'লে "মা", এইটোৱে মোৰ শেষ ইন্টাৰভিউ বুলি ধৰি ল', ইয়াৰ পিছত মই মৰি গলেও ইন্টাৰভিউ নিদিও।" সি ফাইলটো হাতত লৈ বাছ ষ্টেণ্ডলৈ গ'ল।

এখন সৰু মিনিবাছ অহাত সি উঠিলে। প্ৰায় দহমিনিট মানৰ ভিতৰত সি তাৰ ইন্টাৰভিউ স্থলত উপস্থিত হ'ল। সি তাত দেখিলে প্ৰায় ৫০ জন মান প্ৰাৰ্থী তাত উপস্থিত। সি মনতে ভাবিলে। এটা চাকৰিৰ বাবে আমাৰ মাজত ইমান অন্তৰ্দ্বন্দ্ব। হায়, ভগৱান আপোনাৰ কি লীলা। সি বেৰত আঁৰি থোৱা লিষ্টখনলৈ চালে। তাৰ নামটো ১৭ নম্বৰত আছে। তাৰ আগত ইতিমধ্যে ৮জন মান বাকী আছে প্ৰায়বোৰৰ মুখবোৰ সেমেকা। ঠিক তেনে সময়তে চকীদাৰ জনে ৫১ নম্বৰ যুৱক জনক মাতিলে। ৰবীন আৰু আন সকলোৱে আচৰিত মানিলে। সিহঁতৰ মাজত মৃদু কোলাহ'ল হ'ল। সিহঁতে আৰু বেছি আচৰিত হ'ল যেতিয়া অফিচাৰ কেইজনে 'ইন্টাৰভিউ' বন্ধ কৰি দিলে। অফিচাৰ কেইজনে ক'লে যে আমাৰ কাম হৈ গ'ল। সিহঁতে চিঞৰ বাখৰ আৰম্ভ কৰিলে যদিও কামত নালাগিল। অফিচাৰ কেইজনে সিহঁতৰ আগেৰে মাৰুতি ভেনত উঠি গুচি গ'ল। প্ৰাৰ্থী কেইজনৰ মুৰবোৰ শেঁতা আৰু সেমেকা হৈ পৰিল। দুজন মানৰ চকু চলচলীয়া হ'ল। দুজনমানে খঙতে লম্ফ জম্ফ কৰি তাৰ পৰা আঁতৰি গ'ল। ৰবীনে ফাইলটো হাতত লৈ উভতিলে। সি ফাইলটোকে যা তা বলকিব ধৰিলে। তাৰ মন দুঃচিন্তাৰে ভৰিব ধৰিলে। মাকক সি গৈ কি ক'ব, মাকে কিমান আশাৰে তাক বাট চাই বৈ আছে ইত্যাদি........ ইত্যাদি। সি তেনেকৈ ঘৰ পালে। ঘৰত গৈ দেখিলে মাকে তাৰৈ পদুলিতে বৈ আছে। সি দৌৰি গৈ মাকক আকোঁৱালি লৈ কান্দিবলৈ ধৰিলে।

ৰবীনৰ দৰে আমাৰ দেশত আৰু বহুতো দুখীয়া ছাত্ৰ ডিগ্ৰী লৈ ভাল Percentage লৈ চাকৰিৰ আশাত বহি আছে। যি সকলে চাকৰিৰ নামত কেৱল পাইছে হতাশা। ইহঁতৰ আশা পূৰণ নহ'বনে???

●●●



# প্ৰিয়ঙ্কাৰ অপ্ৰিয় অংক

হিমাংশু সিংহৰয়
স্নাতক ২য় বৰ্ষ (কলা)

এন্ধাৰ জাকে খেদি খেদি অৱশেষত সূৰ্য্যটোৰ ৰাঙলি আভাখিনি পৃথিৱীৰ পৰা আঁতৰাই পেলালে। জোনাকী পৰুৱাৰ দৰেই প্ৰজ্বলিত হ'ল মানুহৰ ঘৰ। এনে সময়তে প্ৰণৱে লক্ষ্য কৰিলে নঙলা মুখত জ্বলি থকা বিজুলি চাকিটো। এৰা, মানুহৰ সৃষ্টিৰ তুলনা নাই। স্বয়ং সূৰ্য্যৰ সতে প্ৰতিযোগিতা পাতি জয় লাভ কৰা এন্ধাৰেও হাৰ মানিছে।

তেতিয়াও ৰাস্তাত মানুহৰ সমাগম হোৱা নাই। যান-বাহনৰ অবাধ গতি অবিৰত ভাবেই চলি আছে। পঢ়িবলৈ বহি প্ৰণৱে ওৱাল ঘড়ীটোলৈ চালে, সাত বাজি পঞ্চলিশ মিনিট। কিতাপ এখনৰ মাজৰ পৰা লাহেকৈ চিঠিখন উলিয়াই ল'লে। পত্ৰ বান্ধৱী প্ৰিয়ঙ্কাৰ চিঠি। চিঠিখন পোৱা চাৰি পাঁচ দিন হ'ল, উত্তৰহে দিব পৰা নাই। প্ৰিয়ঙ্কাৰ সতে বন্ধুত্ব পতা দুবছৰে হ'ল। চিঠিৰ আদান প্ৰাদানে দুয়োৰে মাজত নিবিড় সম্বন্ধ গঢ়ি উঠিছে। ইজনে সিজনক লগ পাবলৈ ব্যাকুল হৈ পৰিছে। দুৰত্বই দুয়োকো বিছিন্ন কৰি ৰাখিছে।

আজি যান-বাহন বা টিভিৰ শব্দই প্ৰণৱক আমনি দিব পৰা নাই। পঢ়াত বহিছে যদিও মনোযোগ দিব পৰা নাই। অন্য দিনতকৈ আজি মনৰ অৱস্থাটো সুকীয়া। সি নিজেই লজ্বাবোধ কৰিছে। বাৰে বাৰে মনত পৰিছে ঘটনাটো। অলপ আগতে ঘটি যোৱা ঘটনাটো আনৰ আগত ক'ব পৰা নাই। নক'লেও ঘটনাটোৱে প্ৰণৱৰ মূৰত চিনেমাৰ ৰিল ঘূৰাদি ঘূৰিব। সি ভাবি নাপালে এই লাজ লগা কথাটো কাক জনাব। অৱশেষত ঘটনাটো প্ৰিয়ঙ্কাক জনাবলৈ সিদ্ধান্ত ল'লে। বহীৰ পাত এখিলা সুন্দৰকৈ ভাঁজ কৰি ললে। ডট্‌পেনটোত নতুন ৰিফিল সোমাই দিলে।

প্ৰিয় "প্ৰিয়ঙ্কা"

অকৃত্ৰিম মৰমখিনি লবা। তোমাৰ অভিমান এৰিবা। ভুলৰ সমাধি বিচাৰি হাঁহিৰ মেলা নাপাতিবা। মোৰ ভাল বুলি জানি থোৱা। চিঠিৰ দ্বাৰাই তোমাৰ খবৰ জানি সুখী হৈছো।

পিছে আজি তোমাক যি কথা লিখিবলৈ লৈছো সেয়া মোৰ জীৱনৰ প্ৰথম অভিজ্ঞ তুমি হয়তো শুনি দুখ পাবা। পৃথিৱীৰ আন কোনো শক্তি নাই যি শক্তি আজি ছোৱালী এজনীয়ে মোৰ ওপৰত প্ৰয়োগ কৰিছে।

আজিৰ সন্ধ্যাটোৰ সূৰ্যৰ অন্তিম কিৰণ আছিল গোটেই পৃথিৱীখনত। মই খৰ খেদাকৈ বাছখনত উঠিবলৈ যত্ন কৰিছো। হঠাৎ ছোৱালী এজনীৰ সতে খুন্দা খাই পৰিলো। জিনচ্ পেন চাৰ্ট পিন্ধি কান্ধত বেগলৈ থকা ছোৱালী জনীও মোৰ দৰেই থেকেচা খাই পৰি গ'ল। মই তৎক্ষণাত থিয় হৈ ছোৱালী জনীৰ পৰা বেগখন উঠাই দি ছোৱালী জনীক থিয় হোৱাত সহায় কৰি দিলো।

ছোৱালীজনী থিয় হ'লত মই বিব্রত হৈ কৈ পেলালো।

ঃ চৰি মই বাচ খন ধৰিবলৈ দৌৰোতেই আপোনাৰ সতে খুন্দা খালো। আপুনি ক্ষমা কৰি দিবনে?

ঃ ক্ষমা? দেখি শুনি গাভৰু ছোৱালীৰ সতে খুন্দা লাগিছা আৰু ক্ষমা কৰিব লাগে? ইমান অসৎ। এই ল'ৰাবোৰ সদায় এইবিলাক চাঞ্চ বিচাৰি থাকে। গাভৰু ছোৱালী দেখিলে জোকাব, খুন্দা লাগিব এইবোৰেই আপোনালোকৰ কাম।

ঃ বিশ্বাস কৰক। মই জানি শুনি আপোনাৰ গাত খুন্দা লগা নাই আৰু মই প্ৰয়োজন অনুভৱ নকৰো।

ঃ হৈছে, হৈছে, আপোনাৰ কু বুদ্ধিটো মই অতি সহজেই ধৰিব পাৰিছো। এতিয়া ভাল দেখাব নালাগে। আপোনাৰ ঘৰত মা-ভনী আছে যদি সিহঁতৰ লগত খুন্দা নালাগে কেলেই।

ঃ নহয়, নহয়। আপুনি ভুল বুজিছে। মই ......................।

ঃ আৰু কব নালাগে।

প্ৰায় চিঞৰি উঠিল ছোৱালীজনী। চুলিখিনি আউল বাউল হৈ পৰিছিল। ক্ষীণকৈ ধুনীয়া ছোৱালী জনী মোৰ চকুৰ আগত যখিনী যেন হৈ পৰিল। দুই এজনকৈ আমাক দুয়োকে এজুম মানুহে ঘেৰি ধৰিলে। সকলোৰে প্ৰশ্ন একেটাই "কি হ'ল?" ছোৱালীজনীয়ে টপ টপকৈ কোৱা উত্তৰ আৰু জুমটোৰ পৰা নিৰ্গত হোৱা কথাই মোৰ মগজুত এটা তীব্ৰ আলোড়নৰ সৃষ্টি কৰিলে। ছোৱালীজনীৰ বিপক্ষে ক'বলৈ কোনেও নোলাল। ইজনৰ পিছত সিজনক তাই মোৰ বিপক্ষে ক'বলৈ ধৰিলে। মই এটা ফাঁকি কওঁমানে তাই কেবাটাও ফাঁকি কবলৈ ধৰিলে। ধুনীয়া ছোৱালীজনী দেখি সকলোৰে তাইৰ কথাত গুৰুত্ব দিলে। মোৰ প্ৰতি কোনেও সহাঁৰি নজনালে। অৱশেষত মই একো ক'ব নোৱাৰা হ'লো। এনেতে লোকেল দাদা এজন আগবাঢ়ি আহিল। ঘটনাৰ বিৱৰণী শুনি মোলৈ দুটা কাণতলীয়া চৰ উপহাৰ দিলে। মই ফাৰ্মৰ নোহোৱা হ'লে লোকেল জনক চৰৰ পৰিৱৰ্তে ঘোচা মাৰি দিলোহেঁতেন; কিন্তু কাণ তলীয়া চৰটো গালত লৈ মহাত্মা গান্ধীজনহে উভতি আহিলো। আৰু কি জানানে প্ৰিয়ঙ্কা?

ঃ দাদা, তোমাক বিচাৰি কোনোবা আহিছে।

ভনীয়েকৰ কথাত প্ৰণৱৰ কলমৰ আগটো হঠাতে ব্ৰেক মাৰি দিয়া গাড়ীখনৰ দৰে তীব্ৰ জোকাৰণিত নিথৰ হৈ ৰৈ গ'ল।

ঃ কোন আহিছে ড্ৰয়ংৰুমটে বহিবলৈ দে চোন।

প্ৰণৱৰ কথাত বিৰক্তিকৰ ভাৱ। কোন আহিব পাৰে? এনে সময়ত প্ৰণৱক বিচাৰি অহা মানুহৰ সংখ্যা তেনেই তাকৰ। অৱশ্যে কেতিয়াবা কেতিয়াবা মনে মনে ভি-চি-পি চাবলৈ গ'লে পবিত্ৰই এনে নিশা আহি প্ৰণৱক লগ ধৰে। সি আহিলেও পোনে পোনে তেওঁৰ ৰূমত সোমায়। কৌতুহ'ল বশত প্ৰণৱে খিৰিকিৰে পৰ্দাখন দাঙি চালে। দেখা নাপালে। ইতিমধ্যে আগন্তুক ভনীয়েকে বহিবলৈ দিছেই।

প্ৰণৱে চিঠিখন সুন্দৰকৈ ভাঁজ কৰি এন্‌ভলৰ খনৰ ভিতৰত ভৰাই থলে। লাহেকৈ বহাৰ পৰা উঠিল। সি পোনে পোনে ড্ৰয়িং ৰূমলৈ নগ'ল। কলহটোৰ পৰা এগিলাছ পানী নিজে বাকীলৈ ঢক ঢককৈ গিলি, মুখখন গামোচাৰে মচি, ড্ৰয়িংৰূমলৈ খোজ ল'লে। ড্ৰয়িংৰূমৰ পৰা ভাঁহি অহা অচিনাকী নাৰী কণ্ঠ শুনি প্ৰণৱ থমকি ৰ'ল।

ঃ আপুনি আমাৰ প্ৰণৱ দাৰ লগত কেনেকৈ চিনাকী হ'ল? ভনীয়েকে আগন্তুকলৈ প্ৰশ্ন কৰিছে।

ঃ মই প্ৰণৱৰ পত্ৰ বান্ধৱী।

ঃ অ' মাজুলীৰ প্ৰিয়ঙ্কা নেকি? আগন্তুকৰ কথাত প্ৰায় চিঞৰি উঠিছিল ভনীজনী।

ঃ তাৰ মানে তুমি মোৰ বিষয়ে জানা।

ঃ কিয় নাজানিম? আপোনাৰ সকলো চিঠি দাদাতকৈ মইয়ে আগে পঢ়োঁ। এইবোৰ বাদ দিয়ক, আগতে কওঁক কেনেকৈ আমাৰ ঘৰ পালেহি।

ঃ এহ নকবা আৰু? বাচৰ পৰা নামিয়ে কিমান ঘৰহে নগ'লো। তোমালোকৰ ঘৰ বিচাৰি আন কোনোবা এজন প্ৰণৱৰ ঘৰ পালো। অলপ পাচতে দাড়ি চুলি পকা প্ৰণৱ ওলাই আহিল। মই সকলোবোৰ কথা বিৱৰি কোৱাত ভুলটো ভাঙিল। নিশা হোৱাৰ বাবে তেৱেঁই তোমালোকৰ পদুলিলৈকে থৈ গুচি গ'ল।

ঃ তাৰ মানে বহুত আগতে আহি পাইছে?

ঃ অ' বাচৰ পৰা নামোতে এন্ধাৰ হৈছিল।

ঃ তেনেহলে আপুনি বৰ ক্লান্তি হৈছে। ৰবক দেই, মই দাদাক মাতি দিছো।

ইমান পৰে প্ৰণৱে প্ৰিয়ঙ্কাৰ কথাবোৰ মনে মনে শুনি আছিল। মনটো আনন্দত আত্মহাৰা হৈ উঠিল; কিন্তু সি ৰুমটোত কেনেকৈ প্ৰৱেশ কৰিব সেইটোহে মহা অসুবিধাত পৰিল। প্ৰিয়ঙ্কা বুলি নজনা হ'লে ঘপহ কৰে সোমালেহেঁতেন। কিন্তু.....................?

ভনীয়েকে খৰধৰকৈ পৰ্দাখন দাঙি ওলাই আহোতে দুৱাৰ মুখতে থিয়দি থকা প্ৰণৱৰ সতে খুন্দা খাইহে স্তম্ভিত ঘূৰাই পালে।

ঃ দাদা, কোন আহিছে চোৱাহিচোন? ভনীয়েকে এক প্ৰকাৰ টানি ভিতৰলৈ সোমাই নিলে।

নক কৰি সোমাইয়ে প্ৰণৱৰ সৰ্বশৰীৰ জিকাৰ খাই উঠিল। এভাৰেষ্ট শৃংগটোৰ পৰা সি যেন অলপ পিছতে খহি পৰিব। সি নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। এবাৰ সি দুয়োটা চকু মোহাৰি ভালকৈ লক্ষ্য কৰিলে। না-ই, সি ঠিকেই ধৰিছে। নাই সি ইমান নুখৰা হ'ব নোৱাৰে। আৰু যদি সঁচাই হয়?

অপলক দৃষ্টিৰে প্ৰিয়ঙ্কালৈ চাই পঠিয়ালে। তাইৰ চকু দুটিও হেজাৰ আতংকৰ ছাপ। ভৰি দুটি মৃদুভাৱে কঁপিছে। সহানুভূতিৰ প্ৰেৰণাত নহয়, তাৰ প্ৰতি অনুকম্পাও নহয়, তাইৰ ভুলৰ প্ৰায়চিত্তৰ আশাত। এবাৰ তাই চেলাউৰি দুটিৰে সেমেকি উঠা চকু দুটিৰে ইফালে সিফালে চালে। হয়তো কব বিচাৰিছিল আত্মদানৰ দুৰ্বাৰ হেঁপাহত, মিলনৰ আকুল আবেগত অন্যায় কৰি পালে তাই। তাইৰ সতে লগা খুন্দাটোৰ প্ৰমাণ হিচাপে জিনচ্ পেনটোত আঠুৰ ওপৰ ভাগত মলিয়ন দেখা গৈছে। হয়তো সি চাফ কৰিবলৈ চেষ্টা কৰিছিল। সৰ্বশেষত বৈ থকা মলিয়নখিনি তাই প্ৰণৱক কবৰ বাবে প্ৰমাণ আনিছিল। কিমান যে ৰসাত্মক ভাৱে কৈ গ'লহেঁতেন সেই দুষ্ট ল'ৰাটোৰ কথা!

ঃ আৰে? দুয়ো নীৰৱ দেখোন? প্ৰণৱৰ ভনীয়েকৰ কথাত দুয়ো সজাগ হৈ পৰিল। মুমূৰ্ষ অৱস্থাৰ বেমাৰী এজনৰ দৰেই দুয়োৰে মুখৰ মাত সৰকা নাছিল। আগতে চিনাকী হ'লা নেকি? প্ৰণৱৰ ভনীৰ দ্বিতীয় প্ৰশ্নটো দুয়োকো মহা বিপদত পেলালে।

ঃ ওঁ..........ওঁ। আমি দুয়ো ৰাস্তাতেই চিনাকী হৈ আহিলো।

কোনোমতে মুখেৰে সৰকা প্ৰিয়ঙ্কাৰ কথাত প্ৰণৱৰ চকু দুটা মাছৰ চকুৰ দৰেই উজ্জ্বল হৈ পৰিছিল যেন হেজাৰটা বিস্ময়ে দুয়োটা চকুতে খুন্দা মাৰি দিলে।

●●●

# বালিত সজা ঘৰ



হৃদয়ানন্দ দাস
স্নাতক ২য় বৰ্ষ (কলা).

এই দৰে এটা হঠাৎ
সাংঘাটিক সিদ্ধান্তত উপনীত হ'ব বুলি পূৰবীয়ে
কেতিয়াও ভবা নাছিল; কিন্তু কেতিয়াবা কাহানিও নভবা কথাও বাস্তৱত পৰিণত হয়। পূৰবীৰো সেয়ে হ'ল।

এটা বিশ্বাসঘাটক স্বাৰ্থন্ধ ভূৱা দেশ প্ৰেমিকৰ ক্ষেত্ৰত এনে এটা সিদ্ধান্তই উচিত বুলি ভাবি তাই সান্ত্বনা লভিলে।.........

পূৰবী আছিল পলাশগুৰি গাৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পবিত্ৰ বৰুৱাৰ প্ৰথমা ছোৱালী। মাষ্টৰৰ পাচোঁটা ল'ৰা -ছোৱালীৰ ভিতৰত প্ৰথম সন্তান পূৰবীয়ে সৰুৰে পৰা যথেষ্ট সংগ্ৰাম কৰিব লগা হৈছিল— জীয়াই থকাৰ বাবে। এল, পি, স্কুলৰ মাষ্টাৰ চাকৰিৰে পোৱা পইচা কেইটাৰে সাতজন মানুহৰ এটা পৰিয়াল চলোৱাটো অসম্ভৱ বাবে তাই (পূৰবীয়ে) উৰ্পাজন পথ বাচি লব লগা হৈছিল। গাৱৰ মানুহৰ ল'ৰা-ছোৱালী পঢ়ুৱাই নিজৰ ঘৰৰ চিলাই মেচিনত চুবুৰীয়াৰ বিভিন্ন মানুহৰ কাপোৰ কানি চিলাই টকা উপাৰ্জন কৰি ঘৰখনক কিছু আৰ্থিক সকাহ দিয়াৰ উপৰিও নিজৰ পঢ়াশুনা ঠিকমতে ৰাখি সংগীত সাধনাও কৰিছিল পূৰবীয়ে।

মুঠতে পূৰবীয়ে কঠোৰ সংগ্ৰাম কৰি জীৱনৰ বাটত আগুৱাই নিব লাগিছিল। যিদৰে গাঁওৰ অধিকাংশ ল'ৰা-ছোৱালীয়ে জীৱনত প্ৰতিষ্ঠা লাভৰ বাবে শৈশৰ বা কৈশোৰত যথেষ্ট সংগ্ৰাম কৰিব লগা হয়। পূৰবীৰো সেয়ে হৈছিল।

গুৱাহাটীত অনুস্থিত আন্তঃ ৰাজ্যিক সংগীত সন্মিলনীত যোগদানৰ বাবে অহা এখন অখ্যাত গাঁৱৰ পূৰবীক ৰাজীৱে লগ পাইছিল পূৰবীৰ সম্পৰ্কীয় ককায়েক জয়ন্তৰ জৰিয়তে।

সেই যে প্ৰথম চিনাকী তেতিয়াৰ পৰাই দুয়োৰে মাজত বন্ধুত্বক্ৰমে গাঢ়হৈ উঠিছিল। চিঠিৰ আদান প্ৰদানৰ উপৰিও কলেজ বন্ধ হ'লেই ৰাজীৱ সদায় পলাশগুৰি গাঁৱৰ পূৰবীৰ ঘৰলৈ যোৱা হ'ল। কিবা কাৰণত পূৰবীয়ে গুৱাহাটীলৈ আহিলেও ৰাজীৱক এবাৰ লগ নধৰাকৈ নাথাকিল। পূৰবী-ৰাজীৱৰ সম্বন্ধ আপুনিৰ পৰা এদিন 'তুমি' হ'ল। আৰু এদিন জীৱনৰ বাটত ইজনে আনজনক লগপোৱাৰ মুহূৰ্তটো যুগমীয়া কৰাৰ বাবে দুয়ো এদিন প্ৰতিশ্ৰুতিবদ্ধ হ'ল। দুচকুত কল্পনাৰ ৰঙীন বিতচকু পিন্ধি দুয়ো ভৱিষ্যত বুকুত বান্ধি দুয়ো কল্পনাৰ ৰঙীন পথেদি আগবাঢ়িল।

সময়ৰ বুকুয়েদি দিন, মাহ, বছৰবোৰ বাগৰি গ'ল। পদাৰ্থ বিজ্ঞানত সন্মান সহকাৰে ৰাজীৱে এদিন বি, এছ, ছি, পাছ কৰিলে।

পলাশগুৰিত সেই খবৰ পাই পূৰবীয়ে আনন্দত আত্মহাৰা হ'ল। তাই ভাবিলে ৰাজীৱে এতিয়া এটা ভাল চাকৰি কৰিব। সিহঁতৰ বিয়া হ'ব। মৰমৰ স্বাক্ষৰ হিচাপে সিহঁতৰ সংসাৰলৈ কোনোৱা নতুন অতিথি আহিব। ইত্যাদি ভাৱত তাই উটি ভাঁহি গ'ল।

কিন্তু সিহঁতৰ আশাবোৰ ক্ৰমে বালি ঘৰলৈ ৰূপান্তৰিত হ'ল— যেতিয়া পাচ পছৰেও ৰাজীৱে এটা চাকৰি যোগাৰ কৰিব নোৱাৰিলে বিজ্ঞানৰ এজন সন্মানৰ স্নাতক হৈয়ো।

ৰাজীৱে চাকৰি বিচাৰি বিচাৰি এদিন ভাগৰি পৰিল। "জানা পূৰবী এইদৰে কিমান দিন থাকিম। মই ভবাই নাছিলো অনাৰ্ছত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লৈ বি, এছ, ছি পাছ কৰি এইদৰে বছৰৰ পিছত বছৰ নিবনুৱা হৈ বহি থাকিব লাগিব। মই জানো মোৰ মেৰিট আছে; কিন্তু টকা নাই। বৰ্তমান মেৰিটক কোনেও গুৰুত্ব নিদিয়ে। এই বিলাকৰ অৱসান ঘটোৱাৰ বাবে দেশ জোৰা এটা প্ৰচণ্ড বিপ্লৱৰ বৰ প্ৰয়োজন হৈছে।"

ঃ ৰাজীৱ এইদৰে ইমান ভাগৰি পৰিলে নহ'ব। চাকৰি নহ'লে কিবা এটা ব্যৱসায় হলেওতো কৰিব লাগিব।

ঃ মোক সান্ত্বনা দিবলৈ চেষ্টা নকৰিবা পূৰবী। ব্যৱসায় কৰিবলৈ হ'লে বহু টকাৰ প্ৰয়োজন। উপদেশ দিয়া মানুহ এইখন সমাজত বহু আছে। ব্যৱসায়টো মুখেৰে কৰিব নোৱাৰি। টকাৰ প্ৰয়োজন, বহু টকাৰ প্ৰয়োজন। গুৱাহাটীৰ ফুট পাথৰ কাষত এখন দোকান খোলাৰ বাবে এটা ৰুম পাবলৈ হ'লে এক ডেৰ লাখ টকা এডভাঞ্চ দিব লাগে। মই ক'ত পাম ইমান টকা। এইখন দেশত তুমি কি আশা কৰিব পাৰা? আজিৰ আইন কানুন ধনী মানুহৰ হাতত। ৰাজনৈতিকৰ হাতত। চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে, সমাজৰ দুৰ্নীতিৰ বিৰুদ্ধে মাতমতা সাংবাদিকৰ হাতত হেণ্ডকাফ্ লাগে; কিন্তু ৰাইজৰ কোটি কোটি টকা আত্মসাৎ কৰা ৰাজনৈতিক নেতাৰ, সমাজৰ ডাঙৰ লোকৰ হাতত হেণ্ডকাফ্ কিয় নালাগে?"

ঃ তোমালোকৰ দৰে নিৰাশাত ভোগা এমুঠি যুৱকে সু-বৃহৎ বাহিনী এটাৰ লগত যুজি কেতিয়াও তোমালোকে বিচৰা অসম পাব নোৱাৰা। পাৰিবা অৰ্থনৈতিক ভাবে স্বাৱলম্বী হ'ব? তোমালোকেই অসমৰ বাবে জন সাধাৰণৰ সম্পূৰ্ণ সহায় সহযোগিতা বিচাৰিব লাগিব। তাৰ কাৰণে তোমালোকৰ উদ্দেশ্য জনগণৰ আগত বিশ্লেষণ কৰি তেওঁলোকৰ সহযোগিতা বিচাৰিব লাগিব। অন্যথাই অসম্ভৱ ৰাজীৱ।

ঃ পূৰবী তুমি পাহৰি গৈছা যে ভিয়েটনামৰ দৰে এখন ক্ষুদ্ৰ ৰাষ্ট্ৰই পৃথিৱীৰ এটা বৃহৎ শক্তি আমেৰিকাৰ কি অৱস্থা কৰিছিল।

ঃ অসম ভিয়েটনাম নহয় ৰাজীৱ। ভিয়েটনামৰ সাম্ৰাজ্যবাদী শোষক আমেৰিকাৰ পৰা ৰক্ষা কৰিবলৈ ভিয়েটনামী নাৰীয়ে হাতত অস্ত্ৰ তুলি লৈছিল। তেওঁলোকৰ পিছত আছিল এক অন্য শক্তি নহয়? এইটো আছিল ৰাজীৱ পূৰৱীৰ পলাশগুৰি গাঁৱৰ ঘৰৰ বাকযুদ্ধ।

ৰাজীৱ গুৱাহাটীত আহি এদিন হঠাৎ নোহোৱা হ'ল। ঘৰৰ সকলোৱে আত্মীয়স্বজনে বহুত বিচাৰ খোচাৰ কৰিও নাপালে। পূৰবীয়ে ৰাজীৱৰ চিন্তাত অস্থিৰ হৈ পৰিল।

কিন্তু এদিন আবোলি পিয়নটোৱে তাইলৈ কঢ়িয়াই অনা চিঠিখনে তাইক সান্ত্বনা দিলে। ৰাজীৱেই তাইলৈ সংগঠনত যোগদিয়াৰ কথা আৰু প্ৰশিক্ষণৰ বাবে বিশেষ ঠাইলৈ যোৱাৰ কথা লিখিছিল। "দেশৰ বাবে, জাতিৰ বাবে প্ৰাণ দিব পৰাত জীৱনৰ সাৰ্থকতা আছে।" ৰাজীৱৰ এই শাৰীটো পঢ়ি তাই পুলকিত হৈ পৰিছিল।

তাই ভাবিলে সঁচাই স্বদেশ, স্বজাতি, নিজৰ ভাষা, সাহিত্য, সংস্কৃতিক প্ৰাণেৰে ভালপোৱা জনেহে স্বাদেশৰ বাবে, নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ দিব পাৰে।

কেইবাটাও বছৰ সময়ৰ বুকুত হেৰাই গৈছিল। কিন্তু পূৰবীয়ে ভবাৰ দৰে কাম নহ'ল। এদিন প্ৰতিবাদী কণ্ঠৰ আৰ্তনাদ নিস্তব্ধ হৈ পৰিল।

ভাতৃঘাতী সংঘাতত সিহঁত লিপ্ত হ'ল। অনৈক্যৰ ফলত সিহঁত দুৰ্বল হৈ পৰিল। বৈষয়িক সুখ সম্ভোগে সিহঁতক মূল লক্ষ্যৰ পৰা বিচ্যুত ঘটালে।

এদিন ঘোৰ বিপ্লৱী, ছদ্মবেশী দেশ প্ৰেমিক ৰাজীৱ এদিন প্ৰচুৰ ধন সম্পত্তি ঘটি পূৰবীৰ ওচৰলৈ ঘুৰি আহিল, উদ্দেশ্য পূৰবীক লৈ এখন সুন্দৰ সংসাৰ গঢ়া অতীতত দেখা সুন্দৰ সপোনবোৰ বাস্তৱত পৰিণত কৰা। .................. কিন্তু পূৰবী?

যিজনী পূৰবীয়ে কঠোৰ সংগ্ৰাম কৰি জীয়াই আছিল; ৰাজীৱক অন্তৰৰ পৰা ভাল পাই যুগ্ম জীৱনৰ

সপোন দেখিছিল, সেইটো ৰাজীৱৰ প্ৰতি আজি পূৰবীৰ ঘৃণা উপজিল।

যিটো ৰাজীৱে ভাতৃঘাতী সংঘৰ্ষত লিপ্ত হ'ব পাৰে, জাতিক, সতীৰ্থক প্ৰৱঞ্চনা কৰিব পাৰে। সেইটো ৰাজীৱেই তাইক যে এদিন বিশ্বাসঘাটকতা নকৰিব তাৰেই বা কি নিশ্চয়তা আছে?

পৃথিৱীয়ে কেতিয়াও নভবা অথচ সময়ে সময়ে ভাবিবলৈ বাধ্য কৰা আৰু সেইমতে দৃঢ় সিদ্ধান্তটোত অচল অটল হৈ থকাৰ বাবে তাই আজি দৃঢ় প্ৰতিজ্ঞ। পৃথিৱীৰ কোনো শক্তিয়ে ৰাজীৱৰ দৰে এটা বিশ্বাসঘাটকৰ বিৰুদ্ধে লোৱা সিদ্ধান্তৰ পৰা তাইক লৰচৰ কৰিব নোৱাৰে।

পূৰবীয়ে কথাবোৰ ভাবি ভাবি একে থৰে চাই ৰ'ল দূৰ দিগন্তলৈ।

তাই কব নোৱাৰাকৈয়ে পলাশগুৰিৰ বুকুলৈ সন্ধ্যা নামি আহিল।

এন্ধাৰৰ বুকুত উৰি ফুৰা জোনাকী পৰুৱাকেইটাই তাইৰ তন্ময়তা ভাঙি দিলে। তাই কব নোৱাৰাকৈয়ে দুচকুৰেদি দুধাৰ চকুলো বৈ আহিল।

●●●

---

# -- বাণী --

*প্ৰশংসা অৰ্জন কৰাতকৈ নিন্দা পৰিহাৰ কৰি চলা কামটো বেছি টান। এটা যুগৰ ভিতৰত মাত্ৰ এটা সৎ বা মহৎ কাম কৰিয়েই প্ৰশংসাৰ পাত্ৰ হ'ব পাৰি। কিন্তু নিন্দা পৰিহাৰ কৰি চলিবলৈ হ'লে এজন মানুহে গোটেই জীৱন ধৰি এটাও বেয়া কাম নকৰিবলৈ বা এষাৰো ভুল কথা নক'বলৈ প্ৰতি মুহূৰ্ত্ততে সচেষ্ট হৈ থাকিব লাগিব।*

– ডেভিদ হিউম।

*শিল্পী হোৱাৰ যন্ত্ৰণা সহ্য কৰিব পৰাটো কেৱল তেনে মানুহৰ পক্ষেহে সম্ভৱ - - যি মানুহে শিল্পীৰ সহজাত প্ৰতিভা লৈ জন্মগ্ৰহণ কৰিছে।*

– কঁটেছ ডায়েন।

*এটা প্ৰকৃত মূল্যৱান কাম কৰিবৰ কাৰণে মানুহে কি মূল্য দিব লগা হয়? দিব লগা হয় নিজৰ জীৱন। তেনেহ'লে এটা মূল্যৱান কাম কৰি শেষ কৰাৰ পিছত আন কিবা কামলৈ জীৱনৰ কিবা অৱশিষ্ট থাকেনে?*

– থৰো।

# জ্যোতিষী



ভানুপ্ৰিয়া ৰাভা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

ৰাতিপুৱা টং টং কৈ ছাত্ৰীবাসৰ বেলটো বাজি উঠিল। সকলোৱে খৰধৰকৈ উঠি নিজৰ নিজৰ কাপবোৰ লৈ ৰান্ধনি ঘৰলৈ দৌৰ দিলে; কিন্তু নীহাৰিকা নগ'ল। গাটো ভাল নলগাৰ বাবে, ৰূমমেট ভায়োলীনাই চাহখিনি আনি থৈ দিলে। খাবলৈ কৈ ভায়োলীনাই নিজৰ কৰ্ত্তব্যত মনোনিৱেশ কৰিলে।

নীহাৰিকাই নুঠে হে নুঠে; বাগৰ সলাই এনেই উহ্-আহ্ কৰি থাকোতে আঠ বাজিবৰ হ'ল।

ঃ নেহা, ভায়োলীনাই মাতিলে।

ঃ ঐ........... উঠিছো নহয়; ইমান কিহৰ?

ঃ কেতিয়া উঠিবা আঠ বাজিবৰ হ'ল; ক্লাচলৈ যাবি নে নাই। আজি নো কি ডাল হ'ল এনেকৈ। অ' নে কিবা.............!

ঃ লীনা, আজি মই ক্লাচলৈ নাযাও হা। তই যা।

ঃ কিয়?

ঃ এনেই।

এনেতে ভায়োনীনাই ন বজাৰ লগে লগে ব'টানিৰ ক্লাচ কৰিবলৈ ওলাই গ'ল। লগতে নীহাৰিকাক এৰি থৈ ইতি, দুহিতা ৰিক্তিকা কৰিনাহঁতেও ক্লাচলৈ ওলাই গ'ল। আটাইকেইজনী বান্ধবী এৰি থৈ গ'ল যেতিয়া তাই পৰম সুখ পালে; কাৰণ গালিৰ গধুৰ বোজাতো পাতলি গ'ল।

সন্ধিয়া সিহঁতে আটায়ে পাৰ্কলৈ গ'ল। কাৰণ হোষ্টেল বন্ধ আছিল পূজাৰ বাবে; সিহঁত কেইজনী স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী বাবে ঘৰলৈ নগৈ হোষ্টেলতে থাকি গৈছে পঢ়িব লাগে বুলি; কিন্তু নীহাৰিকা ফুৰিব নগ'ল। কাৰণ ভায়োলীনাহঁতৰ সংগ তাইৰ সমূলি ভাল নালাগে। তাহাঁতৰ কথা ভাবিলে তাইৰ হিংসা লাগে; তাই ভায়োলীনাহঁতৰ দৰে আনৰ লগত মিলাপ্ৰীতি কৰিব নোৱাৰে। মিলাপ্ৰীতিৰ কথা ভাবিলে তাইৰ বেছিহে খং উঠি যায়।

এই কেইদিন অৱশ্যে নীহাৰিকাৰ মনটো অলপ ফৰকাল যেন দেখা গৈছে। কাৰণ আকাশ অহাৰ কথা আছে। আজি দেওবাৰ। ছাত্ৰীবাস সকলোৱে বাবে মুকলি; নীহাৰিকাৰ অন্তৰঙ্গ বান্ধবী দুহিতা ইতিহঁতে আজি এখন চিনেমা চোৱাৰ পৰিকল্পনা কৰিলে ৰাতিপুৱাৰ ভাগতে।

ঃ ভায়োলীনাই মাতিলে। নেহা তই নাযাৱ কিয়?

ঃ নেহা তোৰ এইকেইদিন কি হৈছে আমাৰ লগত ভালকৈ কথা নাপাত, ফুৰিবলেও নাযাৱ কিবা বেমাৰ-আজাৰ হৈছে নেকি নে আন কিবা? আমাক সমস্যাৰ কথা নকলে জানো তোৰ সমস্যাৰ ওৰ পৰিব।

দুহিতাই ক'লে—।

ঃ ৰিক্তিকাই ক'লে। ঐ ৰ'......... কিমান দিন নকবি জ্যোতিষী মতাই আনিম। সকলো অজ্ঞাত কথা আমাৰ জ্ঞাত হ'ব।

আটাইকেইজনীয়ে একমত হৈ জ্যোতিষী মতাই অনাটোকে ঠিক কৰিলে।

সন্ধিয়া পাঁচ বজাত জ্যোতিষী আহি হাজিৰ হ'ল; সকলোৱে আনন্দত আত্মহাৰা; সিঁহতক

পায় কোনে। কাৰণ নেহাৰ কথা সকলোবোৰ জানিব পাৰিব। প্ৰথমতে আটাইকেইজনীয়ে এজনী এজনীকৈ দেখুৱালে। শেষত নেহাৰ পাল।

নেহাই কোনো পধ্যই নেদেখুৱায় কিন্তু ইতিয়ে জোৰকৈ টানি লৈ আহিল, পিছত আহি তাই হাতখন বাধ্যত পৰি আগবঢ়াই দিলে।

জ্যোতিষীয়ে হাতখন দেখি হতভম্ব হৈ পৰিল আৰু বহুত চিন্তিত হৈ পৰিল।

ঃ আইজনী তুমি ছোৱালী হ'লেও তোমাৰ হাতখন বিধাতাই বৰ বেয়াকৈ সৃষ্টি কৰিছে; এই হাতখন হত্যাকাৰী হাত। এই কেইদিনৰ ভিতৰতে মানুহ হত্যা কৰাৰ সম্ভাৱনাই খুব বেছি।

সকলোৱে বজ্ৰপাত পৰা মানুহৰ দৰে অচল অৱস্থাতে ৰ'ল, পিছত সম্বিত ঘূৰি অহাত ৰিক্তিকাই ক'লে— বাবা........ ইয়াৰ প্ৰতিকাৰ ব্যৱস্থা সোনকালে কৰক, বাবা.........বাবাই ভাবি ক'লে হ'ব আইজনী চিন্তা কৰিব নালাগে; দুই এদিনৰ ভিতৰতে ইয়াৰ ব্যৱস্থা কৰিব লাগিব নহ'লে..............।

ঃ হয় বাবা; নহ'লে আমাৰ মাজৰে কাৰোবাক.........।

নীহাৰিকা বিজ্ঞানৰ ছাত্ৰী। এইবোৰ তন্ত্ৰ মন্ত্ৰৰ কথা সমূলি বিশ্বাসত লব নোৱাৰে। গতিকে তাই কেতিয়াও তাবিজ পৰিধান কৰিব নোৱাৰে।

ঃ পিন্ধাবৰ বাবে সকলোৱে আপ্ৰাণ চেষ্টা কৰি অসফলৰ মাজতে সফলতা লাভ কৰিলে।

আজি মঙ্গলবাৰ সিহঁত আটাইকেইজনী ফুৰিবলৈ ওলাই গৈছে কাৰণ অলপ দেৰিকৈ বাবাই তাবিজ দিবলৈ আহিব। গতিকে সিহঁতে ফুৰিবলৈ গ'ল। কিন্তু নীহাৰিকা নগ'ল কাৰণ আজি প্ৰথম বাৰৰ বাবে আকাশক লগ কৰবৰ বাবে হোষ্টেললৈ আহিব পাঁচ বজাত। গতিকে আকাশে কথা দিয়াৰ দৰে ঘড়ীটোলৈ চাই অস্থিৰতাৰে প্ৰতীক্ষাত থাকিল।

পাঁচ বাজো বাজো নীহাৰিকাৰ মনটো ক্ৰমে উত্তেজিত হ'ব ধৰিলে কাৰণ তাঁহাতৰ এয়াই প্ৰথম লগ পোৱা হ'ব, গতিকে.............. তাইৰ মনটো ক্ৰমে উত্তেজিত হ'বলৈ ধৰিলে।

এফালে হোষ্টেলত এজনী ছাত্ৰীও নাই, মাত্ৰ তাইহে। তাই সন্মুখৰ ৰুমটোতে থাকে। গধূলীয়ে পোহৰক আঁতৰাই পেলোৱাত তাই অন্য পোহৰৰ প্ৰয়োজন অনুভৱ কৰিলে, আৰু নিয়ন বাল্বৰ চুইছত হাত দিয়াৰ লগে লগে লাইটটো জ্বলি উঠিল; বাহিৰত দেখা পালে বগা সাজ পৰিধান কৰি আহিছে তাইৰ মৰমৰ আকাশ। তাক দেখিয়ে তাইৰ মনটো ক্ৰমাৎ উত্ৰাৱল হৈ উঠিল আৰু উন্মাদৰ দৰে দৌৰি গৈ আকাশক সাৱটি ধৰিলে। ক্ৰমান্বয়ে তাই উত্তেজনাক নেওচা দিব নোৱাৰি আপোন পাহৰা হৈ পৰিল। নিমিষতে কি কৰিব ধৰিলে তাই একোকে গম নাপালে। অৱশেষত আকাশ ভাগৰি পৰিল।

ছয় বজাৰ লগে লগে সকলোৱে হোষ্টেলত সোমাল, কাৰণ সিহঁতৰ নীহাৰিকাক ভৱিষ্যৎবাণী কৰা বাবাজন আজি তাবিজ দিবলৈ আহিব। সেয়ে সকলোজনী দহ মিনিট আগতে হাজিৰ হৈছেহি।

সিহঁতে খুব বেগাই আহিল। আহিয়েই নীহাৰিকাক মাত লগাব খোজাৰ লগে লগে দেখিলে তেজৰ ৰঙা নদীৰ মাজত উপঙি আছে এক ৰক্তাক্ত মৃতদেহ।

ঃ এয়া কি............?

ঃ আকাশ নে জ্যোতিষী? কৰিণাই ক'লে......।

ঃ জ্যোতিষী.............. ইতিয়ে জোৰকৈ চিঞৰি ক'লে.........।

নেহা তই এয়া কি কৰিলি, তোৰ ভৱিষ্যৎবাণী কৰা জ্যোতিষী জনক তই................

নেহাই তিল তিলীয়া ৰঙা চকু দুটালৈ বহি আছে যেন মুহূৰ্ত্তত আৰু এজনীক হত্যা কৰিব।

ঃ এই জ্যোতিষীজনে, আনৰ জীৱনৰ সকলো কথা কৈ দিব পাৰে কিন্তু তাৰ যে মৃত্যু আজি নেহাৰ হাততে আছিল। সি নিজে নাজানিলে কিয়?

—ভায়োলীনাই লাহেকৈ ক'লে। ●●●



# প্ৰতিশ্ৰুতি

ব্ৰজেন ৰায়
স্নাতক ২য় বৰ্ষ

টল টং.....টল টং। ডাঃ অবনী তালুকদাৰৰ কলিং বেলটো বাজি উঠিল। শীত কালৰ কাঁহিলী পুৱা। বাহিৰত ৰাতিপুৱাৰ ৰাঙলি আভা খিনি ঘন কুঁৱলীয়ে আৱৰি ৰাখিছে।

It is rememberable that all kinds of environmental pollution are caused by men, though men and environment are related deeply.

We have known that if environment is unbalanced there will be earthquakes, An earthquakes shock may be due to a variety of reasons. It may be caused by a hidden segment of the earth's crust bearing away from original position.

Forest are the part of the human civilization. Forests can protect over soil from erosion. At least 33% of country's entire territory are occupied by forests. But the forest resources are being depleted every year.

The world's oceans are also being polluted because of rempant oil extraction and carelessness of oil treansport system. Another hazard in the modern world is the waste of atomic plants. The toxic and radioactive substances are being dumped into the sea. Nobody knows how harmful these may be.

## 4. CONCLUSION :

The normal eco-system between man and environment must be restored if we want to save mankind from diseases, illhealth, lack of nutrition and ultimate destruction. Too many factories, too many gurbages, too much crowding, too much smoke and noise and rampant felling of trees contribute to environmental pollution and loss of ecological balance.

Whatever tells on nerves is bad for man. Racial hatred, religious fanaficism, gangsterism, violence - all these are also pollutions. A corrupt society will breed corruption always. We have to purify society and its environmetn at any cost ...

Why we should care : If countries around the world do not reduce emissions of greenhouse gases by the end of the next century.

Temperatures will have increased between 1 and 3.5 degrees Celsious, depending on population and economic growth.

Sea level will be 15 to 90 centimeters higher than now, with the best estimate being 50 cm, threatening 92 million people each year with floods by the year 2100.

Mortality and illness will have risen as the intensity and duration of heat waves increased and as the tropical habitat of mosquitoes that carry malaria and dengue fever crept northward.

Rainfall will have decreased in some tropical and subtropical areas and increased in others, significantly reducing food crops in developing contries as a whole.

*N.B. : The another presented this article as a participant in the UGC sponsored Refresher Course for Teachers on "Environmental Inspact Assessment" conducted by Sivatosh Mookherjee Science Centre, Calcutta-25 (Asutosh Mukherjee Memorial Institute) held on 31 May-21 june, 1997.* ■



শ্ৰীনৱদ্বীপ খাখোলাৰী
*শ্ৰেষ্ঠ শৰীৰ চৰ্চ্চাবিদ*
*মিঃ দুধনৈ সন্মান বিজিত '৯৮'*



কল্পনা বাভা (৫০ কেজি)
*শ্ৰেষ্ঠা ভাৰউত্তোলক*
*এওঁ ৯০ কেজি ডাঙিবলৈ সক্ষম হয়*



মিছ পৱিত্ৰা শৰ্ম্মা
*যাৰ নৃত্যই সকলোকে আপ্লুত কৰিছিল*



শ্ৰীপ্ৰতুল ৰয়
*শ্ৰেষ্ঠ অভিনেতা '৯৮'*
*নাটক ঃ নতুন দিগন্ত*



শ্ৰীমহাবীৰ বাভা
*সহঃ শ্ৰেষ্ঠ অভিনেতা*
*মহাবিদ্যালয় সপ্তাহ '৯৮'*



মিছ মনিকা ঠাকুৰীয়া
*শ্ৰেষ্ঠা অভিনেত্ৰী '৯৮'*
*নাটক ঃ নতুন দিগন্ত*



শ্ৰীঅক্ষয় কলিতা স্নাতক ৩য় বৰ্ষ (কলা)
শ্ৰেষ্ঠ পৰিচালক '৯৮' মহাবিদ্যালয় সপ্তাহ
নাটক 'নতুন দিগন্ত' লিখক শ্ৰীঅক্ষয় কলিতা



মিছ কৰবি কলিতা স্নাতক ৩য় বৰ্ষ (কলা)
'৯৮' আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা ও
হাকিম চন্দ্ৰ বাভা সোঁৱৰণী বঁটা বিজেতা



ভাস্কৰ বাভা (৬০)
দুধনৈ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ভাৰউত্তোলক
(৭৫ কেজি)

# A Bit of Kindness, A Bit Reward

Jashwanta Khakhalary
T.D.C. II year

"Tomorrow we're going for a day by the sea, OH! by the Sea" sang the girls. "The coach will be at town hall at ten O'Clock" Said Miss Williams, "And will be waiting for only ten minutes, be very punctual."

The next day all were up early and had their morning course. "I'm too to mother's shopping now," said Alice to Millie who was reading in her garden "Wait, for me, won't u'? I'll be soon, as I can." "I'll wait for'u," promised Millie. "But don't be late for goodness sake!"



Alice had a lot of shopping, she went to the grocer's, then to baker's and to the green grocer's half past nine. She hurried home and handed over the shopping to her mother, then she went upstairs to get ready for the day. "Do come, Alice. It's five to ten! I shoun't wait for you." "Coming!" cried Alice. She dressed quickly fetehed her hat and came down stairs, kissed her mother and then bidding goodbye went out with Millie. As they were down on the street, saw a boy came round on a bicycle. Suddently, the front wheel of the bicycle fell on a side gutter. The boy fell down with a crashing sound, and the bicycle fell on top of him.

He was about Alice's age, but she didn't know him, she began to pick up the spilt things. Millie wouldn't help. "I can't leave him till he can stand up properly and wheel his bike", said Alice anxciously. "You go on, Millier, and just tell Miss William I'll be along in a minute. Don't let the coach go without me." Millie tore round the corner down to the town Hall. Thank goodness, the coach was still there. Miss William was standing anxiously for Millie and Ilice. "Where's Alice?" said she, "Oh, she is missing about round the corner!" said Millie unkindly. "She just won't be quick I did tell her we'd be late and lift her behind." "I'll wait one more minute, and then we'll go" said Miss William angergly.

Alice helped him to his feet. He seemed letter. All his things were soon back in basket. His bicycle couldn't be ridden and have to wheel it home. "U' sit on over there for a few inutes before U' Wheel u'r like home," said-- Alice, "I'm sorry, I can't stay and see u' home very sorry, but u'see, the coach won't stop longer than ten minutes past ten."

She hurried round the corner to the Town Hall, and he looked after her thinking what a kind girl she was. Was it not nice to find some one kind when u'were hurt and dizzy? "Kindness is one of the best things in the world." Anxiously she neared the Town Hall but no coach was waiting for her! It had gone! It hadn't waited. Just because she had stopped to be kind, she had missed a lovely day by the sea. Millie, who hadn't been kind at all, had caught the coach.

She turned to go home, gave a little sob and full of tears on her eyes. She had forgotten about

him who was sitting by the wall. He saw her in surprise. "Hi!" he called "What's the matter? Come over here and tell me." So she told everything to him and now. It's his turned to comfort poor Alice. She missed the coach because of him.

"I can go home with u' now, and wheel u'r bicycle, if u' like," said Alice, wiping her eyes. "U' look rather pale, and U'ought to have u'r head fatheal, come along." He live in a lovely house about 3 streets away. His mother was in the garden, and came running to meet him. "What have u'done Donald? Oh u'r poor head. What has he alone girl?"

Alice told her everything. Then Donald told his mother how Alice helped her. She was very grateful to alice. 'Come along in and have some lemonade". She said "I'll just bath Donald's head, I don't think its realy bad."

While his mother was fathing his head, he told how Alice had missed the coach because of him which was a day by the sea to her. He said, "And all because of me". Donald's mother was thoughtful now. Then she said, "Alice shan't miss her day by the sea!' I'll take u' both in the car, we'll go to u'r Auntie Lou's for the day and have a lovely time! Would u' like that?" "Oh yes!" Donald said. Cheering up at once. "Shall I go and tell Alice? Oh, won't she be pleased!"

Alice could hardly believe her ears. After big disappointment it seemed too good to be true that she was going to have a day by the sea. She thanked Donald's mother shyly and her eyes shone with joy. Then off they went. It was a fast little car and Donald's mother drove well, Alice enjoyed it. She had never been in a car before and it was lovely. "We're going so fast." She said, "Shall we pass the coach that others are in?" "Well they had a good start," said Donald's mother. "We may get there about same time."

As the little car drew up on the sea-front for the both Alice and Donald to look at the blue sea, a big coach drew up too --- and it was the one where Millie was in! "Look! there's Alice!" Cried Millie in amagement. She came down to Alice but Donald didn't welcome her and told his mother about her not helping him, and run off without Alice --- and she didn't even get the coach to wait for Alice.

Millie went red. She know, she was selfish and unkind and arished she had been kind, too! Alice was going to have a lovely day - and going back in a car! She went back to others still red, and thought herself so silly to stay behind and help.

Alice had a wonderful day with Donald. Donald's Auntie Lou was as kind as his mother, and they four had a picnic on the beach. Alice and Donald had ride on a donkey, and had lovely bath. "Time to go" said Donald's mother watching Alice and thinking what a well mannered, nice girl she was, "Oh! I wish the day won't our! I have so loved it" said Alice, "We'll have more days like this," said Donald's mother. "U' must come to T. with Donald every week. U'll be a nice friend for him - some one who is kind and unselfish. Donald is kind too, so U'll make a good pair!"

They do, and they are very happy together. "U'r bit of kindness, brought u'a big reward" Alice's mother said to her. It certainly did, but I think Alice deserved it. Won't you?

*So that's a little story for you,*
*And for me some rolls and some honey too!*
*The tale ends here, and the more fool he,*
*Who thought it all true and listened to me!*

# TALKING CULTURE

## *The Evolution of Human Speech*

Kalyan Baruah

How human beings can be distinguished from other animals? The question sounds very simple and drolling. Of course you have a ready reply : It is the variant sizes and froms of individuals, or if you pretend to be more "scientific" you may point out to the complexity of the human brain or perhaps the mode of locomotion or social interaction which constitute human culture. Well, there is no single all encompassing response to the question. But it is certainly the capacity for rapid articulation of speech which is the most prominent among all distinguishing characters between man and other animals.



One may argue that there are other animals (e.g. anthropid apes and porpoise) who use some sort of speech for intra-species communication. Anthropologsts linguists and other scientists have pointed out that these are not real speech but pseduo language in which the sounds are sponteneous or instinctive. On the other hand the human speech or a true language is acquired or learned. It is consisdered as the vehicle of human culture. What is the mechanism in human anatomy which creates this extra-ordinary vehicle, carrying human culture for eons? In the evolutionary process when man because human by acquiring this most human of human quality? These questions are intrigreing the scientists for a long time. In search of answer, they are gathering bit by bit, every paleontological and archaelogical evidences, arranging them as done in a jigsaw puzzle to find a clear picture when human crossed the "vocal threshold' leaving behind greents and growls of animals to produce mellifluous tones of a Lata Mangeshkar or a Bhupen Hazarika.

I searched for an answer to these questions within the limits of anthropological literatures.

Before diseribing the evolution fo human speech, delineation on the mechanism of vocal sound is pre-requisite. The vocal tract which produces sound is consituted by several components : the larynx, pharynx, tongue and related structure (e.g. Plate, mandible, museles, etc.) The larynx is the "voice box" and situated high up in the neck. This high position allows the larynx to lock into the naso-pharynx, and air space near the "back-door" of the nasal cavity. The pharynx is situated above the larynx. It is an air cavity surrounded by museles and membranes participating in the modulation of sounds. In a majority of mammals the larynx is located at an extrenely high position in the neck. It thus, manifests a very small supralaryngel portion of pharynx. Consequently, this small pharyngeal space has a minimal capacity to modify sounds produced by vocal cords (pilica vocalis) of the larynx. Thus, animals are limited to the use of the inteplay of the oral cavity and the lips to modify sounds they emit. These animals are anatomically incapable of producing the whole range of sounds necessary for complete articulate speech.

Let us leaf through paleoneurological (a branch of anthropology which deals in the brain of fossil man) literature to see when our ancestors developed the system of articulate speech. What is there in the paleoneurological literature ? The paleoneurologists attenpting to reconstruct the brain of our ancestors from fossil remains have thrown some light on the evolution of speech. These scientists use endoeasts (natural casts formed within brain case) to get an impression left in the skull's interior by the brain as an indication to evaluate the size and the position of specific area of our ancestores' brain which regulate speech. It is to be noted that the brain is the controlling force

of all activities in animal, including the capacity to think and speak. It is also to be noted that the size of the brain in isolation is not an indicatorof its power. But it is brain-to-body ratio which is mostimportant. For instance, think of an elephant which has a "big brain" and a man with a small brain" riding on it. The human brain is about 1:50 of the entire body weight while that of a gorilla, an anthropoid ape, nearest to man in the animal kingdom, varies from 1:150 to 1:200 Evidently, man's intelligence is intimately related to his possession of a large neopallium, the cortex of whiele is intrieately folded and wrinkled in order to afford the maximum nervous surface area. It has various parts and each part is responsible for certain type of activity in an animal. The "Third inferior frontal lobe" of it is responsible for human speech by regulating the vocal cords. The paleo neurologists tried to track this area from the endoeasts of our fossil ancestors. But their investigation could not throw enocagle light on it. Recently, the scientists have developed a new methodological approach to demystefy the old mystery. They call the neco method as paleolaryngology which uses data from comparative anatomy, and fossil records to reconstitute the component of vocal tract of our ancestors.

In course of human evolution, Australopithecus (an early from the Hominoid) apeared on earth about 4 million to 1.5 million years ago, This early man had a cranial capacity of 550-700 c.c. It is followed by Homoerectus and this breed of early man roamed around the earth till 300,000 or 400,000 B.C. It had a eranial capacity of 900-1225 c.c. Both of our ancestors occupy a very significant place in the course of the human evolution. australopithecus (from Latin "austrcal" for South Africa in 1924 by Raymond Dart and became the centre of attention of paleoanthropologists (a branch of anthropology which deals in fossils). Later on many skeletal remains of the kind were discovered in Kenya, Tanzania and South Africa. On the basis of their skeletons and skulls, scientists elaim that it had earct posture with bipedel locomotion. The brain of Australopithecus was slightly larger than the apes (viz. Gorilla, Orang-utang, Chimpanzee and Gibbon). Many of the skulls of Australopituecus were fossilized in remarkably intact state. An analysis of these specimens has shown that this early ancestor of man possessed a larynx situated ligh in the throat. Therefore, paleolaryngologists concluded that the Australopithecus had a vocal tract similar to the monkey and ape. The high position of the larynx prevented them from producing certain sounds found in human speech. These primitive hominids were definitely using a set of sings, perhaps slightly more advanced than those of gorilla and chimpanzes, but they most certainly could not speak the way we do today.

The new breed of scientists continued their search to track down the "vocal threshold' of man. After australopithecus they focussed their attention on Homo erectus which yeld some informations that arouse their curiosity. This primitive man was more widespread than Australopitwes. Skeletal remains of Homo erectus were collected from Lake Turkna in Kenya, Sangiram in Java and the choukutien grottos in China. The Chinese remains are popularly nown as "Peking man". Evidences confirms that Homo erectus had a larger brain that the Australopithecus and possesed number of traits similar to us. The larynx has started to desened in Homo erectus and situated at a much doconward position in the neck. This indicate that the Homo erectus have enlarged pharyngel area necessary for modification of sound produced by the larynx. Thus the most important evolutionary change in the vocal tract have taken place one and half a million years ago. The paleolaryngologists confirmed that most certainly Homo erectus could not speak like we do but it was an intermediary stage between modern man (Homo sapiens) and their aucestors.

The relentless search for the vocal threshold continued. Finally, the scientists concluded that a fully developed vocal tract was evoled in between 300 to 400,000 year ago in man with the arrival of the Homo sapiens.

It is not only the turning point of biological evolution but also a turning point in cultural evolution of man. And thus, the vehicle of man's culture, the most human of human qualities was born. ■

# Environmental Degradation :
## *A Global Issue*

Hem Ch. Kalita, M.Sc. M. Phil, LL.B.
Deptt. of Geography, Dudhnoi College

Environmental Degradation is a World-wide phenomenon. The earth appeared 4.5 bellion years back and new it is carring burden of about 5000 million ever increasing population. The surface area of the earths is 510 m.sq.km. out of which 148 m.sq.km (29%) is land surface and 362 m.sq.km. is water bodies. The living being came into existence 200 million yrs back and human being first appeared just 1 million years back. Though the impact of environmental degradation was about nil at the begining, since then, this impact as grown with ever increasing and acceleration effect. Now the problem of pollution has became a real threat to the existence of mankind as well as other living creatures. Environment decay has now affected every person in a dangerous manner. When we think of environment usually the things that come to our mind are air, water, soil, wild life, forest bird animal and fish. These constitute the physical attributes of environmental. But the term environment is not complete unless we add social and human parameters viz human welfare, social justice, health, education and culture. But new world environment is suffering treamendously from the consequences of man's own action. The ever increasing population browing human manace and abrupt use of scientific know-how polluting air, water and soil of the earth. Here an attempt has ben made to high light the causes of degradation of physical environment with reference to air water and soil.



Air Polution : All countries have their own geographical boundary and population. But there is no any boundary of air. Nobody can stop the motion of air and no one can comple it to blow according to his own will so, when air of a particular country is polluted, the rest of the world will race its consequences.

Now a days air is polluted mostly by developed and developing countries through Industries. More over motor vehicle is also poluting a considerable amoot of air. Air pollution by different kind of explosive tests, fridge, air conditioner and cosmatic spray are also of high magnitude. The percentage of clorine, flourine and carbondioxide are increasing in the atmosphere. Now the percentage of carbon gas has increased upto 25-30% in the atmosphere and the day is not far when the temperature of atmosphere will increase about $2^0$-$4^0$C and ice of aretic and Antertic will start melting and most of the land surface will be submerged by water. Scientists have estimated it to happen which in 100 years.

Another effect of air polution is the Ozon-hole. Above 30 KM from the surface of the earth, there is an ozon layer in the streetosphere. This layer protects ultraviolet rays and prevent it from falling on the earth. But if C.F.C. increases the ozone layer will not be able to prevent ultraviolet rays and these rays will be very dangerous to the living being of the surace of the earth.

Watr Polution : Water is precious for all kind of living being. Without water no life can exist-water of most of the rivers are poluted by the industrial affluents. In most of the developing countries, industrial waste are discharged in the river water without scientific treatment. Fertilizers presticides

and insecticides used for agricultural purpose also polute water significantly.

Water of deep seas are poluted by develop and developing countries by neculear explosion, chemical tests and other scientific tests.



**Destruction of land surface :** Land covers only 29% of total surface area of the earth which constitute plain, grateau and mountain including desert. Out of these only a small portion of land is fit for human habitation. So all of us should take care to protect this land surface. Mountain pleatna and forest are destroyed and used for habitation to accomodate ever increasing load of population. Natural echo-system is destroyed. Flood occur every time due to abrupt cutting of trees and earth, soil erosion has threatend the existence of land mass and otherway situation in rivers have threatend the existence of rivers.



**Sound Pollution :** The piercing sound that we hear from automobiles, Jet air crafts and other machines may damaged our ears permonently. These are all related with environmental degradation in broad terms.

**Conclusion :** From the foregoing discussion it is crystal clear that the earth is facing tremendous injury because of environmental degradation. Hence, the topic deserves intensive study and extensive speculation to evolve a common method of solution as a particular country can not stop it alone. It is the need of time that a global organisation should come forward to work under a common shade to protect our environment as well as our future. ■

# JOKES



Boys Team : Hello ! Young sistern, What is your good name please?

Young Sister : Non-sense.

Boys team : Right, your good name is Non Sense. What is your title then ?

Young sister : Bloody

Boys team : Your good name is Non-sense Bloody. Bah! What a Sweet name and title you have.

-- **Gautamani Rabha**
TDC. 1st Year (Arts)

# ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ পাতনিতে, যিসকল বীৰ-বীৰঙ্গণাই অসমী আইৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে সেইসকল শ্বহীদলৈ মোৰ সহস্ৰ প্ৰাম। আৰু যিসকল ব্যক্তি, দেশ-মাতৃৰ বাবে সেৱা আগবঢ়াই আছে, সেই সকলোলৈও মোৰ অন্তৰভৰা শুভ-কামনা থাকিল।

আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বত্ৰ বিৰাজ কৰিছে, নানান সমস্যা, হত্যা, ভাতৃঘাতী সংঘৰ্ষ আৰু এক অনিশ্চয়তা। ইয়াৰ মাজতেই অঞ্চলটোৰ শিক্ষাৰ্থীসকলে নিজৰ জীৱন গঢ়ি তুলিব লগা হৈছে। এনে প্ৰতিকূল পৰিৱেশৰ মাজতে আমাৰ সকলো স্বপ্ন থানবান হৈ যোৱাৰ সম্ভাৱনাই অধিক। কিন্তু, আমাৰ শিক্ষাৰ্থীসকল, সতীৰ্থসকল উক্ত এনে পৰিস্থিতিতো যাতে ভাগি নপৰে তাৰ বাবে মই উদ্যত আহবান জনাওঁ।

যিয়েই নহওঁক, দুধনৈ অসমৰ পশ্চিম প্ৰান্তৰ এখনি সৰু ঠাই। অঞ্চলটোত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হিচাবে দুধনৈ মহাবিদ্যালয়খন গঢ়ি উঠিছে। যত মোক স্থানীয় ছাত্ৰ-ছাত্ৰীৰ বাহিৰে দূৰ-দূৰণিৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়েও ইয়াত পঢ়িবলৈ আহে। এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় এখনৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ ভাবিছিলো-- ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা দীৰ্ঘদিন ধৰি সন্মুখীন হোৱা ইয়াৰ সমস্যাসমূহ সমাধা কৰিম। কিন্তু আপেক্ষিক কম সময় আৰু বিভিন্ন কাৰণত সেইবোৰ সম্পূৰ্ণভাৱে সমাধান কৰিব পৰা নগ'ল। মোৰ কাৰ্য্যকালতেই ইয়াৰ ৰূপালী জয়ন্তী উদ্‌যাপন কৰিবলৈ মানস কৰিছিলো, কিন্তু মহাবিদ্যালয় পৰিচালনা কমিটি আজিলৈ গঠন নোহোৱাত ইয়াক উদ্‌যাপন কৰিব পৰা নগ'ল। আশা কৰো অদূৰ ভৱিষতে, মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন হওঁক, এৰি অহা দিনবোৰ ৰোমন্থন কৰি অঞ্চলটোৰ বাইজে............ শিক্ষক-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট ব্যক্তিসকলে দুধনৈ মহাবিদ্যালয়খনক অধিক আকৰ্ষণীয় কৰি তোলা সময় হওঁক।

যিয়েই নহওঁক, মোৰ কাৰ্য্যকালৰ ভিতৰত পুথিভঁড়ালৰ এটা সংলগ্ন ভৱন আৰু শিক্ষকৰ সংখ্যা বৃদ্ধি আৰু ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ বাৰাণ্ডা আৰু প্ৰস্বাৱ-শৌচাগাৰ আদি নিৰ্মাণ কৰা হয়। তদুপৰি মোৰ কাৰ্য্যকালত মহাবিদ্যালয় প্ৰাঙ্গনত বিদ্যালয় অনুদান আয়োগৰ (U.G.C.) পৃষ্ঠপোষকতাত আৰু আমাৰ মহাবিদ্যালয়ত শিক্ষা বিভাগৰ উদ্যোগত— "গোৱালপাৰা জিলাৰ প্ৰসঙ্গত অসমৰ জনগোষ্ঠীৰ অৰ্থসামাজিক দিশত শিক্ষাৰ প্ৰভাৱ" শীৰ্ষক বিষয়ত যোৱা ১০ জানুৱাৰী '৯৮" এখনি গাম্ভীৰ্য্যপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। তদুপৰি কিছুমান অভাৱ-অভিযোগ পূৰণ কৰিব পৰা নগচল। যেনে—

(১) শিক্ষকৰ অভাৱ।
(২) পুথিভঁড়ালৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ সংখ্যা বৃদ্ধিকৰণ।
(৩) নৃতত্ব আৰু ভূগোলৰ বিভাগৰ বাবে শ্ৰেণীকোঠা বৃদ্ধিকৰণ।
(৪) ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা বৃদ্ধিকৰণ।
(৫) মহাবিদ্যালয়ৰ বিশুদ্ধ খোৱা পানী যোগান।
(৬) আধৰুৱা পৰি থকা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ নিৰ্মাণ।

আশা কৰো মোৰ পৰৱৰ্তী ছাত্ৰ-একতা সভাই উক্ত সমস্যাসমকুহ সমাধান কৰিব।

প্ৰতিবছৰৰ দৰে, এইবেলিও আমাৰ দুধনৈ মহাবিদ্যালয়ৰ "মহাদ্যিলয় সপ্তাহ" এই বছৰৰ জানুৱাৰী মাহৰ ২০ তাৰিখৰ পৰা ২৪ তাৰিখলৈ অনুষ্ঠিত কৰা হয়। পোনপ্ৰথমবাৰৰ বাবে, মহাবিদ্যালয় সপ্তাহৰ সামৰণি উৎসৱ, বটা বিতৰণ সভাত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ (RAC) মুখ্য কাৰ্য্যবাহী সদস্য শ্ৰীযুত শৰৎ চন্দ্ৰ ৰাভাই মুখ্য অতিথি আৰু ৰংজুলি চক্ৰ বিষয়া শ্ৰীযুত সীমান্ত দাসে নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকি সভা সুৱনি কৰিছেহি।

কৃতজ্ঞতা স্বীকাৰ ঃ

মহাবিদ্যালয় এখনৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰাটো ভবামতে সিমান সহজ নহয়। সংশ্লিষ্ট ব্যক্তিসকলোৰ পৰা সহায়-সহযোগিতা নাপালে কষ্টকৰ অসুবিধাত ভুগিব লাগিব

পাৰে। কিন্তু মোৰ বেলিকাত, অধ্যক্ষ শ্ৰদ্ধেয় কৰুণাকান্ত ৰাভাই মোক প্ৰভুত আন্তৰিক সহায় হাত আগবঢ়োৱাৰ বাবে প্ৰথমে তেখেতলৈ মোৰ কৃতজ্ঞতা জনাইছো। তদুপৰি মোৰ কামত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকালৈও মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলো। লগতে মোক প্ৰতিটো মুহূৰ্তত নানান-সহায় আগবঢ়োৱা মোৰ অগ্ৰজ মানিক ৰাভা, মিতু দাস, মনবাহাদুৰ ছেত্ৰী, বিপুল ৰাভা, ভৃগু নথ, লক্ষ্যধৰ ৰাভা, ৰাহুল ৰয় আৰু সতীৰ্থ জয়ন্ত, নিলু, অনুপ, জন, ধ্ৰুৱ, প্ৰশান্ত, নৰ, অসীম, যোগেশ, মণি, বনু, চুমি আদিলৈ অন্তৰভৰা ধন্যবাদ জনাইছো।

অৱশেষত, মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

"জয় আই অসম"

"জয়তু দুধনৈ মহাবিদ্যালয়"

শ্ৰীৰত্নদ্বীপ ৰয়

*সাধাৰণ সম্পাদক*

*দুধনৈ মহাবিদ্যালয় ছাত্ৰ, একতা সভা, ১৯৯৭-৯৮ বৰ্ষ*

---

## সহঃ সাধাৰণ সম্পাদক/সঙ্গীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণীতে অসমৰ মাটিত সোণগুটি গজাবলে কলিজাৰ কেঁচা তেজ ঢালি আইৰ বুকু সিক্ত কৰা বীৰ শ্বহীদসকললৈ মোৰ শত সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

জেষ্ঠসকললৈ শ্ৰদ্ধা, কণিষ্ঠসকললৈ মৰম আৰু বন্ধু-বান্ধৱীলৈ মোৰ প্ৰীতি আৰু সম্ভাষণ থাকিল।

দুধনৈ মহাবিদ্যালয়খন দক্ষিণ গোৱালপাৰাৰ এখন লেখত লবলগীয়া মহাবিদ্যালয়। এই মহাবিদ্যালয়খনলৈ বিভিন্ন প্ৰান্তৰ পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে আহে অধ্যয়নৰ বাবে আশাৰ এবুকু সপোনলৈ আৰু সেই সপোনবোৰ বাস্তৱত ৰূপ দি মহাবিদ্যালয়ৰ পৰা গুচি যায়। দুধনৈ মহাবিদ্যালয়ৰ কিছুমান সৰু বৰ সমস্যা তথা অভাৱৰ কথা এই প্ৰতিবেদনৰ জৰিয়তে ব্যক্ত কৰিব বিচাৰিছোঁ। এই অভাৱবোৰ হ'ল— ছাত্ৰাবাসৰ আসনৰ সংখ্যা কম, ছাত্ৰী নিবাসৰ আসনৰ সংখ্যা কম, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ জৰাজীৰ্ণ অৱস্থা আৰু মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাৰ সংখ্যা কম, খোৱা পানীৰ অসুবিধা আদি।

বিশেষকৈ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ আসনৰ সংখ্যা বৃদ্ধিৰ কাৰণে মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাইছোঁ। কাৰণ এই অসুবিধাৰ কাৰণে বহুতো ছাত্ৰ-ছাত্ৰীয়ে দূৰৈৰ পৰা পঢ়িবলৈ আহিও উভতিব লগা হয়।

মই মহাবিদ্যালয়ৰ সহঃ সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ পিছৰে পৰা পাৰ্য্যমানে মহাবিদ্যালয় খনৰ উন্নতিৰ হকে চেষ্টা চলাইছিলোঁ। মোৰ কাৰ্য্যকালত মই ওতঃপ্ৰোতভাৱে সাধাৰণ সম্পাদকৰ লগত আৰু সম্পাদকৰ অনুপস্থিতিতো ভুল-ক্ৰুটিৰ মাজেৰে হলেওঁ মহাবিদ্যালয়ৰ কৰিবলগীয়া কামবোৰ কৰিছিলোঁ। প্ৰতিজন বিভাগীয় সম্পাদকৰ লগত মিলিত হৈ কামকাজবোৰ চলাই নিছিলোঁ। বিশেষকৈ সাংস্কৃতিক সম্পাদক, তৰ্কবিভাগৰ সম্পাদক আৰু মই মিলিত হৈ ছাত্ৰ একতা সভাৰ কাম-কাজবোৰ চলাই নিছিলোঁ।

মই সঙ্গীত বিভাগৰ দায়িত্বভাৰ চলাই নিছিলোঁ। কিন্তু সঙ্গীত বিভাগৰ আৰ্থিক অসুবিধাৰ বাবে মোৰ ইচ্ছা সত্বেও বাদ্যযন্ত্ৰৰ সংখ্যা বৃদ্ধি কৰিব নোৱাৰিলোঁ। বহু কষ্টৰ মাজেৰে মই সঙ্গীত বিভাগৰ কাৰ্য্যসুচী সমূহ চলাই নিছিলোঁ।

মহাবিদ্যালয়ৰ আদৰণি সভা, আন আন অনুষ্ঠানত আৰু মহাবিদ্যালয়ৰ সপ্তাহত মই মোৰ বিভাগ কাৰ্য্যসূচী চলাই নিছিলোঁ। বৰ্তমানৰ সম্পাদকে সঙ্গীত বিভাগৰ বাদ্যযন্ত্ৰৰ সংখ্যা বৃদ্ধি কৰিব বুলি আশা ৰাখিলোঁ। মই আৰু সাংস্কৃতিক সম্পাদকে মিলিত হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱত অংশ গ্ৰহণৰ

বাবে বহু চেষ্টা কৰিছিলোঁ কিন্তু বিশেষ অসুবিধা হেতু আমি অংশ গ্ৰহণ কৰিব নোৱাৰিলোঁ তাৰ বাবে মই বৰ দুঃখিত।

মই কিছুদিন মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰো কাৰ্য্যসূচী চলাই নিছিলোঁ। যি কি নহওঁক মই মহাবিদ্যালয়ৰ উন্নতিৰ হকে বহু কষ্ট কৰিছিলোঁ। কিন্তু কিমান দূৰ সফল হ'লো— সেয়া বিচাৰ্য্যৰ বিষয়।

মোৰ কাৰ্য্যসূচী চলাই নিয়াত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগিতা আৰু মৰম স্নেহ আগবঢ়ালে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোক হ'ল ক্ৰমে— প্ৰশান্ত, দিবাকৰ, মামুনী, নৰ, হিতেশ, শশী, বিপুল, মিনাক্ষী, অনুলতা, কৰবী, মেঘালী, নলিন, ভাস্কৰ, হীৰা, হিমাংশু, জিণ্টু, শৈলেন্দ্ৰ আদি।

মোৰ কাৰ্য্যকালত কাৰ্য্যসূচী চলাই নিয়াত যদি অজানিতে ভুল-ত্ৰুটি হৈ গৈছে, তেন্তে ভুল-ত্ৰুটিবোৰৰ মই মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলোৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

পৰিশেষত মই অধ্যক্ষ মহোদয়, অধ্যাপক হৰগোবিন্দ ডেকা আৰু মোৰ বিভাগৰ কাৰ্য্যসূচীত সহায়-সহযোগিতা আগবঢ়োৱা অধ্যাপিকা মিনতি চৌধুৰী (ভূএগ্ৰ) লৈ শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*জয়তু দুধনৈ মহাবিদ্যালয়*
*জয় আই অসম*

শ্ৰদ্ধাৰে
**শ্ৰীযোগেশ কমল নাথ**
*সহঃ সম্পাদক, সঙ্গীত বিভাগ*

---

# ঃ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে মই মোৰ দেশমাতৃলৈ আৰু দুধনৈ মহাবিদ্যালয়লৈ শ্ৰদ্ধা যাচিছো এইদৰে-



*"বুকুত আছে আশা যাৰ*
*বেলি জিলিকিছে আকাশ তাৰ,*
*আকোৱালি লৈছে এক বিপুল সম্ভাৰ*
*সংস্কৃতিয়ে হৈছে ধৰণীৰ মুকুতা হাৰ।"*

দ্বিতীয়তে, মই মোৰ মহাবিদ্যালয়ৰ সমুহ শিক্ষক-শিক্ষয়িত্ৰীলৈ শ্ৰদ্ধা আৰু লগতে ইয়াৰ সমুহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

"সাংস্কৃতিক বিভাগৰ" সম্পাদকৰূপে নিৰ্বাচিত হৈ ইয়াৰ দায়িত্ব বহণ কৰো। এই বিভাগটোৰ সম্পাদকৰূপে মই কিমানদূৰ সাফল্যতা লাভ কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য।

মোৰ কাৰ্য্যকালত এইবেলিও ২০।১।৯৮ ইং তাৰিখৰ পৰা পৰম্পৰাগতভাৱে দুধনৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈ যায়। ইয়াত মোৰ কাৰ্য্যসূচীসমূহ ভালে-ভালেই অনুষ্ঠিত হৈ যায়। কিন্তু, মোৰ কাৰ্য্যকালত দুৰ্ভাগ্যৰ বিষয় এইটোৱেই যে ইচ্ছা থকা সত্বেও কিছুমান বিশেষ কাৰণবশতঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা "যুৱ মহোৎসৱত" আমি ভাগ ল'ব নোৱাৰিলো। সেয়েহে সমূহ জ্ঞাত আৰু মোৰ অজ্ঞাত হোৱা ভূল-ত্ৰুটিৰ বাবে মই ক্ষমা বিচাৰিছো।

সদৌ শেষত মই মোৰ তত্বাবধায়ক শ্ৰীদশৰথ কাকতি লগতে অইন-অইন শিক্ষাগুৰু সকলোলৈ আৰু লগতে আমন্ত্ৰিত নিৰ্ব্বাচক সকলোলৈ বিশেষ শ্ৰদ্ধা তথা সেইসকল বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো যিসকলে মোক চিৰ কৃতজ্ঞ কৰিলে। ইমানতে সামৰিছো।

**প্ৰশান্ত ৰয়**
সাংস্কৃতিক সম্পাদক

## ঃ লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমুহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৯৭-৯৮ চনৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মই লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। কিন্তু, হলেও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ দায়-দায়িত্ব বহন কৰিছো। দায়িত্ব আৰু কৰ্তব্য কিভাৱে সম্প্ৰদান কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য।

পৰম্পৰাগতভাৱে "মহাবিদ্যালয় সপ্তাহ" এইবেলিত ২০ জানুৱাৰীৰ ৯৮ পৰা পাঁচদিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় "মহাবিদ্যালয় সপ্তাহত" এইবেলি ভলীবল প্ৰতিযোগিতা বন্ধ কৰি দিয়া হয় আৰু আন আন বিষয় সমূহত ছাত্ৰ-ছাত্ৰীৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ আছিল।

যিয়েই নহওক মই আশা ৰাখিছোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা ভাল খেলুৱৈ হৈ মহাবিদ্যালয় তথা দেশৰ সুনাম অৰ্জন কৰিবলৈ যাতে সক্ষম হয়।

মোৰ কাৰ্য্যসূচী পৰিচালনাত সহায়-সহযোগিতা আগবঢ়োৱা সতীৰ্থসকল সৰ্বশ্ৰী ধনঞ্জয় ডাকুৱা, অনুপ ৰাভা, মান্যবন্ত স্বৰ্গীয়াৰঙী, মলোৰাম খাখলাৰী, ছায়াকৃষ্ণ ৰয়, জীতেন বসুমতাৰী আৰু সংকৰ বসুমতাৰীলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অধ্যাপিকাসকললৈ সেৱা জনাই দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিলোঁ।

*।। জয় আই অসম ।।*

শ্ৰীকুলদীপ নাথ
*সম্পাদক, লঘু ক্ৰীড়া বিভাগ*

---

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যিসকল শ্বহীদে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিলে সেই মহান শ্বহীদৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো। লগতে তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ পদলৈ নিৰ্বাচিত কৰি অনুষ্ঠানখনৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ হিয়াভৰা শুভেচ্ছা ও কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্য্যকালত মই কিমান দূৰ সফল হ'ব পাৰিলো তাৰ মুল্যাঙ্কন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কৰিব। মোৰ বিভাগৰ দায়িত্বসমূহ হ'ল– অসমীয়া, ইংৰাজী বড়ো কবিতা আবৃত্তি, তৰ্ক, কুইজ আৰু আকস্মিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা। এইবেলি তিনিখন মহাবিদ্যালয় তৰফৰ পৰা আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ পাইছিলোঁ যদিও এখনতো আমাৰ মহাবিদ্যালয়ে উক্ত প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকিবলগীয়া হৈছিল একমাত্ৰ প্ৰতিযোগীৰ অভাৱৰ বাবেই। আশা ৰাখিছো পৰৱৰ্ত্তী পৰ্য্যায়ত নৱনিৰ্বাচিত তৰ্ক বিভাগৰ সম্পাদক তথা তত্বাৱধায়ক মহোদয়ে উক্ত অভাৱ দূৰ কৰাৰ ক্ষেত্ৰত নিশ্চয় এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিব। প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা তাকৰ বুলি ক'ব নোৱাৰি যদিও প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ নাছিল।

মোৰ কাৰ্য্যকালছোৱাত সকলো দিশতে সহায়-সহযোগিতা ও উপদেশেৰে কৃতাৰ্থ কৰাৰ বাবে মোৰ বিভাগৰ তত্বাৱধায়ক প্ৰবক্তা শ্ৰীযুত তৰুন চাংমাই, অধ্যাপক শ্ৰীযুত দশৰথ কাকতি শ্ৰীঅশোক কুমাৰ ভট্টাচাৰ্য্য,

অধ্যাপক জীবেশ্বৰ কোচ, শ্ৰীপ্ৰদীপ দাস, শ্ৰীনৱৰাজ শৰ্মা আৰু শ্ৰীতপন কলিতা আদি শিক্ষাগুৰুসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে মোৰ কাৰ্য্যসূচীসমূহ আগবঢ়াই নিয়াত নানা দিশেৰে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু সৰ্ব্বশ্ৰী অনুপ কুমাৰ ৰাভা, প্ৰশান্ত ৰয়, ধ্ৰুৱ তালুকদাৰ, নিলকান্ত শৰ্মা, আলোক প্ৰতীম ৰয়, যোগেশ কমল নাথ, ৰত্ন দ্বীপ ৰায়সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্ব্বশেষত, মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা-ভিক্ষা মাগিছোঁ। লগতে দুধনৈ মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয় আই অসম'

জয়তু দুধনৈ মহাবিদ্যালয়

হিমাংশু সিংহ ৰয় (জ'ন)
সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

---

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ চমু প্ৰতিবেদন।



মোৰ চমু প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু লগতে ১৯৯৭-৯৮ চনৰ মুখ্য সম্পাদক নহ'লেও ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত মোক নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ লগতে ছাত্ৰ জিৰণি কোঠাৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মই মোৰ আন্তৰিক অভিনন্দন জনাইছো।

মোৰ কাৰ্য্যকালত মই সকলোবোৰ লাগতিয়াল সামগ্ৰী যোগান ধৰিবলৈ সক্ষম নহ'লেও বহুখিনি মই কৰিব পাৰিছো। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ সকলোবোৰ খেল অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। মই মোৰ খেলবোৰ পৰিচালনা কৰোতে কিবা ভুল-ভ্ৰান্তি হ'ব পাৰে। তাৰ বাবে মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীৰ পৰা মই ক্ষমা বিচাৰিছো।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে নপৰাকৈ সুচাৰুৰূপে চলাই নিয়াত যথেষ্ট সহায়-সহযোগিতাৰ লগতে উৎসাহ উদ্দীপনা প্ৰেৰণা যোগাইছে তেওঁলোকৰ ওচৰত মই আন্তৰিকভাৱে চিৰকৃতজ্ঞ।

তদুপৰি ছাত্ৰ জিৰণি কোঠা বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মনোজ গগৈ মহাশয়ৰ সহায়-সহযোগিতাৰ কথা মোৰ বাবে স্মৰণীয় হৈ ৰ'ব।

খেলসমূহ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা ৰুবুল, অম্বীকা, মনোৰু আৰু ৰিপনলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত মোৰ কাৰ্য্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিসমূহৰ কাৰণে ক্ষমা মাগিছো। লগতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ এই প্ৰতিবেদনৰ ইতিৰেখা টানিছো।

*।। জয়তু দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ।।*

*।। জয় আই অসম ।।*

**শ্ৰীদীপক কুমাৰ ৰাভা**
*ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক*
*দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা,*
*১৯৯৭-৯৮ বৰ্ষ*

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু লগতে নৱবৰ্ষৰ পলমকৈ হ'লেও শুভেচ্ছা জনাইছো।

১৯৯৭-৯৮ চনত ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদন্দ্বীতাৰে মই গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন হওঁ। বিভাগীয় দায়িত্ব বহন কৰি সমস্যা বহুত বিভাগটোৰ আংশিক উন্নতি কৰি যোৱাৰ আগ্ৰহ আছিল। কিন্তু মোৰ কাৰ্য্যকালত কিমানকিনি কৰিব পাৰিলো তাৰ বিচাৰ কৰাৰ ভাৰ আপোনালোকৰ হাতত অৰ্পিলো। পৰম্পৰাগতভাৱে মহাবিদ্যালয় সপ্তাহ এই বেলিও ১৯ জানুৱাৰী ৯৮ৰ পৰা পাঁচদিনীয়া কাৰ্য্য-সূচীৰে উদ্‌যাপন কৰা হয়। মুকলি আকাশৰ তলত মুকলি মনেৰে ১৯৯৮ চনৰ ২০ জানুৱাৰী তাৰিখে গুৰু ক্ৰীড়া বিভাগৰ পতাকা উত্তোলন কৰি গুৰু ক্ৰীড়াৰ শুভাৰম্ভ কৰে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কৰুণা কান্ত ৰাভাদেৱে। ইয়াৰ পিছত মহাবিদ্যালয়ৰ বিগত বছৰৰ গুৰু ক্ৰীড়া বিভাগৰ শ্ৰেষ্ঠ খেলুৱৈ শ্ৰীবিপুল সুত্ৰধৰদেৱে অলিম্পিক শিখা প্ৰজ্বলন কৰে।

সদৌ শেষত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক খেলসমূহ সুচাৰুৰূপে চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়োৱালে, সতীৰ্থসকল সৰ্বশ্ৰী বিপুল সুত্ৰধৰ, অলেখ শৰ্মা, কৃষ্ণ চাহী বাপোন সুত্ৰধৰ, মুনমী ৰয়, অৰ্পনা পাটগিৰি, মিনা ৰাভা, চন্দনা কলিতা, কাৱেৰী ৰাভা আৰু দিগন্ত ৰাভাক মই কোনোদিনে পাহৰিব নোৱাৰিম।

শেষত, অজানিতে বৈ যোৱা ভুল আৰু ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

*।। জয় আই অসম ।।*

শ্ৰীঅচ্যুত শৰ্মা
*সম্পাদক, গুৰু ক্ৰীড়া বিভাগ*
*দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা*
*১৯৯৭-৯৮ বৰ্ষ*

---

# ফুটবল আৰু ক্ৰিকেট বিভাগৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতি আস্থা ৰাখি যিসকল শিক্ষক আৰু ছাত্ৰ একতা সভাৰ সদস্যই মোক দুধনৈ মহাবিদ্যালয়ৰ "ফুটবল আৰু ক্ৰিকেট" বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়ৰ বাবে সেৱা কৰিবলৈ সুযোগ দিলে সেইসকললৈ, তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দলৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মৰম যাচিছোঁ।

যিহেতু, মই উক্ত বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয় সপ্তাহৰ দুটিমান দিনৰ পূৰ্বেহে কাৰ্য্যভাৰ গ্ৰহণ কৰিছো, সেয়ে মই বিগত বছৰটোৰ ভিতৰত হৈ যোৱা মোৰ বিভাগৰ কাৰ্য্যকলাপ আপোনালোকৰ সন্মুখত দাঙি ধৰিব নোৱাৰিলো বাবে মই দুঃখিত। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই অৰ্থাৎ ১৯/১/৯৮ তাৰিখৰ পৰা মোৰ বিভাগৰ খেলসমূহ অনুষ্ঠিত কৰিছিলো। খেল সমূহ পৰিচালনাত মই কিমান দূৰ সফল হৈছো সেইটো বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। কিন্তু প্ৰতিযোগিতাবোৰত প্ৰতিযোগীৰ যোগদান আছিল উৎসাহজনক। মোৰ কাৰ্য্যকালৰ সময়ছোৱাতে খুউব প্ৰয়োজনীয় এটি 'হাফ্ মেট্' অনা হয়।

খেল-ধেমালি হ'ল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। খেল-ধেমালি আৰু পঢ়া-শুনা দুয়োটাই দুয়োটাৰ পৰিপূৰক। খেলত জয়-পৰাজয় আছেই। (প্ৰকৃততে গৌৰৱৰ কথা হ'ল খেলুৱৈৰ কৃতিত্ব আৰু কৌশল)। মই বৰ লজ্জিত যে মহাবিদ্যালয়ৰ ইমান ছাত্ৰ-ছাত্ৰী থকা সত্বেও বঁটা বিতৰণী সভাত উপস্থিত থকা ছাত্ৰ-

ছাত্ৰীৰ সংখ্যা আছিল নিচেই তাঁকৰ। ভৱিষতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে এনেবোৰ অনুস্থানত উপস্থিত থকা কামনা কৰিছো।

মোৰ দুদিনীয়া কাৰ্য্যকালছোৱাত সকলো দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে শ্ৰদ্ধাৰে কৃতজ্ঞতা যাচিছোঁ ক্ৰিকেট বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত প্ৰদীপ দাস ছাৰক। লগতে মোৰ সতীৰ্থ দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য, বিশেষকৈ ৰত্নদ্বীপ ৰায়, প্ৰশান্ত ৰায়, হিমাংশু সিংহাক আৰু প্ৰতিটো পদক্ষেপ সুচাৰুৰূপে আগবাঢ়ি যোৱাত সহায় কৰা বন্ধু-বান্ধৱীলৈ মই ধন্যবাদ যাচিলো। ইয়াৰ উপৰিও ল'ৰা হোষ্টেলৰ মোৰ প্ৰতি থকা সঁহাৰিৰ বাবে মই চিৰ কৃতজ্ঞ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰি লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি তথা উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰিছোঁ।

*।। জয়তু দুধনৈ মহাবিদ্যালয়,*
*ছাত্ৰ একতা সভা ।।*

ধন্যবাদ------

**শ্ৰীঅনুপ কুমাৰ ৰাভা**
*সম্পাদক, ফুটবল আৰু ক্ৰিকেট বিভাগ*

---

# প্ৰাচীৰ পত্ৰিকাৰ সম্পাদকৰ প্ৰতিবেদন



আৰম্ভণিতে যিসকলৰ আত্মাহুতি আমাৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ল সেইসকলৰ পবিত্ৰ স্মৃতিত এধানি অশ্ৰু অঞ্জলি যাচিলো, লগতে যিসকলৰ সাহায্যৰে এই দায়িত্বত অৱতীৰ্ণ হৈছিলো সেই সকলোটিলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিভাগীয় দায়িত্ব বহণ কৰি মই অত্যন্ত আনন্দ অনুভৱ নকৰিলেও কিছু পৰিমাণে কৰিছিলো। কিছু গৌৰবান্বিত হৈছিলো যদিও ভয়ো খাইছিলো, কাৰণ কাৰ্য্য চলাই নিয়াত ক'ৰবাত ভুল হৈ যায় নেকি আৰু ভাল লাগিছিল মহাবিদ্যালয়খনৰ এটা সামান্যতম দায়িত্বভাৰ পোৱাৰ বাবে। 'জেউতি'খন বছৰটোত দুটা সংখ্যা প্ৰকাশ কৰা হৈছে এটা হ'ল "নবাগত আদৰণি সভা" আনটো "মহাবিদ্যালয় সপ্তাহ"। এই সংখ্যা দুটা মোৰ মাধ্যমতে সুন্দৰ কৰিবলৈ চেষ্টা কৰা হৈছে যদিও বহুতো ভুল-ভ্ৰান্তি হৈ গৈছিল সেয়া আমাৰ অনিচ্ছাকৃত ভুল। যিসকল সদাশয় ব্যক্তিয়ে ভুলবিলাক আঙুলিয়াই দেখুৱালে তেওঁলোকলৈ মই কযজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত তত্বাৱধায়ক অধ্যাপক শ্ৰীহৰকুমাৰ নাথ মহাশয়ে মোৰ সকলো দিশতে মূল্যবান পৰামৰ্শ দিয়াৰ বাবে তেখেতলৈ মোৰ শ্ৰদ্ধা থাকিল আৰু মোৰ এই কাৰ্য্যকাল চলাওতে কিবা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মই সকলো শিক্ষাগুৰুৰ তথাছাত্ৰ-ছাত্ৰী আৰু মোৰ বন্ধু-বান্ধৱী সতীৰ্থসকলৰ ওচৰত ক্ষমা বিচাৰিছো।

নতুন ছাত্ৰ একতা সভালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

*।। জয়তু দুধনৈ মহাবিদ্যালয় ।।*
*।। জয় আই অসম ।।*

**শ্ৰীদীপক কুমাৰ ৰাভা**
*সম্পাদক, প্ৰাচীৰ পত্ৰিকা বিভাগ*
*দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ১৯৯৭-৯৮ বৰ্ষ*

# শৰীৰ চৰ্চা আৰু সাঁতোৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ আন্তৰিক অভিনন্দন জনাইছোঁ আৰু ১৯৯৭-৯৮ ইং চনৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা আৰু সাঁতোৰ বিভাগৰ সম্পাদক পদত থাকি এই মহান অনুষ্ঠানলৈ সেৱা আগবঢ়োৱাৰ সুযোগ পাই নথৈ আনন্দিত হৈছোঁ।

জীৱনটো সুন্দৰভাৱে গঢ়িবলৈ সুস্থ মন আৰু সুস্থ শৰীৰ গঢ়ি তোলাটো মানুহৰ অপৰিহাৰ্য্য চৰ্ত। সেইবাবে সুস্থ মন আৰু শৰীৰৰ গৰাকী হ'বলৈ ছাত্ৰ-জীৱনত খেল-ধেমালি প্ৰধান প্ৰয়োজনীয় বিষয়। খেল কেৱল আনন্দ-উল্লাসৰ মাজত পতা এক উৎসৱেই নহয়, বৰ্তমান শিক্ষাৰ ব্যৱহাৰিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক প্ৰয়োগিক দিশৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেয়েহে বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীৰ অধ্যায়ৰ লগতে খেলা-ধূলা বাস্তৱ জীৱন সৈতে ওতঃপ্ৰোতভাৱে জড়িত কৰিছে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত বিভিন্ন অভাৱ-অভিযোগৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ সমাৰোহ উদ্‌যাপন কৰা হয়। আন আন বছৰৰ দৰে এইবাৰো শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতা সমূহ পতা হয়। এই প্ৰতিযোগিতাসমূহৰ ভিতৰত ল'ৰাৰ পাঞ্জা, ল'ৰা-ছোৱালী উভয়ৰে ভাৰোত্তলন প্ৰতিযোগিতা, ল'ৰাৰ শৰীৰ চৰ্চা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। এইবাৰৰ প্ৰতিযোগিতাসমূহ পৰিচালনা কৰি যিটো কথা বিশেষভাৱে মনলৈ আহিছিল, সেয়া হ'ল ছাত্ৰ-ছাত্ৰীসকলোৰ খেলৰ প্ৰতি উৎসাহৰ অভাৱ। সময়ে সময়ে প্ৰতিযোগীৰ অভাৱত প্ৰতিযোগিতা সমূহ কিছুমান বাতিল কৰিবলগীয়া হৈছিল।

মোৰ কাৰ্য্যকালছোৱাত সকলো দিশৰ পৰা সহায় কৰা বিভাগীয় তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত কল্যাণ বৰুৱাদেৱ আৰু লগতে শ্ৰীযুত মনোজ গগৈ, শ্ৰীযুত মানসলোচন দাস ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালত সকলো ফালৰ পৰা সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু বন্ধু-বান্ধৱী জনক, অৰ্জুন, মহেশ, হিতেন, মান্যবন্ত, ধন, প্ৰতুলদা, নলীন, মানিক, কাকলী, দিপা, অনুপ, অম্বিকা, সবিতা, অনু, অঞ্জলী, কল্পনা, অৰ্পনা, পুলমা, কচুমনি, কণিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ ধন্যবাদ জনাইছোঁ। মোৰ অজানিতে হোৱা ভুল-ক্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে——

শ্ৰীভাস্কৰ ৰাভা

*সম্পাদক,*

*শৰীৰ চৰ্চা আৰু সাঁতোৰ বিভাগ*